ASSAM ASSOCIATION, DELHI

# সাময়িক



## A SOUVENIR OF ASSAM ASSOCIATION, DELHI

20TH JANUARY, 2019

Scanned by CamScanner

# Assam Association, Delhi (2017-19)

## Office Bearers


Achyut Kumar Saikia
President


Rupen Goswami
Vice-President


Anjali Barooah
Vice-President


Dipak Saikia
General Secretary


Pabitra Kr Nath
Treasurer


Devaa Prasana Das
Secy, Cultural Affairs


Dibyojit Dutta
Secy, Co-ordination


Trishna Barkakoty
Secy, Welfare


Hironlal Dutta
Member


Aruna Baruah
Member


Dr Kulen Das
Member


Tridib Saikia
Member


Dr Dibyendu Kr. Borah
Member


Manik Pathak
Member


Dr. Chandan Bartamuli
Member


Dr. Banajit Mazumdar
Member


Angshuman Baruah
Member


Madan Prasad Bezbaruah
Ex-President


Dr. Hareswar Deka
EX-General Secy.


Harekrishna Das
Managing Trustee, AACET


Manik Chandra D[illegible]
Editor (Samayik)

Scanned by CamScanner

# সাময়িক

বৰ্ষ ঃ ২৯ সংখ্যা ঃ ১

ESTD : 1947

ভোগালী বিহু সংখ্যা

২০ জানুৱাৰী, ২০১৯

৫ মাঘ, ১৪২৫ ভাস্কৰাব্দ

সম্পাদকঃ মাণিক চন্দ্ৰ দাশ


**ASSAM ASSOCIATION, DELHI**
Srimanta Sankaradeva Bhawan
A-14-B, Satsang Vihar Marg,
Qutab Institutional Area, New Delhi - 110067
Phone : 26510426, 26537786
E-mail : info@assamassociationdelhi.com
assamassociation2015@gmail.com
Website : www.assamassociationdelhi.com


Scanned by CamScanner



# "অসম এছোচিয়েছন, দিল্লী"ৰ সভাপতিৰ একাষাৰ

"অসম এছোচিয়েছন, দিল্লী", আজি অসমৰ বাহিৰত গঢ়ি উঠা অসমীয়া অনুষ্ঠান বিলাকৰ ভিতৰত এক সৱল অনুষ্ঠান হিচাবে চিনাক্ত হৈছে। এই অনুষ্ঠানৰ উদ্যোগত গঢ় লোৱা "শ্ৰীমন্ত শংকৰদেৱ ভৱনে" তাৰেই স্বাক্ষৰ বহন কৰে।

এছোচিয়েছনৰ সভাপতি হিচাবে আমাৰ কাৰ্যকালৰ এটা বছৰ পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত দুটামান কথা উনুকিয়াই দিব খুজিছো ঃ (ক) আমি গতানুগতিক ভাৱে মাঘবিহু, ৰঙালী বিহু, শংকৰদেৱৰ তিথি আদি পাতি আহিছো; গতানুগতিকতাৰ বাহিৰেও আন গঠনমূলক কিবা কৰিব পৰা যায় নেকি (খ) ২০০৮ চনতে সম্পূৰ্ণ হোৱা "শ্ৰীমন্ত শংকৰদেৱ ভৱন" আমাৰ এছোচিয়েছনৰ এক অমূল্য সম্পত্তি হোৱা হেতুকে নিয়মিতৰূপে এই ভৱন তদাৰক কৰা, পৰিচালনা কৰা আদি কাৰ্যৰ বাবে কেইজনমান বেতনভোগী নিয়মীয়া কৰ্মী ৰাখিব পৰা যায় নেকি আৰু (গ) সত্ৰীয়া নৃত্য শিক্ষাকেন্দ্ৰটোৰ উন্নতভাৱে কিছু প্ৰসাৰণ ঘটাব পৰা যায় নেকি, এই বিষয়ে সদাশয় ব্যক্তিসকলে আমাক দিহা-পৰামৰ্শ আগবঢ়ালে সুখী হ'ম। লগতে অতি আন্তৰিকভাৱে নৱপ্ৰজন্মৰ যুৱশক্তিলৈ আহ্বান জনাইছোঁ যাতে তেওঁলোকে নিজৰ অনুষ্ঠান জ্ঞান কৰি এই অনুষ্ঠানটিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে আগবাঢ়ি আহে।

আজি প্ৰায় দুবছৰমান আগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নতুন দিল্লীত এটা নামঘৰ স্থাপনৰ উদ্দেশ্যে নিৰ্দ্দেশ দিয়াৰ কথা অসমীয়া কাকতত প্ৰকাশ পাইছিল , সেই সম্পৰ্কে সংশ্লিষ্ট মহলে আমাক অৱগত কৰিব বুলি আশা ৰাখিলোঁ।

আজিৰ মাঘবিহু অনুষ্ঠানৰ আয়োজনত যিসকল লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰিলে তেওঁলোক সকলোলৈকে মোৰ কৃতজ্ঞতা জনাইছোঁ। আমাৰ সকলো প্ৰকাৰৰ আন্তৰিক চেষ্টা স্বত্তেও আয়োজনত যদি অনিচ্ছাকৃতভাৱে দোষ-ত্ৰুটি থাকি গ'ল তাৰ বাবে এছোচিয়েছনৰ হৈ ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। শেষত সকলোলৈকে বিহুৰ শুভেচ্ছা থাকিল।

অচ্যুত কুমাৰ শইকীয়া

অচ্যুত কুমাৰ শইকীয়া

Scanned by CamScanner



# “অসম এছোচিয়েছন, দিল্লী”ৰ সম্পাদকৰ একাষাৰ

মাঘবিহুৰ উৰুকাৰ ৰাতি গাঁৱৰ পথাৰৰ মাজত নৰাৰে ঘৰ সাজি মেজিৰ উমৰ লগতে লগৰ সমনীয়াৰ লগত মিলি কাৰোবাৰ বাৰীৰ আলু, বেঙেনা, কবি চুৰি কৰা, গৃহস্থৰ গোহলিৰ গাই পোৱালিক মুকলি কৰি দি ৰাতিপুৱা গৃহস্থক গোহালীৰ গাখীৰৰ পৰা বঞ্চিত কৰা, ৰাতি নৰাৰ ঘৰৰ মেজিৰ উম লৈ ভোজ ভাত খাই আনন্দ উলাস কৰা শৈশৱৰ স্মৃতি বিলাকে এতিয়াও মন পুলকিত কৰি তোলে।

মন উৰি যায় উৰুকাত গাঁৱলৈ গৈ মাঘৰ বিহুৰ জুতি আৰু আনন্দ লবলৈ। মন যায় চাবলৈ গাঁৱৰ নতুন প্ৰজন্মই কেনেদৰে মাঘ বিহুত আনন্দ-উল্লাস উদ্‌যাপন কৰে।

অৱশ্যে আমাৰ শৈশৱ আৰু বৰ্ত্তমান প্ৰজন্মৰ ভাৱ, অনুভূতি, আনন্দ-উল্লাহ উৎসৱৰ বহু পৰিৱৰ্ত্তন ঘটিছে, তথাপি বিহু আহি আছে।

আমি দিল্লীবাসীয়েও অসম এছোচিয়েছনৰ জন্ম দিন ধৰি মাঘ বিহু উদ্‌যাপন কৰি আহিছো। বিহু সংস্কৃতিৰ এই সোঁত বহমান হৈ থাকিব। ইয়াৰ পৰিসৰো বিশালৰ পৰা বিশালতৰ হৈ থকিব। অন্যান্য সংস্কৃতিৰ লগতে বিহু সংস্কৃতিও অসমীয়াৰ স্বাভিমানৰ এক অমূল্য সম্পদ।

ভোগালী বিহুত উন্মোচন কৰিবলৈ লোৱা ‘সাময়িক’খন সুন্দৰকৈ সম্পাদনা আৰু প্ৰকাশ কৰি পাঠকৰ হাতত দিয়াৰ বাবে শ্ৰীযুত মানিক দাশ, লগতে অসম এছোচিয়েছনৰ ঠিকনাযুক্ত ডাইৰেক্টৰী পুথিখন পুনৰ সংস্কৰণ আৰু ছপা কৰি উলিওৱা ড° নীলমনি শৰ্মা আৰু দিব্যজিত দত্তলৈ অশেষ ধন্যবাদ জনালো।

ভোগালী বিহু অনুষ্ঠানটি সুন্দৰকৈ পালন কৰাত সহায় সহযোগিতা আগবঢ়োৱা ব্যক্তি বা অনুষ্ঠান, কাৰ্যকৰী কমিটিৰ সদস্য-সদস্যা আৰু সকলো শুভাকাংক্ষী ব্যক্তিলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত সকলোলৈকে ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছা যাচিলোঁ।

দীপক শইকীয়া

দীপক শইকীয়া

Scanned by CamScanner

# "সাময়িক"ৰ সম্পাদকৰ মনৰ কথা



"I follow only one party; The Vietnamese party" Ho Chi Minh ভিয়েটনামৰ বিশ্ববিশ্রুত কমিউনিষ্ট নেতা হো চি মিনৰ এই অতি অৰ্থবহ উক্তিৰেই অসমক ভালপোৱা, অসমৰ ভাষা-সংস্কৃতিক ভালপোৱা, খিলঞ্জীয়া অসমীয়াৰ জাতি-মাটি-ভেটি ৰক্ষাৰ সংগ্ৰামক সন্মান জনোৱা সকলো ৰাইজলৈ ভোগালী বিহুৰ ওলগ জনাইছো। অসমৰ বৰ্তমানৰ সামগ্ৰিক পৰিস্থিতিয়ে আমাক হো চি মিনৰ দৰেই ভাবিবলৈ বাধ্য কৰাইছে। যেতিয়া এটা জাতিয়ে নিজৰ অস্তিত্বৰ সুৰক্ষা বিষয়ক লৈ বাৰম্বাৰ প্ৰতিবাদ কৰি থাকে, তেতিয়া শাসক পক্ষই হওক বা বিৰোধী পক্ষই হওক নিৰপেক্ষভাৱে গুৰুত্ব সহকাৰে সেই প্ৰতিবাদৰ ভাষা বুজিবলৈ চেষ্টা কৰিব লাগিব; সেই সমস্যাৰ বীজ যে বিভিন্ন মহলৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবেই প্ৰাক-স্বাধীনতা কালতে ৰোপণ কৰা হৈছিল, সেয়াও পাহৰিব নেলাগিব। অসমৰ অবৈধ বিদেশী নাগৰিকৰ এই গভীৰ সমস্যাৰ সুস্থ সমাধান কৰিবলৈ আজি ৭০ বছৰে কোনো এখন চৰকাৰেই আন্তৰিকতা দেখুওৱা পৰিলক্ষিত হোৱা নাই। কোনো সমস্যাই সমাধানবিহীন নহয় , আন্তৰিকতা থাকিলে, সদিচ্ছা থাকিলে, পাৰস্পৰিক বুজাবুজি থাকিলে সমস্যাৰ ইতিবাচক সমাধান সূত্ৰ নিশ্চয় ওলাব।

সোঁপন্থীয়ে হওক, বাওঁপন্থীয়েই হওক, শাসক-শ্ৰেণীয়েই হওক, বিৰোধী পক্ষই কেৱল দলীয় স্থিতি মজবুত কৰিবলৈকে ভোট বেংকৰ নিকৃষ্ট ৰাজনীতি কৰি থকাৰ ফলস্বৰূপেই অসমৰ ভূমিপুত্ৰ আজি ভূমিহীন হৈ পৰিছে! অসমৰ খিলঞ্জীয়াই ভাষা-সংস্কৃতি, মাটি-ভেটি হেৰুৱাই স্বভূমিতে সংখ্যালঘু হব ধৰিছে , সকলো হেৰুওৱাৰ ভীতি গ্ৰস্ততাৰে দিশহাৰা হৈ পৰিছে। দিশহাৰা হৈ আৱেগত উটি-ভাঁহি ফুৰা এটা জাতিক যিকোনো দল-সংগঠনে নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰে , সেয়ে জাতিৰ এই জীৱন-মৰণৰ সন্ধিক্ষণত কেৱল বোকা ছটিওৱাৰ ৰাজনীতি নকৰি দেশক অন্তৰেৰে ভালপোৱা জাতিক সদায় আগস্থান দিয়া প্ৰতিজন সচেতন চিন্তাশীল ব্যক্তিয়ে, নিৰপেক্ষভাৱে, সমস্ত ঘটনাক্ৰম পুংখানুপুংখভাৱে পৰ্য্যালোচনা কৰি সমস্যাৰ সুস্থ সমাধান উলিয়াই জাতিটোক এক সৃষ্টিশীল গতি দিবলৈ সক্ষম হ'ব লাগিব; নহ'লে চাও লুং-চুকাফাই সকলো জাতি-জনজাতি একেলগে কৰি শক্তিশালী জাতিৰূপে গঢ়ি যোৱা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সত্ৰীয়া সংস্কৃতিৰ অমৃত পান কৰাই সুস্থ-সংস্কৃতিৱান কৰি গঢ়ি থৈ যোৱা, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে "অসমীয়া ডেকাৰ উক্তি"ত বৰ্ণনা কৰা সেই 'বৰ অসমীয়া' জাতিটো অকালতে ঠান-বান হৈ পৰিব! তাৰ বাবে জগৰীয়া হ'ম আমি সকলো - আমাৰ মাজত ভুল বুজা-বুজিৰে সৃষ্টি হোৱা ভ্ৰাতৃঘাটী সংঘাত! ইয়াৰ বাবে আমাৰ উত্তৰ পুৰুষে আমাক কেতিয়াও ক্ষমা নকৰিব। সেয়েহে, জাতিৰ এই চূড়ান্ত দোৰ্য্যোগৰ সময়ত আমি অসমীয়াই নিজৰ নিজৰ ৰাজনৈতিক আদৰ্শ দলীয় 'ইজিম'ৰ (ism) সংকীৰ্ণ খোলাটোৰ পৰা ওলাই আহি হো চি মিনৰ দৰে নিৰ্ভীকভাৱে ভাবিব পাৰিব লাগিব- "It is patriotism, not communism that inspried me."

যেতিয়ালৈকে আমি জ্যোতিপ্ৰসাদে ভৱাৰ দৰে, বিষ্ণু ৰাভাই দেখুওৱাৰ দৰে, অম্বিকাগিৰিয়ে চিঞৰাৰ দৰে, ভূপেন হাজৰিকাই সাঁকিয়াই যোৱাৰ দৰে সকলো এক হৈ সেই "বৰ অসমীয়া"জন হৈ থাকিব পাৰিম, তেতিয়ালৈকে পৃথিৱীৰ কোনো অপশক্তিয়ে যে আমাক পৰাভূত কৰিব নোৱাৰে সেয়া নিশ্চিত। কাৰণ, সেই "বৰ অসমীয়া"জনেইটো "পৰিও নপৰা, মৰিও নমৰা, বান ভগদত্ত-চুকাফা জাত"।

১৯৯০ চনৰ জুলাই মাহৰ প্ৰস্তাৱনা সংখ্যাকে আদি কৰি আজি পৰ্য্যন্ত এই ২৯ টা বছৰে আমাৰ "অসম এছোচিয়েছন, দিল্লী"ৰ মুখপত্ৰ 'সাময়িক'খনিক বিভিন্ন বিষয়ৰ লেখা আদিৰে যিসকল মাননীয় লেখক-লেখিকাই পৰিপুষ্ট কৰি আহিছে, সেই সকলোলৈকে আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনীখনিৰ এই সংখ্যাটিত বিজ্ঞাপন প্ৰকাশ কৰিবলৈ দিয়া বিভিন্ন সদাশয় ব্যক্তি, প্ৰতিষ্ঠান আদিৰ আন্তৰিক শলাগ লৈছো। প্ৰয়োজনত দিহা-পৰামৰ্শ আগবঢ়োৱা উপদেষ্টা মণ্ডলীৰ লগতে সকলো সময়তে অকুণ্ঠ সহযোগিতা দিয়া সম্পাদনা সহযোগী সকল, বেটুপাতখন সুন্দৰকৈ আঁকি দিয়াৰ বাবে চন্দন বেজবৰুৱা, অক্ষৰ বিন্যাস ডিটিপি চেটিং তথা মুদ্ৰণ কৰোঁতা আংশুমান বৰুৱা আৰু "অসম এচোচিয়েচন, দিল্লী"ৰ হৈ 'সাময়িক'খন প্ৰকাশ কৰি দিয়া বাবে সাধাৰণ সম্পাদক দীপক শইকীয়া বিশেষভাৱে ধন্যবাদৰ পাত্ৰ।

শেষত, আলোচনীখনিত অবাঞ্চিত ভাৱে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে পাঠক সমাজৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

জয় আই অসম

বিনয়েৰে—

Scanned by CamScanner



# নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'

ডঃ মলয়া খাওন্দ
ফোন নং- ৮৮০০৬২৪৬৫৯

কবি নৱকান্ত বৰুৱা অসমীয়া সুধী সমাজৰ এক অত্যন্ত পৰিচিত নাম। কেৱল কবিতাৰ ক্ষেত্ৰতে নহয়,সেই কবিত্ব গুণ তেখেতৰ সমস্ত সৃষ্টিশীল জগতখনত এনে সুষমামণ্ডিত ভাৱে ব্যাপ্ত হৈ আছে যে উপন্যাসতে কিম্বা অন্যান্য চিন্তাশীল ৰচনাতে হওক কবি আৰু কথাশিল্পীজনৰ মাজৰ পাৰ্থক্যৰ সীমাৰেখা নিৰ্ণয় কৰা কঠিন হৈ পৰে।

বৰুৱাদেৱৰ প্ৰথম উপন্যাস 'কপিলী পৰীয়া সাধু' (১৯৫৩)। এই উপন্যাসৰ আধাৰ কপিলীপৰীয়া মানুহৰ সুখ-দুখ হাঁহি-অশ্ৰুৰ কাহিনী। ঔপন্যাসিকৰ নিপুন তুলিকাৰ মায়াজালত কপিলী নৈ পৰিণত হৈ পৰিছে এক বিশিষ্ট চৰিত্ৰলৈ। সেয়েহে আমি দেখিবলৈ পাওঁ কপিলীৰ সেই ৰূপ।

'কপিলী জীয়া নৈ। কপিলীয়ে বিচাৰে নদন-বদন এখন সংসাৰ। গৃহস্থী ঘৰ। সিহঁতৰ পথাৰত পলস পেলাই সাৰুৱা কৰি থ'ব...আকৌ সিহঁতকে কষ্ট দি ভাল পাব।'

উপন্যাসৰ মুখ্য চৰিত্ৰ ভোগাই প্ৰমুখ্যে প্ৰতিটো চৰিত্ৰই কপিলীৰ সন্তানঃ কপিলীৰ লগত যাৰ অবিচ্ছেদ্য সম্পৰ্ক—'কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন। সিহঁতৰ জীৱন আৰু মৃত্যুৰ সৈতে এই জীয়া নৈ খন মিহলি হৈ আছে।' আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ আগলি মুহূৰ্তত সৃষ্টি হোৱা নৱকান্ত বৰুৱাৰ কপিলীপৰীয়া সাধু (১৯৫৩) কলং কপিলী দিজুৰ পাৰৰ কপিলীপৰীয়া কৃষকৰ সুখ-দুখ, আনন্দ-বিষাদৰ প্ৰতিফলন।

দৰাচলতে কলং-কপিলী আৰু নগাঁৱৰ দাতি কাষৰীয়া গ্ৰাম্য অঞ্চলৰ নৈসৰ্গিক প্ৰকৃতি কবি নৱকান্ত বৰুৱাৰ কবি মানসত সদায় সৰৱ। কলং কপিলীৰ পাৰতেই আছে নিজৰ বংশলতাৰ মূল শিপা আজো ককাক-ককাদেউতাকৰ সেই হাড়ত বন গজা কাহিনীঃ 'কলং কপিলী দিজুৰ পাৰৰ ককাদেউতাকৰ হাড়, বুঢ়ী আইতাকৰ কলিজাত গজে বন-নহৰুৰ ফুল।'

—'পলস' কবিতাৰ সেই জনপ্ৰিয় পংক্তিয়েই হ'ল নৱকান্ত বৰুৱাৰ সাহিত্য একাডেমী বঁটা প্ৰাপ্ত উপন্যাস 'ককাদেউতাৰ হাড়'ৰ মূল আধাৰ।

নৱকান্ত বৰুৱাই উপন্যাসখনত প্ৰথমেই আলোকপাত কৰিছে বয়োবৃদ্ধ আইতা আৰু নাতিনীয়েকৰ মাজত বাখৰ বৰাৰ পৰিয়ালৰ নমিতা আৰু খৰভী বৰুৱাৰ ঘৰৰ হেমন্তৰ লগত হ'ব খোজা বিয়াখন লৈ হোৱা কথোপকথন আৰু বাদ বিসম্বাদৰ বাস্তৱ চিত্ৰখন। পৰিয়ালৰ সৰ্বেতোপ্ৰকাৰ মঙ্গল কামনা কৰিয়েই আইতাই বিয়াখনত আপত্তি কৰিছে। কাৰণ নমিতা আৰু হেমন্তৰ দুয়োৰে উপৰিপুৰুষ বাখৰ আৰু ভোগাইৰ মাজত আছিল প্ৰচণ্ড অৰিয়া অৰি। ভোগাই বৰুৱা আৰু বাখৰ বৰাৰ পাৰস্পৰিক ঈৰ্ষা আৰু ক্ষমতাপ্ৰিয়তাৰ অৰিয়া অৰিয়ে উপন্যাসৰ কাহিনী ভাগক আগবঢ়াই লৈ গৈছে। উপন্যাসিকে আইতাৰ মুখেৰে ব্যক্ত কৰিছে সেইসময়ৰ সমাজৰ সামন্তযুগীয়া চিন্তা-চেতনাঃ

'বুজিছ বোপাই, এই ভেমকনেই আছিল তেওঁলোকৰ জীৱন। তাতেই যেন তেওঁলোকে জিৰণি লৈছিল, তাকেই পাগুলি জীয়াই ৰাখিছিল নিজক (পৃঃ১৬)।'

'ককাদেউতাৰ হাড়'ৰ দুটা মুখ্য পুৰুষ চৰিত্ৰৰ দম্ভালি আৰু আত্মাভিমানৰ কাহিনী অভিজ্ঞতা আইতাৰ নখ-দৰ্পণত থকা বাবেই নাতিনীয়েক বৰমইনাক একেবাৰেই নমিতা-হেমন্তৰ হ'বলগীয়া বিয়া খনত সন্মতি দিয়া নাই। খৰভী বৰুৱাৰ ঘৰৰ ভোগাইৰ নাতি হেমন্তৰ লগত ন-নৈৰ বাখৰ বৰাৰ পৰিয়ালৰ জীয়ৰী নমিতাৰ বিয়া খন হ'লে যেন ভোগাই-মাহিন্দ্ৰীৰ বিয়াখনৰ কাৰুণ' আৰু বিফলতাৰে এক পুনৰাবৃত্তি হ'ব। উপন্যাসৰ কাহিনীভাগত ভোগাই আৰু বাখৰৰ চৰিত্ৰৰ ক্ৰুৰতা আৰু হিংসা পৰায়ণতা প্ৰকট হৈ পৰিছে। ভোগায়ে যেনেকৈ নিজৰ পত্নী মাহিন্দ্ৰীৰ ভ্ৰাতৃ বাখৰ বৰাক নিজৰ প্ৰতিদ্বন্দ্বী চৰিত্ৰ হিচাপে পচাৰে খোচাই হত্যা কৰাইছে, বাখৰ বৰাইয়ো সমাজৰ অৱহেলিত কুষ্ঠৰোগী আৰু নিৰ্দোষী মুকুন্দক গুলিয়াই মৃত্যুমুখী কৰিছে। মুকুন্দৰ দোষ সি ভোগাই বৰুৱাৰ ধনৰ টোপোলাৰে তাৰ বন্ধক মোকলাবলৈ বাখৰ বৰাক অনুৰোধ কৰিছিল। সেয়ে লিখকে কৈছেঃ—

'ভোগাইৰ প্ৰভাৱক যদি প্ৰতিপত্তি বুলিব পাৰি , এই বৰা ঘৰৰ প্ৰভাৱক বুলিব পাৰি প্ৰতাপ। এজনৰ মৰ্য্যাদাৰ প্ৰশ্ন, আনজনৰ প্ৰতিপত্তিৰ।'

ভোগেশ্বৰ বৰুৱাৰ পত্নী হিচাপে মাহিন্দ্ৰীয়ে মাথোন জীৱনত



Scanned by CamScanner

পালে দুখ আৰু বেদনাবোধ। নাৰীৰ মৰ্যাদাবোধ অথবা স্বামী ভোগাইৰ হৃদয়ত স্থান পোৱাৰ সৌভাগ্য মাহিন্দ্ৰীৰ কোনোদিনেই হোৱা নাছিল। স্বামীৰ অৱহেলিতা হোৱাৰ দুখৰ উপৰিও মাহিন্দ্ৰী এদিন শোকাকুলা হৈ পৰিল তাই যেতিয়া গম পালে নিজৰ ককায়েক বাখৰ বৰাৰ মৃত্যুৰ কাৰণো হ'ল নিজৰ স্বামী ভোগাই। মাহিন্দ্ৰীৰ যৌতুকৰ বাখৰ পতা আগুঠিটো নি ভোগায়ে বাখৰ একৰাই ঘুৰাই দিয়া কাৰ্যাইয়ো মাহিন্দ্ৰীক হতাশাত ভোগাইছিল। আনহাতে ককায়েক বাখৰো যে ভনী-জোঁৱাই ভোগাইৰ প্ৰতি সমানেই প্ৰতিহিংসা পৰায়ণ সেই বিষয়েও মাহিন্দ্ৰীৰ মন অশান্তিৰে পৰিপূৰ্ণ আছিল। বাখৰে ভোগাইক পিতৃ-শ্ৰাদ্ধলৈ নিমন্ত্ৰণ কৰি আপ্যায়ন কৰিছে অপমান সূচকভাৱে। গতিকে 'এপাত তাল নবজা' কথাষাৰ দুয়োৰে পৰস্পৰৰ ব্যৱহাৰত প্ৰকট হৈ পৰিছে। নৱ বৰুৱাৰ ভাষাতঃ—

'এই দুজন মানুহে ইজনে সিজনৰ নাম ল'ব নোখোজে। এঘৰে ভাৱে আনঘৰে তেওঁলোকৰ সমান হ'ব খুজি তেওঁলোকক অপমান কৰিছে। আৰু ইঘৰে ভাৱে তেওঁলোকক সমান হ'বলৈ নিদি অপমান কৰা হৈছে (পৃঃ২৫)

—সেয়ে যি মাহেন্দ্ৰ ক্ষণত মাহিন্দ্ৰী আহি ভোগাইৰ সংসাৰত প্ৰৱেশ কৰাৰ উদ্দেশ্যই আছিল দুয়ো পৰিয়ালৰ সম্বন্ধৰ এনাজৰীডাল সুদৃঢ় কৰাৰ কাৰ্যতঃ সি হৈ নুঠিল। যেন হিতে বিপৰীত হ'ল। মতগৰ্বী ভোগাই আৰু অবিবেচক ককাই বাখৰ বৰা এই দুই ম'হৰ মাজত বিৰিণাৰ মৰণ হ'ল।

'তাই হ'বলৈ আহিছিল দুটা প্ৰতাপী পৰিয়ালৰ মিলনৰ সেঁতু। এতিয়া সেই সাকোঁৰেদি বগাই আহিছে বিদ্বেষ, অপমান আৰু হয়তো মৃত্যুৰো ছাঁ।'

—দাম্পত্য প্ৰেমৰ মধুৰতা উপভোগ কৰাৰ সৌভাগ্য মাহিন্দ্ৰীৰ কেতিয়াও হোৱা নাছিল। স্বামীৰ স্বেচ্ছাচাৰিতাৰ নীৰৱ দৰ্শক মাহিন্দ্ৰী, ককায়েক বাখৰ বৰাৰ অবিবেচকতাতো চিন্তিত হৈ পৰিছিল। কুমাৰ গাঁৱত জুই বাখৰেই জ্বলাই ৰং চাইছিল। ভোগায়ে কুমাৰৰ হতুৱাই বাখৰক অপমান কৰাৰ প্ৰতিশোধ আছিল সেইয়া। মাহিন্দ্ৰীৰ মানসিক সংঘাতৰ একাংশঃ

'দুঘৰ মানী মানুহ, দুঘৰ মিতিৰৰ কাজিয়া লাগিছে—হয়তো ভাগিবও। কিন্তু মাজত এই সাধাৰণ মানুহবোৰক উচটোৱাৰ প্ৰয়োজন কি? তাৰ পৰা কাৰোৰেই মঙ্গল নহয়। প্ৰজাবোৰ এনেদৰে বাখৰৰ অত্যাচাৰত জুৰুলা হ'ব, ভোগাইৰ মনত অশান্তি বাঢ়িব।' (পৃঃ৫১)

গতিকে লক্ষণীয় যে 'ককাদেউতাৰ হাড়'ৰ পটভূমিকাত বৰ্ণিত অসমীয়া সমাজখন অষ্টাদশ শতিকাৰ এখন সামন্ত সমাজ—য'ত বিৰাজ কৰিছে অৰাজকতাই। ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষাৰ্দ্ধৰ বাস্তৱ ছবিখন প্ৰতিফলিত হৈছে উপন্যাসৰ কাহিনীভাগত ঃ

'ৰজাই যদি পলাল, ৰাইজ ৰয় কেনেকৈ।' কুমাৰ গাঁৱৰ প্ৰজাই উচ্‌পিচালে।

'এস্, এস্ ৰজা ভাগিলে বৰ বিপদ। দেশ অৰাজক হ'লে বৰ বিপদ। নপতা ৰজাই, নচঁচা হলে সমান। নপতা ৰজাৰ মুলুকত আমি থাকো কেনেকৈ।

আৰ্থ-সামাজিক ক্ষেত্ৰত দুৰ্বল সাধাৰণ লোকৰ অৱস্থা আছিল পানীত হাঁহ নচৰা। প্ৰতিপত্তিশালী ভোগায়ে সেই সকলক নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিছিল। ভোগাইৰ বিপক্ষে যোৱাৰ সাহস সিবিলাকৰ নাছিল। বাখৰৰ হাতত বন্ধক ৰখা সোণ মোকোলাবলৈ ভোগায়েই ধনৰ টোপোলা আগবঢ়াইছিল সাধাৰণ ৰাইজক সেয়া আছিল বাখৰক লঘু কৰাৰ সাধাৰণ স্বাৰ্থ মাথোন। কিন্তু বুকু ফাটিলেও মুখ নোখোলা প্ৰজা নিৰুপায় হৈ পৰিছিলঃ

'ভোগাইৰ কথাত সিহঁত নিৰুপায় হ'ল। এফালে ভোগাই আৰু আনফালে বাখৰ। তাৰ মাজত কুৰুৱা বতাহত বিৰিণা কঁপাৰ দৰে কঁপি থকাৰ বাহিৰে সিহঁতৰ আৰু উপায় নাই।' (পৃঃ৫৫)

আৰ্থিক সংকটত ভোগা সকলৰ অন্নদাতা আছিল ধনী-মানী বাখৰ বৰা। এঠাইত লিখকে কৈছে 'গোটেই কুমাৰ গাঁওখন যে মোৰ হাতত বন্ধা।'

—বাখৰৰ সেই গৰ্বালি বচন ক্ষুন্ন কৰিবৰ বাবে ভোগাই মনে-প্ৰাণে সাজু হৈছে। নৱকান্ত বৰুৱাই বাখৰৰ মই-মতালিৰ সমান্তৰাল ভাৱে সেই সময়ৰ অঞ্চল বিশেষে হোৱা বাঘৰ উপদ্ৰৱৰ চিত্ৰ এখনি কাহিনী ভাগত অংকন কৰিছে। বাঘ-ভেটাটো এটা সামাজিক উৎসৱ হিচাপেও চিত্ৰিত কৰিছে। বাঘৰ আক্ৰমণৰ পৰা ৰক্ষা পাই স্বস্তিৰ নিশ্বাস পেলাবৰ বাবেই ছলে বলে কৌশলে বাঘটোক মৃত্যুৰ মুখত পেলাবলৈ মানুহে আপ্ৰাণ চেষ্টা কৰিছে। সেই ভেটা দি বাঘক ৰোধ কাৰ্যফেৰাত কেতিয়াবা টঙিৰ ওপৰত নিশা পহৰা দি থকা সাহসী ল'ৰাডেকাৰ দলটোৱে ওচৰ-চুবুৰীয়াৰ পৰা বাঁহ-বেত, শাক-পাচলি আদি যাৱতীয় সা-সজুলি গোপনে আনি কামত লগাব লগীয়া হয়।

ঠায়ে ঠায়ে পতা জালৰ কাষে কাষে যাঠি-জোং লৈ মানুহ সাজু হৈ থাকে যাতে বাঘ পলাব নোৱাৰে। 'গোট বাঁহৰ ঢেকি সাজি বাঘটোক খুচি দিয়ে। একো একো বাৰ বাঘে বাঁহ[illegible]লক কামোৰ মাৰি ধৰে। বাঘৰো কোৱাৰি ফাটি তেজ ওলায় [illegible] হুতো নগুৰ-নাগুটিৰ পিছত বাঘ মৰিল আৰু সমাজলৈ শান্তি [illegible] আহিল।

কিন্তু ভোগাই বৰুৱাৰ মনলৈ শান্তি অহা [illegible] বাখৰৰূপী



Scanned by CamScanner

বাঘক নিঃশেষ কৰাৰ পৰিকল্পনা। অতৰ্কিতে ভোগাইৰ মুখৰ পৰা ওলাল।

'এটা বাঘ পৰিল। আৰু এটা পৰিব লাগে।।' (পৃঃ৯৭)

বাখৰ বাঘ পৰিব লাগে—গতিকে ৰাইজ ওলাল। হাতত জাঠি-জোং হোলোঙা যি পালে নিলে। আনকি মাছ মৰা পছাও বাদ নপৰিল। সেই অস্ত্ৰধাৰীৰে সৈতে মানুহৰ বেহুৰ মাজত বাখৰ কোনোপধ্যেই সাৰিব নোৱাৰিলে। ভোগাইৰ অমানুষিকতাৰ বলি হ'ল বাখৰ বৰা। কিন্তু এই 'বাঘ'ৰ নৃশংস মৃত্যুৱে ভোগাইক অশান্ত কৰি তুলিলে। মানসিক দ্বিধা-দ্বন্দ্বত ক্ষত-বিক্ষত হ'ল ভোগাই।

'তাৰ মনটো কিবা হতাশ হতাশ লাগিল। বাখৰ যদি গ'ল—তাৰো চোন জীৱনৰ এটা ডাঙৰ অৰ্থ নাইকীয়া হ'ল..কিন্তু সি জানো কামটো ঠিক কৰিলে। তাৰ নিজৰ জেঠেৰীয়েকক মাহিন্দ্ৰীৰ ককায়েকক সুমলাৰ মোমায়েকক সি হত্যা কৰালে। কেৱল মাত্ৰ প্ৰতিষ্ঠাৰ বাবে। তাৰ এই প্ৰতিষ্ঠা জানো চিৰকাল থাকিব?

ভোগাই চিন্তাক্লিষ্ট হৈ পৰিল। কিন্তু তাৰ প্ৰধান কৰ্তব্য হিচাপে বাখৰৰ মৃত্যুৰ পিছত মাহিন্দ্ৰীৰ পৰা নিয়া আঙঠিটোত বাখৰ খজা। সেয়ে নিজ হাতে এদিন বাখৰ এৰুৱাই পেলোৱা আঙঠিটোত বাখৰ লগাবলৈ সনাতন সোণাৰীৰ কাষ পালেগৈ। ইপিনে বাঘ মৰা অভিযানত লিপ্ত হৈ থকা ভোগাইৰ সেই ষড়যন্ত্ৰৰ ভু, পতিৰ অৱহেলিত পত্নী মাহিন্দ্ৰীয়ে সম্পূৰ্ণভাৱে নাজানিলেও মনৰ গহণ কোণত কিবা এক অজান আশংকা শংকিত হৈ আছিল। ঔপন্যাসিকৰ ভাষাতঃ

'মাহিন্দ্ৰীয়ে ভাবিলে, ভোগায়ে কি কৰিব খুজিছে বাৰু? ভোগাইৰ সকলো কথা আৰু কামতে মাহিন্দ্ৰীয়ে কিবা এটা অশুভ ইংগিত দেখা পাইছে। তাই ভোগেশ্বৰৰ ঘৈণী, বৰাৰ জীয়ৰী, বৰুৱাৰ গিৰিহঁতনী। কুশ ফালি সম্প্ৰদায় কৰি দিছিল ককায়েকে। অৰ্দ্ধাঙ্গী বেমাৰত পৰি থকা দেউতাকৰ মুখত সেইদিনা ফুটি উঠিছিল হাঁহি। দুখৰ বৰ্দ্ধিষ্ণু পৰিয়ালৰ মিলনৰ মাজেদি দুয়ো ঘৰতে শ্ৰী বাঢ়ি আহিব। কিন্তু কি হ'লগৈ? ধন আৰু মান, প্ৰতিষ্ঠা আৰু প্ৰতাপ। এইবোৰৰ পাশাখেলত, দুয়োঘৰ ধ্বংসৰ বাটলৈ আগবাঢ়িছে।"(পৃঃ৯০)

ভগ্ন-হৃদয়া মাহিন্দ্ৰীয়ে তাইৰ একমাত্ৰ আনন্দ-আহলাদৰ উৎস সুমলাক বুকুত লৈয়েই বিনিদ্ৰ ৰজনী কটাইছে। ভোগায়েও দোভাগ নিশা ঘৰলৈ প্ৰত্যাৱৰ্তন কৰি গাৰুৰ তলত থৈ দিয়া বাখৰ খজা মাহিন্দ্ৰীৰ আঙঠিটোত হঠাতে তাইৰ দৃষ্টিগোচৰ হ'ল। মাহিন্দ্ৰীৰ কাণত যেন বাজি উঠিল ভোগাইৰ সেই কথাষাৰ।

'তাইৰ কণত ৰি ৰি কৰি বাজি উঠিল সেই এটা বাখৰ থাকে মানে মোৰ ঘৰত আৰু বাখৰ নোসোমায়।'

মাহিন্দ্ৰী স্তব্ধ হ'লঃ হ'ল নিৰ্বাক, নিঃস্পন্দ। বাখৰ নগোৱা আঙঠিটো যেন তাইৰ এক মৃত্যুদূতহে। বাখৰ নহয়, সেইয়া যেন সাপ, সাপৰ শিৰৰ মানিক। তাইৰ সংজ্ঞা ঘুৰি আহিল। তাৰ মানে ককায়েক 'বাখৰ আৰু নাই।' কিন্তু সেই সংজ্ঞা আছিল নিচেই ক্ষন্তেকীয়া। মাহিন্দ্ৰীৰ জীৱন বন্তিও নিৰ্বাপিত হ'ল। দুৰ্ভাগাই মাহিন্দ্ৰীক লগ নেৰিলে! মাহিন্দ্ৰী গ'লগৈ সিপাৰলৈ! আইতাৰ সাধুকথাৰো যৱনিকা পৰিল।

আলোচ্য দুয়োটা পৰিয়ালৰ আত্মাভিমান আৰু ঈৰ্ষা পৰিয়ণতাৰ কাহিনীয়ে আইতাক দিয়ে কেৱল তিক্ততাৰ ধূসৰিত স্মৃতি। সেয়ে বৰমইনাক পুনৰ সকিয়নি দিছেঃ

'শুকক আৰু কি বেদ পঢ়াবি বোপাই। সিহঁতৰ ঘৰখননো মই চিনি নেপামনে? হেমন্তক ক'গৈ, সি যেন তাত বিয়া নকৰায়।'(পৃঃ১০)

সময় আৰু বয়সে আইতাক দিয়া অভিজ্ঞতা আৰু জ্ঞান গৰ্ভতাৰেই বৰমইনাক উপৰ্যুপৰি পৰামৰ্শ দিছে, আইতাই যাতে কোনো ক্ষেত্ৰতে নাতি-নাতিনীয়েকহঁতে উজুতি খাবলগীয়া নহয়ঃ 'ভাবিব লাগে বৰমইনা। ভাবিব পৰা, ভাবিব লগা মানুহে ভাবিব নোখোজে, কাৰণেই সংসাৰত ইমান খেলিমেলি।

আইতাৰ মন অতীতমুখী। বৰ্তমান কালৰ প্ৰকৃত শুদ্ধ পথত বিচৰণ কৰিবলৈ আইতাক সহ-অৱস্থানেৰে শান্তি-সম্প্ৰীতি আৰু সৌহাৰ্দ্যতাৰে জীৱনলৈ পূৰ্ণতা আনিবলৈ বিচাৰে আইতাইঃ

'আমি তিৰোতা মানুহ মখাই শান্তি বিচাৰো বৰ মইনা। আমি নিজৰ বাবে নহয়, ঘৰখনৰ বাবেই শান্তি বিচাৰো।'

শেহান্তৰত আইতাই বৰমইনাক ইতিবাচক সঁহাৰিয়েই দিছে 'সকলো কথা সকলো ঘটনা বিচাৰো বা নিবিচাৰো, ঘটিবই, নিজে নিজে ঘটিব। আপুনি ঘটিব।'

নাতিনীয়েক বৰমইনা বিপাঙত পৰিল। কি কৰো, কি নকৰো, সিদ্ধান্তত উপনীত হওঁতেই আইতাই অদ্ভুত হাঁহি এটা মাৰি ক'লে—

"তহঁতে নিয় যদি মই জোৰোন পিন্ধাবলৈ যাম।'

শেহান্তৰত আইতাৰ সিদ্ধান্ত সলনি হ'ল। হেমন্ত-নমিতাৰ হ'বলগীয়া বিবাহ-বান্ধোন আৰু কোনো বাধা-বিপত্তি নাই।♦



Scanned by CamScanner



# এতিয়া ক'ব পাৰি— দ্বিতীয় ছোৱা,

মদন প্ৰসাদ বেজবৰুৱা
ফোনঃ ৯৮১০৬১২০৬১১

আগ কথা

১৯৬৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে বৰ্তমানৰ মিজোৰাম আৰু তেতিয়াৰ লুচাই পাহাৰ জিলাৰ মিজো জাতীয় ফ্ৰণ্ট (Mizo National Front) নামি পৰিল ভাৰতীয় ৰাষ্ট্ৰৰ বিপক্ষে সশস্ত্ৰ সংগ্ৰামত। উদ্দেশ্য— ভাৰতৰ পৰা বিছিন্ন হৈ স্বাধীন ৰাষ্ট্ৰ গঠন কৰা। নতুন প্ৰজন্মৰ বহুতেই হয়তো সেই কাহিনী শুনা নাই। বহুতৰ কাৰণে আমাৰ ইতিহাসৰ সেইখিলা পাত মাত্ৰ কোনো পাঠ্যপুথিৰ এটা পেৰাগ্ৰাফ হৈ ৰ'ব। কিন্তু তাৰ পিচৰ বিছ বছৰ মিজোৰামৰ ইতিহাস হ'ল মানুহৰ অশেষ দুখ কষ্টৰ, অনেক অনাহক মৃত্যুৰ। মানুহৰ জীৱন যাত্ৰা ওলট-পালট হৈ গ'ল, চাপ পৰিল বহুতো পুৰণি প্ৰথা আৰু সামাজিক আচাৰৰ ওপৰত। কিন্তু অতি সৌভাগ্যৰ কথা যে বিছ বছৰৰ সেই পাহৰিব নোৱাৰা অভিজ্ঞতা অতিক্ৰম কৰি মিজোৰাম আজি শান্তি আৰু প্ৰগতিৰ পথত আগুৱাইছে।

০ ০ ০

পঞ্চাচটা বছৰ— আধা শতিকা! কেনেকৈ সেই বছৰবোৰ পাৰহৈ গ'ল ক'ব নোৱাৰাকৈ তাকে ভবাৰ বয়স এতিয়া মোৰ। কিন্তু ইমান বছৰৰ ব্যৱধানে মচিব পৰা নাই মোৰ চাকৰি জীৱনৰ প্ৰথম বছৰৰ তেতিয়াৰ লুচাই পাহাৰ জিলাৰ দিনবিলাকৰ স্মৃতি। বহুতো নাম পাহৰিছো— বহুতো কথা সংলগ্ন কৰোতে ভাবিব লাগে, কিন্তু পাহৰা নাই প্ৰথমদিনা সামৰিক বাহিনীৰ হেলিকপ্টাৰেৰে গৈ পোৱা আইজ্বলৰ অন্ধকাৰ, নীৰৱ আৰু ভয় আৰু শংকাৰ পৰিৱেশৰ কথা। লুংলে আৰু লণ্ট্লাইৰ মাজৰ, দুবাৰ বোকাই পানীয়ে খোজকঢ়া ৫০ মাইল বাটৰ আলি-কেঁকুৰিবোৰ এতিয়াও চকুত ভাহি থাকে।

মই আগতে লিখিছিলো— এই পথত সামৰিক বাহিনীৰ লগত মই লণ্ট্লাইলৈ ওলাইছিলো। উদ্দেশ্য উগ্ৰপন্থী মিজো জাতীয় ফ্ৰণ্টৰ সামৰিক বিদ্ৰোহৰ কাৰণে প্ৰশাসনবিছিন্ন হৈ থকা, যোগান বন্ধ হোৱা লণ্ট্লাইত সাহায্য দিয়া। মোৰ নিৰাপত্তাৰ কাৰণে গৈছিল অসম ৰাইফলচৰ এটা বাহিনী।

এই যাত্ৰা বিপদসঙ্কুলেই নাছিল, কষ্টকৰো আছিল। পথ অকোৰা-পকোৰা, পিছল। আগতে জীপ যাব পাৰিছিল। কিন্তু এতিয়া বহুদিন ব্যৱহাৰ নকৰাৰ কাৰণে ভাগি-ছিগি গৈছে। কাষৰ গছ-গছনিৰ পৰা জোক গাত পৰে। লগত নিমখৰ টোপোলা। লগাই দিলে জোক সৰি পৰে। আঁজুৰি গুচালে তেজ নবয়।

যাত্ৰাৰ তৃতীয় দিনা পুৱা বিদ্ৰোহী দলে (এই বিদ্ৰোহী, উগ্ৰপন্থী দুয়োটা শব্দই ব্যৱহাৰ কৰিছো— কোনটো প্ৰযোজ্য হ'ব, নিশ্চিত নহয় কাৰণে) অতৰ্কিতে কৰা আক্ৰমণৰ কথা আগতে লিখিছো। মৃত কেইজনৰ সমাধিৰ ব্যৱস্থা কৰা, আহত কেইজনক ঘূৰাই পঠোৱা আদি কাম শেষ কৰাৰ কাৰণে আৰু অতিৰিক্ত সৈন্যৰ দল আহিবৰ কাৰণে আমি সেই জংঘলতে মুকলি আকাশৰ তলত দুদিনমান থাকিলো। তাৰ পিচত আকৌ আৰম্ভ কৰিলো আমাৰ যাত্ৰা। এইবাৰ আমাৰ সৈন্যবল বেচি - তনং বিহাৰ বাহিনীৰ এটা কোম্পানীয়ে যোগ দিছিল আমাৰ লগত।

পাঁচ মাইলমান খোজকঢ়াৰ পিচত আমি পালোহি পথৰ দাঁতিৰ এখন গাঁও। সৈন্য বাহিনীৰ সতৰ্কতা ৰীতি অনুসৰি গাঁওখন বেৰি ধৰি তালাচী কৰা হ'ল। অতি আচৰিত কথা গাঁৱত মনুহ-দুনুহ নাই। দুই এজন যি আছিল তেওঁলোকে ক'লে যে কাৰেবাৰ মৃত্যু হৈছে— সেইকাৰণে সকলো শ্মশানলৈ গৈছে। আমাৰ ওপৰত আগতে কৰা আক্ৰমণৰ আগতে আমি পোৱা গাঁওখনতো আমাৰ সেই অভিজ্ঞতা হৈছিল। গতিকে আমি কিবা বিপদৰ অশংকা কৰিলো। কিন্তু আমাৰ কোনো উপায় নাই। আমি আগবাঢ়িলো। জোৱানসকলক সতৰ্ক কৰি দিয়া হ'ল।

আমাৰ যাত্ৰাৰ নিয়ম আছিল এনেকুৱা— আগত যায় এজন স্কাউট বেয়নেট খুলি লৈ কেউফালে দৃষ্টি ৰাখি, কিবা সন্দেহজনক দেখিলে কিছু পিচত ৰোৱা জোৱানজনক জনাব আৰু সেই বাৰ্ত্তা নিশব্দে এজন এজনকৈ আহি বাহিনীৰ দায়িত্বত থকা মেজৰজনৰ ওচৰ পাব। জোৱানসকলেও এজনৰ পিচত এজনকৈ কিছু দূৰত্ব ৰাখি আগবাঢ়িব। বাহিনীৰ মাজভাগত অধিনায়ক মেজৰজন আৰু তেওঁৰ লগতে মই। তাৰ পিচত আৰু সৈন্যদল আৰু অস্ত্ৰ-শস্ত্ৰ, বাৰুদ আদি কঢ়িওৱা বনুৱাৰ দল।

আমি কিছু সময় খোজ কঢ়াৰ পিচত আমাৰ নিকৰ শাৰীটো বৈ গ'ল। খবৰ আহিল যে কিবা এটা বিষ নৰণে মেজৰজন শাৰীটোৰ আগলৈ যাব লাগে। মেজৰজ মোক ক'লে— 'ইয়াতে ৰোৱা, মই গৈ চাওঁ কি হৈছে। অ আমি



Scanned by CamScanner

়তিয়া আগবাঢ়ি যাম, মই তোমাৰ কাৰণে আগত বৈ থাকিম।"

অলপ পিচত আমি আকৌ আগবাঢ়িবলৈ ল'লো। ়জৰজন বৈ আছিল। মই সুধিলো— "কি হৈছিল?"

তেওঁ ক'লে, "বিশেষ একো নাই। এইখন কাগজ পথৰ ়াজত খুটি এডালত আঁৰি থোৱা আছিল। কিন্তু বোধকৰো এইখন ়তিয়াৰ নহয়। কাগজখনৰ পিচফালে এটা তাৰিখ আছে। সেইটো ৩ জুলাইৰ। আমাৰ আগৰ ঘটনাটো নোহোৱা হ'লে আমি আহি ৪ ়াৰিখে এইখিনি পালোহেঁতেন।"

ময়ো বিশেষ নাভাবি খোজ লৈছো। আগৰবাৰ আক্ৰমণৰ সময়ত চকুৰ আগতে মৃত্যু দেখি, মোৰ লগতে কথা পাতি থকা লেঃ কৰ্ণেলৰ গাত গুলী লগা দেখি, মোৰ বিশ্বাস হৈছিল যে এই গুলীত মোৰ নাম লিখা নাই। এইবাৰো ভগবানৰ তেনে কিবা এটা কৃপাই মোক হঠাতে সচকিত কৰি তুলিলে। মই পাগলৰ দৰে চিঞৰি ক'লো— "এতিয়াই সৈন্যদলৰ গতি বন্ধ কৰা।"

মোৰ আচৰণ দেখি সকলো আচৰিত হ'ল কিন্তু মোৰ ওপৰত থকা আস্থাৰ কাৰণে মেজৰজনে তৎক্ষণাত সকলোকে ৰ'বলৈ ক'লে।

মই কাগজখন আকৌ চালো। তাত লিখা আছিল চিয়াঁহীৰে— "ভাৰতীয় সৈন্যলৈ— তোমালোকে য'লৈ গৈ আছা তাৰ পৰা উভতি অহাৰ পথ নাই— মিজোৰাম সৈন্যবাহিনী"— অৰ্থাৎ আমাৰ মৃত্যু নিশ্চিত। (To the Indian Army- You are proceeding to the place of no return - Mizoram Army) উত্তেজনাত মোৰ উশাহ বন্ধ হয় যেন। মই ক'লো— এই কেইদিন ইয়াত ধাৰাসাৰ বৰষুণ হৈছে। আজি পুৱাৰ পৰাই বৰষুণ দি আছিল। অলপ আগতে মাত্ৰ বন্ধ হৈছে। গতিকে অলপ আগতেমাত্ৰ এই কাগজখন ইয়াত কোনোবাই ৰাখিছে। কাৰণ কাগজৰ চিয়াঁহী শুকান হৈ আছে।'

আমি থকা ঠাইৰপৰা অলপ আগত আমাৰ পথটো দুটা পাহাৰৰ মাজেদি যায়। সেই ঠাই অতৰ্কিত আক্ৰমণৰ কাৰণে অতি উত্তম স্থান। মেজৰজনে মাত্ৰ "ধন্যবাদ, হায় ভগবান!" বুলি মোৰ হাতত জোৰে চেপা মাৰি, দৌৰ মাৰি গৈ সৈনিকসকলক নিৰ্দ্দেশ দিলে— এটা ভাগ বাওঁফালে পাহাৰৰ ওপৰেদি যাব, এটা ভাগ সোঁফালৰ পাহাৰৰ ওপৰেদি আৰু মাজৰ পথেৰে আমি বাকীখিনি আগবাঢ়িম। সেই হিচাপে আমাৰ বাহিনী পাহাৰত বগাবলৈ আৰম্ভ কৰিছেহে মাত্ৰ দুয়োফালৰপৰা আৰম্ভ হ'ল আমাৰ ওপৰত ধাৰাসাৰ গুলী বৰ্ষণ। আমি ততাতৈয়াকৈ মাটিত শুই পৰি নিজকে সুৰক্ষিত কৰিবৰ চেষ্টা কৰিছো। ভাগ্য ভাল মোৰ ঠাইখিনি পাহাৰৰ দাঁতিত হোৱা কাৰণে এটা ফালৰপৰা সুৰক্ষিত আছিল। অলপ পিচতে মেজৰে দুই ইঞ্চি মৰ্টাৰ গুলী ব্যৱহাৰ কৰিবৰ কাৰণে আদেশ দিলে। তেনে মৰ্টাৰ মাত্ৰ কেইটামানহে আছিল আমাৰ লগত। মেজৰজন আছিল মোৰ কিছু আগত, মাজত অলপ খালী ঠাই সুৰক্ষিত নহয়। মৰ্টাৰ যন্ত্ৰটো কঢ়িওৱা সৈনিকজন আছিল তেওঁৰ ওচৰত— কিন্তু তাৰ কাৰণে লগা বাৰুদ আছিল অন্য এজন সৈনিকৰ হাতত যিজন আছিল মোৰ কিছু পিচত। সেইখিনি মুকলি ঠাই পাৰ হৈ আগলৈ অহা তেওঁৰ কাৰণে সম্ভৱ হোৱা নাই। সিদ্ধান্ত হ'ল পিচৰ সৈনিকজনে বাৰুদখিনি মোৰফালে দলিয়াই দিব, মই যিমান পাৰো আগলৈ গৈ মেজৰৰ ওচৰত থকা চুবেদাৰ কৃষ্ণৰফালে আগবঢ়াই দিম।

কৃষ্ণ আমাৰ দোভাষী। লুচাই পাহাৰ ভালদৰে জানে, সাহসী আৰু আমাৰ সকলো কামৰ আগৰণুৱা। যোৱা কেইদিনৰ অভিজ্ঞতাৰ পৰা চিনাকি অলপ গাঢ় হৈছিল। মই পিচৰ পৰা বাৰুদখিনি পালো, কিন্তু মই কিবা কৰাৰ আগতে কৃষ্ণই হঠাতে সকলো বিপদ আওকাণ কৰি মুকলি ঠাইখিনি অতিক্ৰম কৰি আহি থিতাতে মোৰপৰা লৈ আকৌ দৌৰ মাৰি গৈ মেজৰক দিলেগৈ। পিচ মুহূৰ্ত্তত তেওঁ আকৌ আহি মোৰ ওচৰ পালেহি— "চাৰ আপুনি অকলে, সেইকাৰণে আহিলো।" "কিন্তু তাৰ কাৰণে ইমান গুলীয়া-গুলীৰ বিপদৰ সন্মুখীন হোৱা কি দৰকাৰ?"— মই ক'লো। "এয়া আমাৰ কাম, বিপদ আমাৰ লগৰীয়া, কিন্তু আপুনি ইয়াত কি কৰিছে। ইমান কম বয়সত ইমান বিপদৰ মাজেদি যাবলৈ কি দৰকাৰ?" "আমিও প্ৰত্যেকজনেই জানো দেশৰ এজন সৈনিক নহয়?" —মই উছাহতে ক'লো। ইতিমধ্যে গুলীয়া গুলী কিছু শাম কাটিছে। হঠাতে মাটিত শুই থকা অৱস্থাৰ পৰা জাপ মাৰি উঠি কৃষ্ণই সম্পূৰ্ণ সামৰিক কায়দাত মোক অভিবাদন জনালে। মই থতমত খালো— কিন্তু বুজি পালো সেই সৈনিকৰ অন্তৰৰ ভাষা। মোৰ চকু চলচলীয়া হ'ল। সেই অনিশ্চিত বিপদ আৰু ভয়ৰ পৰিবেশ পাহৰি গৈ, ওচৰ পাজৰৰ গুলীৰ শব্দ আওকাণ কৰি ময়ো থিয় হ'লো আৰু কৃষ্ণক সাবটি ধৰি ক'লো, "কাইলৈ আমাৰ জীৱনত কি হয় আমি ক'ব নোৱাৰো। কিন্তু মোৰ চাকৰিৰ প্ৰথম পুৱাতে তুমি মোক যি সন্মান দিলা তাক মই জীৱনত কেতিয়াও নাপাহৰো।"

কিছু সময়ৰ পিচত গুলীয়া-গুলী বন্ধ হ'ল। তিনিজন আহত সৈনিকক লৈ আমাৰ যাত্ৰাৰ শেষ পৰ্ব আৰম্ভ কৰিলো। আৰু বেচি দূৰ নাছিল। আশা আছিল তাৰ কাম শেষ কৰি সোনকালে ঘূৰি আহিম।

কিন্তু ঘটনা প্ৰবাহত সেয়া হৈ নুঠিল। লণ্ট্ৰাইৰ কাম শেষ কৰি ওভতাৰ পথত বিদ্ৰোহীৰ পম খেদি আমাৰ সৈনিক দল আলিবাট এৰি জংঘলে-জংঘলে ঘূৰিব লগা হ'ল। ময়ো লগতে থাকি সেই অভিযানৰ বিচিত্ৰ, কেতিয়াবা দুখ লগা অভিজ্ঞতা আহৰণ



Scanned by CamScanner

কৰিলো। সেই সময়ছোৱাত কৃষ্ণ আছিল মোৰ সুৰক্ষাত, পথদৰ্শক আৰু সহচৰ। তাৰ পিচত সময়ৰ সোঁতত আঁতৰি আহিলো সেই অঞ্চলৰপৰা। জীৱনতৰী বহুত বন্দৰত বৈ বহুতো বেলেগ চিনাকি হ'ল। বহুতো চিনাকি হেৰাই গ'ল। হেৰাই গ'ল মোৰ জীৱনৰপৰা কৃষ্ণ।

কিন্তু পিচৰ জীৱনত বহুবাৰ সেইদিনৰ ছবি মোৰ মনলৈ আহিছে। ধূসৰ সেই ছবি আজিও মোৰ মনত অঁকা আছে। উপায়ুক্ত, আয়ুক্ত আদিৰ দৰে পদত থাকোতে, যেতিয়া সশস্ত্ৰ বাহিনীৰ বিধিবৎ অভিবাদন গ্ৰহণ কৰোঁ তেতিয়া মনত পৰে এটা অস্বাভাৱিক পৰিৱেশত অতি আন্তৰিকতা আৰু নিহিত অৰ্থেৰে ভৰা মোৰ জীৱনৰ সেই প্ৰথম সন্মান।

### উপসংহাৰ

আমি যেতিয়া লুংলেৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো— তেতিয়া অধিনায়ক আছিল লেঃ কৰ্ণেল খুৱানা। একেলগে খোজ কাঢ়োঁতে বহু কথা পাতিছিলো। কিন্তু বাৰে বাৰে তেওঁৰ আক্ষেপ আই.এ.এচ, বিষয়াৰ তুলনাত তেওঁলোকৰ সা-সুবিধা, পদ মৰ্যদা, পদোন্নতি আদি দুখলগা। মই বিতৰ্কত সোমোৱা নাই— সেই বিতৰ্কৰ কোনো শেষ নাই। এবাৰ ক'লো— "ক'তা, মই দেখোন আপোনাৰ লগতে একে সহযাত্ৰী এই কষ্টৰ পথত।" "হ'লে কি হ'ব?"— তেওঁ ক'লে। "কেইদিনমানৰ পিচত তুমি আঁতৰি যাবা। মই পৰি ৰম একে বিপদসঙ্কুল পৰিৱেশত। আৰু চাৰি বছৰ পিচত তুমি পঁচিছ বছৰৰ অভিজ্ঞতাৰ এই সৈনিকৰ ওপৰৱালা হ'বা।"

মই চুপ থাকিলো।

আমাৰ ওপৰত হোৱা প্ৰথম আক্ৰমণৰ সময়ত মোৰ লগত কথা পাতি থাকোতে খুৱানাৰ বাহুত গুলী লাগিছিল। তেওঁক প্ৰথম প্ৰাথমিক সাহায্যময়েই দিছিলো। সেয়া আছিল মোৰ গৰম কেঁচা তেজ স্পৰ্শ কৰাৰ প্ৰথম অভিজ্ঞতা।

আমি জংঘলত বাহৰ পাতোতে, হেলিকপ্টাৰৰ কাৰণে বৈ থাকোতে, তেওঁ বাৰে বাৰে মোক অনুৰোধ কৰিছিল হেলিপেড বনোৱাৰ কাম তদাৰক কৰিবৰ কাৰণে। প্ৰথম দিনা প্ৰতিকূল বতৰৰ কাৰণে যেতিয়া হেলিকপ্টাৰ অৱতৰণ কৰিব নোৱাৰি ঘূৰি গ'ল, তেওঁ প্ৰায় প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলে।

"বেজবৰুৱা, কাইলৈ যদি হেলিকপ্টাৰ নাহে মই ইয়াতে মৰিম। মই মৰিলে তুমি মোৰ পৰিয়ালক মোৰ কথা ক'বা— ক'বা কিমান ভাল পাওঁ মই মোৰ পৰিয়ালক।"

পিচদিনা পুৱা হেলিকপ্টাৰ নামিল— কোনোমতে চকাকিটা তলত পেলাব পৰা সমান ঠাই মাত্ৰ আছিল। গোটেই ৰাতি মোৰ লগত যোৱা মাল কঢ়িওৱা বনুৱা বিলাকে লগত থকা একমাত্ৰ দাখনেৰে কাটি মাটি সমান কৰিছিল। মোৰ ভাল লাগিল যে আহত কেইজনৰ জীৱন ৰক্ষাত মই কিছু পৰিমাণে অৰিহণা যোগাব পাৰিলো।

যাবলৈ ওলাই মোৰ হাতখন জোৰে চেপি ধৰি খুৱানাই ক'লে, "তোমাৰ ঋণ মই জীৱনত সুজিব নোৱাৰিম। কেতিয়াবা আকৌ দেখা হ'ব নেকি ক'ব নোৱাৰো। কিন্তু মোৰ আন্তৰিক আশীৰ্বাদ তোমাৰ লগত থাকিব।" ক্ষন্তেক ৰৈ তেওঁ ক'লে, "তুমি যদি ঘূৰি যাবলৈ বিচাৰা, মই তোমাক লৈ যোৱাৰ ব্যৱস্থা কৰিব পাৰো।"

"মোৰ গন্তব্যস্থলটো মই এতিয়াও পোৱা নাই, কেনেকৈ ঘূৰি যাওঁ?"

হেলিকপ্টাৰ চলিবলৈ আৰম্ভ কৰোতে তেওঁ চিঞৰি চিঞৰি ক'লে, "আই.এ.এচ. বিষয়াৰ বিষয়ে মই কোৱা কথাবিলাক পাহৰি যাবা।" খুৱানাক আৰু কেতিয়াও লগ পোৱা নহ'ল। বহুত কৰিব খোজা কিন্তু অনাহক কৰিব নোৱাৰা আৰু এটা দুখ থাকি গ'ল।

সেই দুৰ্গম যাত্ৰাৰ অকলশৰীয়া মুহূৰ্তত কেতিয়াবা মই ভাবিছিলো— মোৰ যদি মৃত্যু হয় বিদ্ৰোহীৰ গুলীত, মই কি পাম? —মাত্ৰ ৰাজপত্ৰত ক'লা পাৰিৰ এটা শোক প্ৰস্তাৱ! আৰু শেষ এটা পৰিয়ালৰ আশা ভৰসা, আৰু শেষ প্ৰস্তুতিতে— এটা জীৱনৰ যাত্ৰা।

কিন্তু মই পাৰহে আহিলো সেই অগ্নি পৰীক্ষা। বহুত দিনৰ পিচত পালো চৰকাৰৰ পৰা এখন চিঠি, মুখ্য সচিবৰ ব্যক্তিগত এখন চিঠি, লগতে সামৰিক বিভাগৰ এখন চিঠি। খুৱানাই আমাৰ ওপৰত হোৱা দুটা আক্ৰমণৰ কথা আৰু সেই সময়ত মোৰ কাম আৰু সহায়ৰ বিষয়ে অতি প্ৰশংসাৰে লিখা চিঠিৰ ওপৰত চৰকাৰে লিখা এষাৰ কথাই ("—তোমাৰ নিৰ্ভিক কৰ্ত্তব্যনিষ্ঠা আৰু অনুকৰণীয় ব্যৱহাৰৰ কাৰণে চৰকাৰ গৌৰৱান্বিত। আশা কৰিছো এয়া হ'ব সকলো চৰকাৰী বিষয়াৰ কাৰণে আদৰ্শ") মোক আনন্দ দিলে, বিশ্বাস দিলে যে নিষ্কাম দায়িত্ব পালনৰ বেলেগ এটা স্বীকৃতি , বেলেগ পুৰস্কাৰ আছে। সেই আনন্দ নিতান্ত একান্ত, আপুৰুগীয়া আৰু অপৰিমেয়।

কিন্তু সেয়া পিচৰ কথা— মোৰ তেতিয়াৰ লুচাই পাহাৰ জিলাৰ আৰু বহুতো বিচিত্ৰ অভিজ্ঞতা তেতিয়াও অতীতৰ বুকুত। কেতিয়াবা আকৌ ৰোমন্থন কৰিব লাগিব অবিস্মৰণীয় সেই কাহিনী।♦

*(শ্ৰী মদন প্ৰসাদ বেজবৰুৱাদেৱৰ 'এতিয়া ক'ব পাৰি' ধা... হিকৰ প্ৰথম ছোৱা ইতিপূৰ্বে অসম এছোচিয়েছন, দিল্লীৰ 'স... ক'-ত প্ৰকাশ পাই গৈছে।)— সম্পাদক*



Scanned by CamScanner



# কৰ্কট ৰোগ ঃ কাৰণ, প্ৰতিৰোধ, প্ৰতিকাৰ

*ডাঃ কুঞ্জহৰি মেধী, ডাঃ দীপ্তি কলিতা (মেধী)*
ফোনঃ ৯৮১৮৮৮৪৮৫৬

ক্ৰমান্বয়ে মহামাৰীৰ ৰূপ ধাৰণ কৰি অহা দুৰাৰোগ্য কৰ্কট বা কেন্সাৰ ৰোগৰ বিষয়ে আজিৰ দিনত নুশুনা মানুহ নাই। সমগ্ৰ পৃথিৱীৰ লগতে ভাৰতবৰ্ষতো কৰ্কট ৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। চিকিৎসা বিজ্ঞানৰ উন্নতিৰ ফলস্বৰূপে অতীতত মহাকালৰূপে পৰিগণিত হোৱা কলেৰা, বসন্ত, যক্ষ্মা আদি ৰোগ বৰ্তমান বিলুপ্ত বা বিলুপ্তপ্ৰায় হৈছে। ফলত আজিৰ যুগৰ অন্যতম মৃত্যুদূত হিচাপে— কৰ্কটৰোগে স্থান পাইছে।

## কৰ্কটৰোগৰ কাৰণঃ

কৰ্কটৰোগটোনো আচলতে কি আৰু কিয় হয়? সাধাৰণ ভাষাত ক'বলৈ গ'লে কৰ্কট ৰোগ বা কেন্সাৰ হ'ল আমাৰ শৰীৰ গঠন কৰা কোনোবা এবিধ কোষৰ অনাৱশ্যকীয় অত্যধিক, অনিয়ন্ত্ৰিত বৃদ্ধি। এবাৰ এটা অংগক আক্ৰমণ কৰাৰ পিছত এইৰোগ আন আন অংগলৈ বিয়পি পৰে। এই বৃদ্ধিৰ কাৰণসমূহৰ বা কৰ্কট ৰোগৰ কাৰণবোৰ হ'ল কিছুমান জিনীয় বিসংগতি, অস্বাস্থ্যকৰ জীৱন শৈলী যেনে— মদ্যপান, ধঁপাত সেৱন আদি, কিছুমান বিজাণুজনিত কাৰণ আৰু প্ৰদূষিত পৰিৱেশ। কৰ্কট ৰোগে মাতৃগৰ্ভৰ শিশুৰ পৰা বৃদ্ধলৈ সকলো বয়সৰ লোককে আক্ৰমণ কৰিব পাৰে। বয়সভেদে ইয়াৰ চৰিত্ৰসমূহ বেলেগ বেলেগ হয়।

শৰীৰৰ সকলো অংগ কৰ্কট ৰোগত আক্ৰান্ত হ'ব পাৰে। আমাৰ দেশত পুৰুষৰ ক্ষেত্ৰত মুখগহ্বৰ, খাদ্যনলী, হাওঁফাওঁ, পাকস্থলী, বৃহদন্ত্ৰ আৰু মহিলাসকলৰ স্তন আৰু জৰায়ুৰমুখৰ কৰ্কট ৰোগ— সঘনে দেখা যায়।

## কৰ্কট ৰোগৰ প্ৰতিৰোধ আৰু প্ৰতিকাৰ ঃ

কৰ্কট ৰোগৰ প্ৰতিকাৰ সম্ভৱনে? এবাৰ কৰ্কট ৰোগ হ'লে তাক সমুলঞ্চে নিৰ্মূল কৰা সম্ভৱনে? এই বিষয়ে আমি সকলোৱে জানিবলৈ উদগ্ৰীৱ আৰু এই সম্পৰ্কে পৃথিৱীৰ বিভিন্ন গৱেষণাগাৰত অনেক পৰীক্ষা-নিৰীক্ষা হৈ আছে। থোৰতে ক'বলৈ হ'লে বেছিভাগ কেন্সাৰেই যদি অতি প্ৰাৰম্ভিক অৱস্থাত ধৰা পেলাই উপযুক্ত চিকিৎসা কৰিব পৰা যায়, তেনেহ'লে তাৰ পৰা পৰিত্ৰাণ পাব পাৰি। বহুতো লোকৰ ধাৰণা এয়ে যে এবাৰ কেন্সাৰ হ'ল মানেই মৃত্যু। এই ধাৰণা সত্য হ'ব যদি ৰোগটো ধৰা পৰাৰ সময়তে শৰীৰৰ বিভিন্ন ঠাইলৈ ইতিমধ্যে বিয়পি পৰিছে। কিছুমান কেন্সাৰ আকৌ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই অতিশয় মাৰাত্মক আৰু অতি কম সময়ৰ ভিতৰতে ৰোগীক মৃত্যুমুখলৈ লৈ যায়।

## কৰ্কট ৰোগৰ প্ৰতিৰোধৰ উপায় আছেনে?

কথাতে কয় যে প্ৰতিকাৰতকৈ প্ৰতিৰোধেই ভাল। [Prevention is better than cure] কৰ্কট ৰোগৰ ক্ষেত্ৰতো একে কথাই ক'ব পৰা যায়। কৰ্কট ৰোগৰ চিকিৎসা ব্যয়বহুল আৰু তাৰ ফলাফলো সদায় যোগাত্মক নহয়। সেইবাবে আমি প্ৰতিৰোধৰ ওপৰত বেছি গুৰুত্ব দিয়া উচিত। কৰ্কটৰোগৰ কাৰণসমূহ আলোচনা কৰোঁতে আমি দেখিছিলো যে, বেছিভাগ কাৰণেই আমাৰ নিয়ন্ত্ৰণৰ অধীন।

## জীৱন শৈলী [Life style] ঃ

আমাৰ জীৱন যাত্ৰা প্ৰণালী বা জীৱন শৈলী বুলিলে আমাৰ খাদ্য ভ্যাস, কাম-কাজ, আদিকে বুজায়। ধঁপাত সেৱন কৰ্কটৰোগৰ অন্য তম প্ৰধান কাৰণ। ধঁপাতসেৱন [Tabacco] যিকোনো ৰূপতেই যেনে বিড়ি, চিগাৰেট, খৈনী, তামোল-পাণ বা পাণমচলা, কৰ্কটৰোগৰ কাৰণ হিচাপে প্ৰমাণিত হৈছে। ধঁপাতে শৰীৰৰ সকলো অংগকে — প্ৰধানকৈ মুখগহ্বৰ, হাওঁফাওঁ, শ্বাসনলী, মূত্ৰথলী আদিৰ কেন্সাৰেৰে আক্ৰান্ত কৰাব পাৰে। আমাৰ দেশত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত মুখগহ্বৰৰ কেন্সাৰ অতি বেছি হোৱাৰ কাৰণ ধঁপাত।

খাদ্যভ্যাসৰ লগত জড়িত আন এটা প্ৰধান কাৰণ হ'ল মদ্যপান। মদ্য পানে প্ৰধানকৈ মুখগহ্বৰ, খাদ্যনলী, পাকস্থলী, যকৃত বা লিভাৰৰ কেন্সাৰৰ প্ৰৱণতা বৃদ্ধি কৰে।

অত্যাধিক মচলাযুক্ত আহাৰ, জুইৰ ধোঁৱাত সেকি খোৱা মাছ-মাংস গ্ৰহণ, অত্যাধিক মাংসাহাৰ আহাৰ গ্ৰহণ আদিও কৰ্কট ৰোগৰ কাৰণ হিচাপে ভবা হৈছে। অস্বাস্থ্যকৰ খাদ্য গ্ৰহণ নকৰা, সুষম আহাৰ গ্ৰহণ, পৰ্য্যাপ্ত-শাৰীৰিক শ্ৰম, ব্যায়াম, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আদি কৰ্কট ৰোগৰ প্ৰতিৰোধৰ সহায়ক।



Scanned by CamScanner

### প্ৰদূষিত পৰিবেশ ঃ

পৰিৱেশ প্ৰদূষণ কৰ্কট ৰোগৰ আনটো অন্যতম কাৰণ। প্ৰদূষিত বায়ু, পানী, মাটিয়ে আমাৰ শৰীৰৰ কোষসমূহৰ ওপৰত দুস্প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, হিৰোশ্বিমা, নাগাচাকিৰ আনৱিক বোমা বিস্ফোৰণৰ পিছত তাত কৰ্কট ৰোগৰ প্ৰাদুৰ্ভাৱ ইমানেই বেছি হ'ল যে আজিলৈকে তাৰ প্ৰভাৱ বিৰাজমান হৈ আছে। খেতিপথাৰত ব্যৱহাৰ কৰা কীটনাশক, কল-কাৰখানাৰ আৰু গাড়ী-মটৰৰ ধোঁৱা আৰু বিভিন্ন যন্ত্ৰ-পাতিৰ পৰা ওলোৱা ৰেডিয়েশ্বন বা তেজস্ক্ৰিয় বিকিৰণে কেন্সাৰৰ প্ৰৱণতা বৃদ্ধি কৰে।

### কৰ্কটৰোগ আৰু অসম ঃ

অসম তথা উত্তৰপূৰ্বাঞ্চলৰ কৰ্কটৰোগৰ কাৰণসমূহ ভাৰতবৰ্ষৰ আন আন অঞ্চলৰ পৰা পৃথক নহয়। তথাপিও সুকীয়া খাদ্যভ্যাস আৰু জীৱনযাত্ৰা প্ৰণালীৰ বাবে কিছুমান ধৰণৰ কেন্সাৰ এই অঞ্চলত বেছি। এই অঞ্চলৰ সাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰতিৰোধ কৰিব পৰা কাৰণসমূহ অলপ ফঁহিয়াই চোঁৱা যাওক।

আমাৰ বেছিভাগ মানুহৰে তামোল-পাণ-চূণ-ধঁপাত আদি একেলগে মুখত লৈ থকাৰ অভ্যাস আছে। ইয়াৰ ফলত এই অঞ্চলৰ মানুহৰ মুখগহ্বৰৰ কেন্সাৰ অধিক।

অসমৰ বিভিন্ন অঞ্চলত মদ্যপান বহুলভাৱে প্ৰচলিত। বিভিন্ন ধৰণৰ নিচাযুক্ত পানীয়ৰ অনিয়ন্ত্ৰিত সেৱনৰ লগতে এই লোকসকলৰ মাজত ধঁপাত সেৱনৰ প্ৰৱণতাও সমানে দেখা যায়। ইয়াৰ লগতে সুষম আহাৰৰ অভাৱেও এটা কাৰক হিচাপে কাম কৰে।

অসম কৃষি প্ৰধান ৰাজ্য। কৃষকসকলে খেতি পথাৰত যথেষ্ট কীটনাশক ব্যৱহাৰ কৰে। এই কীটনাশক দ্ৰব্য ছটিওৱাৰ সময়ত কৃষকসকল দীঘলীয়া সময়ৰ বাবে এইবোৰৰ প্ৰত্যক্ষ সংস্পৰ্শ লৈ আহে। তেওঁলোকে মাস্ক আৰু গ্লোভ্ছ ব্যৱহাৰ নকৰে, বহুতো লোকক প্ৰশিক্ষণো দিয়া নহয়। লগতে কীটনাশক ব্যৱহাৰ কৰি থাকোতে খোৱা-বোৱা কৰে আৰু ধঁপাতো সেৱন কৰে। বহুতো কেন্সাৰৰ কাৰণ বংশগত আৰু ইয়াৰ ভিতৰত স্তনৰ অন্তৰ্কোষ আৰু বৃহদন্ত্ৰৰ কেন্সাৰেই প্ৰধান। কিছুমান পৰিয়ালত এনেবোৰ কেন্সাৰ হোৱাৰ প্ৰৱণতা অধিক দেখা যায়, পৰিয়াল মানে তেজৰ সম্পৰ্ক থকা লোকসকল যেনে, মাক-জীয়েক, ভনীয়েক আদি। এইবোৰ ক্ষেত্ৰত মানুহে কৰিব পৰা কামবোৰ হ'ল সজাগ হৈ থকা যাতে প্ৰাৰম্ভিক অৱস্থাতে ৰোগটো ধৰা পেলাই চিকিৎসা কৰিব পৰা যায় আৰু এক স্বাস্থ্যকৰ জীৱন যাপন কৰা, যাতে কেন্সাৰৰ আন কাৰকসমূহ দূৰ কৰিব পৰা যায়।

### কৰ্কট ৰোগৰ চিকিৎসা ঃ

কৰ্কট ৰোগ প্ৰাৰম্ভিক অৱস্থাতে ধৰা পেলাই নিৰ্মূল কৰা সম্ভৱ। সেই কাৰণে কিছুমান কেন্সাৰৰ কাৰণে নিৰ্দ্দিষ্ট পৰীক্ষা-নিৰীক্ষা নিৰ্দ্ধাৰিণ কৰা হৈছে। শল্যচিকিৎসা, কেম'থেৰাপি, ৰেডিয়েশ্বন এই চিকিৎসা পদ্ধতিসমূহ ব্যয়বহুল হোৱাৰ লগতে যথেষ্ট কষ্টসাধ্য। চিকিৎসা চলি থকা সময়ত ৰোগীৰ শৰীৰত অনেক পাৰ্শ্বক্ৰিয়া হোৱা দেখা যায়। এই ক্ষেত্ৰত ৰোগীৰ লগতে পৰিয়ালবৰ্গৰো মনোবল আৰু চিকিৎসাৰ প্ৰতি আস্থা অটুট ৰখা অতি প্ৰয়োজনীয়। চিকিৎসা বিজ্ঞানৰ দ্ৰুত উন্নতিৰ ফলত বহু ক্ষেত্ৰত নিৰাময় সম্ভৱ হৈছে আৰু সম্পূৰ্ণ নিৰাময় নহ'লেও বহুতো ৰোগীৰ ক্ষেত্ৰত ৰোগৰ নিয়ন্ত্ৰণ আৰু এক প্ৰায় সুস্থ জীৱন-যাপন সম্ভৱপৰ হৈছে।

কৰ্কট ৰোগ সম্পৰ্কে কিছুমান ভ্ৰান্ত ধাৰণা ঃ

১) কৰ্কট ৰোগ বুঢ়া মানুহৰহে হয়।
২) কৰ্কট ৰোগৰ চিকিৎসা নাই।
৩) কৰ্কট ৰোগ সংক্ৰামক।
৪) কৰ্কট ৰোগৰ চিকিৎসা কৰিলে মানুহৰ মগজু বেয়া হয়।

চিকিৎসা বিজ্ঞানৰ নতুন নতুন আৱিস্কাৰে কৰ্কটৰোগৰ ক্ষেত্ৰতো প্ৰতিকাৰৰ উপায় সম্ভৱ কৰি তুলিছে আৰু বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণাৰ ফলাফলে ভ্ৰান্ত ধাৰণাবোৰৰ বিষয়ে আমাক সজাগ কৰিছে। এই কাৰণে কৰ্কটৰোগৰ কাৰণ, প্ৰতিকাৰ আৰু প্ৰতিৰোধৰ উপায়বোৰৰ বিষয়ে আমাৰ সাধাৰণ ৰাইজৰ মাজত সজাগতাৰ অত্যন্ত দৰকাৰ। ইয়াৰোপৰি কৰ্কটৰোগ সম্পৰ্কে থকা এই ভুল ধাৰণাসমূহ আঁতৰ কৰি এই সম্পৰ্কে সজাগতা বিয়পাব লাগে আৰু সুস্থ জীৱনশৈলীৰে, সুস্থ পৰিৱেশ গঠন কৰি এইহেন মাৰাত্মক ৰোগটোৰ পৰা ৰক্ষা পাবৰ কাৰণে চেষ্টা কৰা উচিত।



Scanned by CamScanner



# মৰীচিকা

*নৰেশ্বৰ সোণোৱাল*
*ফোন : ৯৬৫০৯১৯০৩১*

**তিনিটা sequence দাঙি ধৰো প্ৰথমতে :**

১) চাৰি পাঁচ বছৰীয়া এটা লৰাই ঘৰৰ সকলোৱে যেনে - ককাক, আইতাক, মাক, বাপেক, দদায়েক আদিয়ে পৰিয়ালৰে কিছুমানৰ সৈতে চাউলৰ মদ একোবাটি লৈ পুৰুষ খিনি এফালে আৰু অকমান একাষৰীয়াকৈ মাইকী মানুহ খিনি চ'ৰা ঘৰত বহি লৈ কিবা ঘৰুৱা কথাত ব্যস্ত হৈ থকাৰ মাজতে এপাকত অতৰ্কিতে বাপেকৰ বাটিৰ পৰা পানীয় এঢোক গলাধকৰণ কৰি দিলে। বাপেকে মাত্ৰ "হেই বাদমাচটো"বুলি কৈ বাটিটো আতঁৰাই থলে। জুতি পাই লৰাটোৱে এইবাৰ মাকৰ বাটিত ধৰিলে। মাকে একো আপত্তি নকৰিলে। লৰাৰ খোজ কাটলত এইবাৰ কিছু ধলং পলং ভাব দেখা গল; এইবাৰ ককাকে আৰু এচেলেকনি লগাই দি কলে "যা: বাহিৰত খেলগৈ "। লৰা ওলাই গ'ল খেলিবলৈ। এয়া আমাৰ ল'ৰালি কালৰ যিকোনো এখন সোণোৱাল কছাৰী গাওঁৰ সাধাৰণ এটা দৃশ্য। আজি কালিও কোনোবা ভিতৰুৱা সোণোৱাল গাওঁত এনে দৃশ্য হয়তো দেখা পোৱা যাবই।

২) বাগিচাৰ বাবু লাইনৰ লগৰ বোৰৰে সৈতে খেলা ধূলা কৰি সন্ধিয়া লগাৰ পৰত মই ঘৰ সোমাইছোহি; দেখিলো বাহিৰৰ চোতালত বহি কাষৰে ৰমা দদাইদেও (ৰমা শইকীয়া), বৰুৱা দাইদেও (বীৰেন বৰুৱা) কে আদি কৰি কেইজনমানে আড্ডা মাৰি আছে। বিশেষ কোনো issue নাই; শাক খোৱা ভাত খোৱা আদি বোৰক লৈয়ে আড্ডা বহে। মোক দেখিয়েই কোনোবা এজনে কলে — "যা চোন ৰামপ্ৰসাদৰ (বাগিচাৰ ডাকোৱাল) ঘৰৰ পৰা বটল এটা আনি দে "বুলি। যেয়ে যিমান পাৰে উলিয়াই দি তিনিটকা গোটাই লৈ মোৰ হাতত দিলে। চাইকেল খন লৈ পাঁচ মিনিটতে আনি দিলো বটল এটা ওচৰতে থকা লেবাৰ লাইনৰ পৰা। মোৰ এই বটল আনি দিয়া কাৰ্য্যটো তেতিয়া গতানুগতিকতাতে পৰিছিল; কিয়নো এই ফেৰা কাম এই সকলৰ বাবে মই প্ৰায়ে কৰি দিব লাগে। মই তেতিয়া চিক্স নে চেভেন মানৰ ছাত্ৰ আছিলো।

৩) বোধহয় আমাৰ ঘৰৰ আড্ডাতে লবলৈ আৰম্ভ কৰা ৰমা দদাইদেউও। এটা সময়ত Assam Excise ৰ (অসমৰ ৰাজকীয় কাৰখানাত বনোৱা মাদক দব্য) ৰাগীত বাৰুকৈয়ে আসক্ত হৈ পৰিল। অলপ showmanship ও আছিল মানুহ জনৰ; আধা বটল একোটা দুই তিনি ঘোটতে শেষ কৰি দি নিজৰ দ'ম দেখুৱাইছিল লগৰ বোৰৰ আগত। বিয়া পতাৰ পিচতো চলি থাকিল addiction, কিন্তু খোৱা হ'ল লুকাই চুৰকৈহে। দদায়েক বনমালী শইকীয়া একেখন বাগিচাৰে ক'লা চাহাব; কথাবোৰ গম পাই কিবা কিবি শুনায় চাগে, কেতিয়াবা ৰমা দদাইক লেতু-সেতু হৈ তেখেতৰ বঙলাৰ (প্ৰথমতে কোৱাৰ্টাৰেই আছিল, ক'লা চাহাব হোৱাৰ পাচত সেইটোকে বঙলা কৰিলে) পৰা ওলাই অহা দেখো। কিন্তু মান্য জনৰ সকিয়ণি কামত নাহে; পুনৰাবৃত্তি কৰা দেখিবলৈ বেচি দিন ৰব নালাগে আমাৰ। তাৰ পিচত অতিচাৰৰ ফল হাতে হাতে পালে; টি-বি বেমাৰে লগ দিলে তেওঁক।

এতিয়া এই তিনিটা sequence উল্লেখ কৰাৰ তাৎপৰ্য্যটো চমুকৈ বখানো : কব খুজিছিলো - যিটো কণমানি লৰা জন্মৰে পৰা লাওপানী খোৱা পৰিবেশৰ মাজতে ডাঙৰ হ'ল, স্বাভাবিকতে মদ্যপান জাতীয় কথাবোৰক লৈ তাৰ জীৱনত কোনো ধৰণৰ শঙ্কা বা কোনো এটা curiosity নাথাকিব। কথাবোৰ খোলা খুলি কৈয়ে হয় বাবে লুকা চুৰিৰ আঁৰত অতিচাৰ কৰিবলৈকো কোনো ধৰণৰ আগ্ৰহো নাথাকিব তাৰ। ইয়াৰে পক্ষ ৰাখি কওঁ - নগ্নতাৰ খোলা প্ৰদৰ্শণ নহয়, নগ্নতাৰ খোলা ব্যৱস্থা থকা সমাজ বোৰত — মধ্য আফ্ৰিকাতে হওক বা আমাৰ নিজৰ দেশৰে ট্ৰাইবেল সমাজ বোৰতে হওক, সততে দেখা নাৰীৰ আভৰণহীন দেহা প্ৰত্যক্ষৰ পৰিপেক্ষিতত কাম ভাৱত আতুৰ হৈ নপৰে পুৰুষ সকলে আজিৰ তথাকথিত ব'ড ব'মিয় বোৰৰ দৰে। কেৰোণ অঙ্কুৰিত হয় লুক-ঢাক আৰু চল চাতুৰীৰ প্ৰচলনৰ প্ৰাৰম্ভণিৰ পৰা। Open ness ৰ মাহাত্ম্য এয়া। মদ্যপানে দেহ মনৰ ক্ষতি কৰিব পৰা কথাটো বুজাই দিলে বা বুজা হোৱাৰ পাচত ৰাগীৰ পৰা বিৰত থাকিবলৈ তাৰ বৰ বেচি এটা motivationৰ দৰকাৰেই নহয়। কিবা কাৰণত বিৰত থাকিব নোৱাৰিলেও আসক্তও হৈ নাথাকে। Plus Point এইটো। ইয়াৰে মই ঘৰ এখনত থকা মদ্য পানৰ পৰিবেশ এটাৰ শলাগ লোৱা নাই বা তেনে পৰিবেশ এটা বজাই ৰাখিবৰ বাবে প্ৰৰোচিতো কৰা নাই; factual স্থিতি টৌলৈহে টোৱাইছো। মই নিজেও এই ধৰণৰ পৰিবেশ এটাৰ বাৰুকৈয়ে exposure পাই আহিছিলো বাবে মদ্যপান কৰা বা তাৰ আনুষঙ্গিক কথাবোৰক লৈ



Scanned by CamScanner

কোনো সমস্যাই নাথাকিল মোৰ। মোৰ Community ৰ বাহিৰৰ কোনোবাই ভাবিব পাৰিব নে বাৰু — নিজে কেতিয়াও মুখত নিদিয়া শহুৰ দেউতাই জোঁৱাই আহিব বুলি খবৰ পালে মোৰ বাবে ভাল বহি (ৰাইচ বিয়েৰ ?) অকমান কৰবাৰ পৰা অনোৱাই থয়। এঢোক লোৱাৰ পিচত জোঁৱায়েকে যে আৰু আগ নাবাঢ়ে সেই কথা শহুৰ দেউতাই ভালদৰে জানিছিল। আমাৰ ককাদেউতা আৰু পিতায়ো লাওপানী নাখাইছিল; বিলাতী জাতীয় বা Assam Excise পালে পিতায়ে অলপ লৈছিল; ককায়ে কেৱল বিলাতী বিধহে লৈছিল তাকো কোনোবাই যাচিলেহে , নিজে কিনি খোৱাৰ হেঁপাহ নাছিল। Trend টো ময়ো এক প্ৰকাৰে বজাই ৰাখিছো — আলহী অতিথিৰ লগত বা পাৰ্টি আদিতহে অলপকৈ লওঁ। খুব ঠাণ্ডা পৰিলে লৰাই তাৰ ভাগৰে বটল এটা দিয়ে; ঠাণ্ডা পাৰ হৈ গৰম দিনো যাবৰ হয়, বটল শেষেই নহয়। Corporate Entity কালচাৰ মানি কিছুমান ব্ৰেণ্ডৰ ভাণ্ডাৰ এটা ৰাখে সি ঘৰত। সীমা পাৰ হোৱা নেদেখিলো কোনো দিনে তাকো।

বৰ ডেকাটো হৈ থকা বয়সত আৰম্ভ কৰা এই ৰমা দদাইদেওকো তেনে ধৰণৰ কোনো এটা category তে থাকি যোৱাতো কামনা কৰিছিলো আমি। সম্বন্ধত কেও কিছু নহলেও চুবুৰীয়া হিচাবে ৰমা দদাই আমাৰ বৰ ঘৰুৱা হৈ পৰিছিল। বিশেষকৈ মোক ভালেমান সহায়ো কৰি থৈছিল মানুহ জনে। চিক্সত পঢ়োতে দুদিন মান মই হোষ্টেলতো থকা কৰিছিলো বিশেষ কোনো কাৰণ নথকাতো। হোষ্টেল মানে স্কুল পৰিসৰতে থকা কেইটা মান খেৰৰ চালি ঘৰ; কোনে কেতিয়া বনাইছিল সেইবোৰ নাজানো, তিনি চাৰিটাকৈ লৰা থাকিব পৰা চালি ঘৰ; বাহৰ চাং, বাহৰে চ'টা দিয়া খাট, তাতে শুব লাগে। পঢ়া টেবুল-চকী বুলিবলৈ কিন্তু একো নাছিল; ঘৰত ক'লো যোগাৰ কৰি দিবলৈ। কিন্তু ঘৰতো টেবুল-চকী ওপৰুৱাকৈ নাছিল। কথাটো ৰমা দদাইৰ কানত পৰাত এদিন নিজৰ ঘৰৰে টেবুল চকী এযোৰ নিজে চাইকেলেৰে নি মোক দি আহিছিলগৈ। এম, ই, পৰীক্ষা দিওঁতেও সহায় কৰিছিল। পৰীক্ষাটো আমি ডুমডুমাত দিবগৈ লগীয়া হৈছিল; তেতিয়াৰ দিনত যান বাহনৰ অসুবিধাৰ বাবে ডুমডুমাৰ চুক্ৰিটিং এলেকাত থকা বৰকাকতী নামৰ তেখেতৰ চিনাকি মানুহ এঘৰত থাকি পৰীক্ষা দিয়াৰ সুবিধা কৰি দিছিল ৰমা দদাইদেৱে। বৰকাকতী এজন ব্যবসায়ী জাতীয় মানুহ, ঘৰত প্ৰায় নাথাকেই। লগত থকা বেলেগ এহাল সদ্য বিবাহিত মানুহেহে ঘৰ খনৰ তদাৰকৰ দায়িত্বত আছিল; ন-ছোৱালীয়ে বৰ আন্তৰিকতাৰে আমাৰ (মোৰ লগত আমাৰ পৰিয়ালৰে সখিধৰো আছিল) আলপৈচান ধৰিলে পৰীক্ষাৰ দিনকেইটাত। কৰবাত লগ পালে মানুহ গৰাকীক এতিয়াও ধাৰ শুজিম যেন লাগি থাকে। মনত পেলালে বহুত কথাই মনত পৰে ৰমা দদাইক লৈ। শিৱসাগৰৰ আম গুৰিত ঘৰ; পঢ়া শুনাত মেট্ৰিকৰ দেওনা বোধহয় পাৰ নহ'ল। এই সম্পৰ্কত কথা নুনিয়ায় বাবে কেতিয়াও একো সোধাই নহল। তেতিয়াৰ খোৱাং বাগিচাৰ হেড টি হাউচ বাবু বনমালী শইকীয়াৰ স্বজনপ্ৰীতি গুণৰ আঁত ধৰি আমগুৰি অঞ্চলৰ বহু কেইজনে " আচাম ফ্ৰনটিয়াৰ টি কোম্পানী" নামৰ বিদেশী কোম্পানীটোত চাকৰি লৈছিলহি। সেই সকলৰ ভিতৰত চিকণ শইকীয়া, ৰমা শইকীয়া, কুশ শইকীয়া, ভোগেশ্বৰ দত্ত আদি বোৰ বনমালী শইকীয়াৰ নিজৰ মানুহ; বাকীবোৰ লগা-ভগা বা চুবুৰীয়া ধৰণৰ। পিচলৈ বনমালী শইকীয়া ক'লা চাহাব হয়গৈ। ক'লা চাহাবৰ ঘৰৰ মানুহ হোৱাৰ যহতে ৰমা দদাই হঁতে বাগিচাৰ পৰা উপৰোৱাকৈ কিছু সা-সুবিধাও আদায় কৰি লব পাৰিছিল; আনকি কামতো গাফিলতি কৰিছিল ৰমা দদাইয়ে। তেওঁৰ পষেকীয়া তলব বনোৱাৰ কাম খিনি প্ৰায়ে আমাৰ পিতায়ে কৰি দিব লাগিছিল বুলি গম পাইছিলো। সেয়ে হলেও, সম্বন্ধত একো নালাগিলেও চুবুৰীয়া হিচাবেই ৰমা দদাই আমাৰ বৰ ঘৰুৱা হৈ পৰিছিল। পিচত আমি দুয়ো ঘৰে পকা কোৱাৰ্টাৰো পাইছিলো প্ৰায় ওচৰা ওচৰিকৈ। এনেয়ে আমাৰ পিতাইক ককাই বুলি মাতিছিল, কিন্তু ধেমালিৰ সময়ত আমাক অনুকৰণ কৰি পিতাই পিতাই কৰিছিল। আমগুৰিৰ ফালে মাক বাপেকক আই পিতাই বুলি নামাতে; বহুতে মাকক আক' 'বৌটি'হে বোলে হেনো। লগ পোৱা হলে ৰমা দদাইৰ মাকক আমিও বৌটি বুলিয়ে মাতিলো হেঁতেন চাগে। এনেকুৱা এজন মানুহৰ অমঙ্গলনো মই কেনেকৈ চিন্তা কৰো বাৰু। মই কলেজলৈ অহাৰ এবছৰ মানৰ পাচতে ৰমা দদাই টি বি ৰোগত আক্ৰান্ত হৈ hospitalised হৈ থকাৰ কথা শুনিলো। এনেকুৱা কিবা এটা যে হবগৈ তাৰ অনুমান আমি আগতেই কৰিব পাৰিছিলো। সেইবাৰ বন্ধত ঘৰলৈ আঁহোতে ৰমা দদাইৰ বেচ কেয়াৰ ললো মই হস্পিতেলত চাহ ভাত যোগোৱাৰে পৰা আৰম্ভ কৰি ঘৰতো ইটো সিটো কৰি দিয়া লৈকে। মোৰ involvement দেখি দুই একে সাৱধান পৰ্য্যন্ত কৰি দিব লগাত পৰিছিল — টি বি সোঁচৰা ৰোগ, কিছু সাবধানে থাকো যেন বুলি। হয়ো কথাটো, হস্পিতেলত ৰমা দদাইক isolated ঘৰ এটাতহে ৰাখিছিল য'ত ডাক্তৰ আদিৰ বাদে অন্যৰ আগমন নঘটিছিল। মই নগৈ নোৱাৰিছিলো; সৰু দুটা লৰা-ছোৱালী- দিলীপ আৰু দীপাক দেখিও দুখ লাগিছিল ৰমা দদাইৰ কিবা হৈ গলে সিহঁতৰ কি অবস্থা হব বুলি ভাবি। দেখাত বৰ শুৱনি আছিল ল'ৰা-ছোৱালী হাল। তাঁহাতে মোক দাদা বুলি মাতিলেও প্ৰথমতে নামটো কাঢ়ি লৈহে দাদাটো লগাইছিল।

কলেজলৈ ঘূৰি অহাৰ দুমাহ মান পিচত গম পা[illegible] — ৰমা দদাই কিছু সুস্থ হৈ ঘৰলৈ ওভতিছে। টি বি ৰোগ হলে [illegible]জে জইন নমৰে হেনো; বহুত সাবধানে থকাৰ কাড়া নিৰ্দেশ ডাক্ত[illegible]ৰা; পানীয় বিধ লোৱা একেবাৰে মানা; ঔষধ পাতি খাই থাকিব [illegible]গিব



Scanned by CamScanner

বহুত দিনলৈ। ভাবিলো— হওক তেও, এইবাৰলৈ ৰক্ষা পৰিল। পিচৰ বাৰত ঘৰলৈ যাওঁতে ৰমা দদাইক চাকৰিলৈ যোৱাও দেখিলো। ভাল লাগিল দেখি। তাৰো পিচৰ বাৰত ঘৰলৈ যাওঁতে কোনোবাই কোৱা শুনিলো — ৰমা দদাইদেৰে লুকাই চুৰকৈ হেনো পুণৰ Assam Excise ধৰা কৰিছে। বেয়াও লাগিল, খঙো উঠিল এইবাৰ। ইমান অবুজ মানুহৰ পিচত লাগি থাকি লাভ নাই, কিবা হলে এইবাৰ আৰু সহায় তহায় কৰাত নাই। তথাপিও ঘৰলৈ গৈ উমান লোৱাৰ চেষ্টা কৰিলো— খুড়ীদেৰে গমেই নাপায় একো। যি কৰে বাহিৰতে কৰে যে, সেইবাবে। এদিন অকস্মাতে ৰমা দদাইক আবেলি পৰত লেবাৰ লাইনৰ ফালে যোৱা দেখি মই আলেঙে আলেঙে লক্ষ্য কৰি থাকিলো কি কৰেগৈ তাত জানিবলৈ। এটা সময়ত এটা ঘাটিৰ পৰা ওলাই আহিল — পকেটত Assam Excise ৰ আধা বটল এটা ভৰাই লৈ। দুৰৰ পৰা লক্ষ্য কৰি থাকিলো মই। অকমান আওঁহতীয়া যেন লগা ঠাই এটা পোৱাৰ লগে লগে বটল খুলি পোনে পোনে পানী খোৱাদি গোটেই বটল শেষ কৰি লেবাৰ লাইনৰ পৰা ওলাই আহিল। বুজিবলৈ বাকি নাথাকিল adiction কি পৰ্য্যায় পালেগৈ। পানীয় খিনি গলাধকৰণ কৰিলেহে দেহালৈ কিছু জান অহা যেন লাগে চাগৈ। অপৰাধ কৰি আহিছিল নহয়, মোক দেখাৰ লগে লগে দোষী দোষী ভাৱেৰে লেবাৰ লাইনৰ Entry gate ত থৈ যোৱা চাইকেলত উঠি কোঁ-কোঁৱাই ঘৰৰ পিনে গুছি গ'ল।

কেইমাহ মানৰ পিচত গম পালো, ৰমা দদাইদেও পুনৰ হস্পিতেলত। কোনো আগ্ৰহ নেদেখুৱালো এইবাৰ আৰু কিবা জানিবলৈ বা কৰিবলৈ। কিন্তু কিছু দিনৰ পিচত যেতিয়া তেওঁক অসম মেডিকেললৈ ৰেফাৰ কৰি পঠিয়ালে, তেতিয়া আৰু মোৰ attend নকৰো বুলি কবৰ উপাই নাথাকিল। এদিন ক্লাছৰ পৰা বাহিৰে বাহিৰে গৈ বিচাৰি উলিয়ালোগৈ মানুহ জনক। মেডিকেলতো টি,বি ৱাৰ্ডটো আওঁহতীয়া জেগাত; সৰ্ব সাধাৰণৰ আহ যাহ নায়েই সেইফালে। মোক ঘনাই সেই অঞ্চলত দেখি দুই একে চকু থিয় কৰি চোৱা মন কৰিছিলো মই। দুৰ্বল শৰীৰেৰে হস্পিতেলৰ বিছনাত পৰি থকা ৰমা দদাইৰ চকুত এইবাৰ কিন্তু অনুশোচনাৰ অনুভূতি লক্ষনীয় আছিল। পিচে দেখিলেই গম পোৱা যায় — অনুশোচনাৰ সময় উকলি গ'ল। সম্বন্ধত একোয়ে নহওঁ, গতিকে কওঁ বুলিও কব নোৱাৰে দিলীপ-দীপা হঁতক চাবি বুলি। কিন্তু কথাষাৰ যেন কাৰোবাক কব পালে তেওঁ মনত এটা সকাহ পাব এনে এটা আকুলতাৰ ভাব ফুটি উঠে। সমবেদনা জনোৱাৰ বাদে (তাকো অকথিত ভাবে) কৰিব পৰা মোৰ আৰু একোৱে নাছিল। আমি জানিছিলো, ৰমা দদাইৰ কিবা এটা হলে সিহঁত ল'ৰা-ছোৱালী হাল আমগুৰি লৈকে ঘূৰি যাব লাগিব।

ভালেমান দিন চিকিৎসাধীন হৈ থকাৰ পিচত এটা সময়ত মেডিকেলৰ পৰা কোম্পানীৰ হস্পিতেলে নিজৰ জিম্মালৈ লৈ গল ৰমা দদাইদেওক। হয়তো ধৰিব পাৰিছিল— ৰাখি আৰু লাভ নাই ইয়াত। বিকভাবি নহলগৈ। পিচৰ বাৰৰ বন্ধত ঘৰলৈ যাওঁতে কোৱাৰ্টাৰ টো বন্ধ দেখিছিলো হবপায়। টি-বি ত ভোগা মানুহ থাকিছিল বাবে কিছু দিনলৈ কোৱাৰ্টাৰটো বেলেগক allot নকৰিব বাগিচাৰ কৰ্তৃপক্ষই। দিলীপ-দীপাক শেষবাৰ বুলি কবলৈকো আৰু দেখাই নাপালো কোনোদিনে। তাঁহাতৰ জীৱন বোৰ এতিয়া মানে ভৰপক দিয়া স্তৰতে আছে চাগৈ। খুড়ীদেও জনী আছে নে নাই জানো এতিয়া। চৰবোৰৰে আশা বোৰ মৰীচিকাত পৰিণত কৰি থৈ গ'ল ৰমা দদাইদেৰে।

এতিয়া কথাটো হ'ল, কিয় এনে হবলৈ পালে ৰমা দদাইদেওৰ। Sequence ৰে কথা আৰম্ভ কৰোতে কিবা ফৰমুলা ধৰণৰ কথাত ৰ'মগৈ যেন লগা হৈছিল নেকি বাৰু ? আচলতে কোনো ফৰমুলা তৰমুলাৰ কথা নাই ইয়াত। পৰিস্থিতি একোটা আয়ত্বলৈ আনি সম্যক বিচাৰ বুদ্ধিৰে পৰিধিৰ ভিতৰত থাকিব জনা-নজনা হোৱাটোহে বোধহয় ইয়াত গুৰি কথা। তাকেই যদি ফৰমূলা আখ্যা দিব পাৰি, তেন্তে ফৰমূলাই সেইটো। উনুকিয়াই অহা সেই সৰু লৰাটো বা exposure পোৱা মোৰ নিচিনা বোৰেও ৰমা দদাইৰ পৰ্য্যায় যে নাপাবগৈ তাৰ একো নিশ্চয়তা নাই। মুক্ত বাতাবৰণৰ (সংস্কাৰ ?) মাজতে জীৱনত কিবা এটা কৰা বা পোৱা ধৰণৰ এটা আশাৰ বীজ যদি এজনত অঙ্কুৰিত হয়, তেনেহলেই বোধহয় ৰমা দদাই হৈ যোৱাৰ পৰা নিজকে বচাই ৰাখিব পৰা যায়। ভেকো ভাওনা কৰি ক্ষন্তেকীয়া বা: বা: বোটলাৰ প্ৰৱণতাটো এনে হব নোৱাৰাৰে পৰিচায়ক। ৰমা দদাইয়ে মদ খাই মাতলামি নকৰিছিল ঠিকেই, কিন্তু অতিচাৰ কৰাটোও ইয়াৰ বিকল্প হব নোৱাৰে। ইয়াৰ প্ৰতিফল তেওঁ হাতে হাতে পালে। চাউলৰ মদে হেনো অপকাৰ নকৰে; সাধাৰণ অৰ্থত নকৰিবও পাৰে। কিন্তু অপকাৰ নকৰিল বুলিয়েই বাকী খোৱা বোৱা বোৰ বাদ দি সেই বিধকেই লৈ থাকিব, এনেওতো হব নোৱাৰে। তেনে কৰিলেই একোজনে ৰমা দদাইৰ শাৰীত উঠিবগৈ আৰু ফলাফলো সেই হিচাবেই পাব। ঘৰ এখনৰ আশা আকাঙ্খাক মৰীচিকাত পৰিণত কৰিবৰ সেইজনৰ অধিকাৰ আছে জানো ? ♦



*"জীৱনৰ যাত্ৰাপথত মানুহে যিমান বিস্ময় সৃষ্টি কৰিছে আৰু ভৱিষ্যতেও কৰি থাকিব, তাৰ ভিতৰত সবাতোকৈ ডাঙৰ বিস্ময় আৰু সবাতোকৈ নিপুণ সৃষ্টি হ'ল কিতাপ।" - মেক্সিম গৰ্কী।*



Scanned by CamScanner



# দীঘলীয়া ভ্ৰমণৰ ছাইড-ইফেক্ট

ডাঃ নীলমণি শৰ্মা
ফোন নং- ৯৮১০৫৯৪৩৫৮

বিদেশ ভ্ৰমণলৈ যোৱাৰ বেচ কিছু দিনৰ আগৰে পৰা ঘৰখন কি ভাৱে সুৰক্ষিতকৈ ৰাখি থৈ যোৱা হ'ব তাকে লৈ অনেক চিন্তা-চৰ্চ্চা কৰি থকা হৈছিল। গৃহিনীৰ মতে আগৰ কিবাৰত ঘূৰি অহাৰ পাচত যিখিনি অসুবিধাত পৰিছিলো এইবাৰ যাতে তাৰ পুনৰাবৃত্তি নহয় সেইটো সু-নিশ্চিত কৰিহে যাত্ৰা আৰম্ভ কৰিব লাগিব। এনেয়ে গৰমৰ দিনত বতাহ, বৰষুণ, চোৰ-ডকাইতৰ উপদ্ৰৱ থাকেই আনহাতে মে' জুন মাহত 'লু' অহাৰ উপৰিও দিল্লী মহানগৰীত হঠাৎ অহা 'আন্ধিয়ে' মৰুভূমিত উদ্ভৱ হোৱা ঘূৰ্ণী বতাহজাকৰ দৰে ধুলিময় অৱস্থাটোৰ সৃষ্টিও প্ৰায়েই কৰি অহা দেখা যায়। সেই সময়ছোৱাত বাহিৰৰ মুকলি হাৱা খোৱাৰ কথা বাদ দি সকলোৱে ঘৰৰ দুৱাৰ খিৰিকী ভালদৰে বন্ধ কৰি বাতানুকুল মেচিনটো চলাই বন্ধ কোঠাতে সময়বোৰ পাৰ কৰিব লগা হয়। যিসকল দুখীয়া মানুহৰ এচি, কুলাৰ কিনাৰ সামৰ্থ্য নাই তেওঁলোকে মট্‌কা বা ৰাটাৰ কুলাৰ আদিৰ ঠাণ্ডা পানী খাই, ফেনৰ হাৱা লৈয়ে কোনোমতে গৰমৰ দিনকেইটা পাৰ কৰে। ৰাতিলৈ অৱশ্যে বাহিৰৰ হাৱা কিছু ঠাণ্ডা হৈ পৰা বাবে ঘৰৰ বাহিৰৰ মুকলি ঠাইত বা ঘৰৰ ছাদত চাৰপাই লগাই শোৱাৰ ব্যৱস্থা কৰে। দুখীয়ালোক সকলে দিনৰ দিনটো না-নান পৰিশ্ৰম কৰাৰ অন্তত ৰাতিৰ টোপনিকণ অতি শান্তি আৰু গভীৰ নিদ্ৰাৰে পাৰ কৰাৰ পাচত পুৱা মন আৰু শৰীৰ সজীৱ হৈ উঠাত ঘৰৰ সকলোৱে দিনটোৰ বাবে কামে-কাজে ওলাই যায়। গৰমৰ দিনকেইটাত সাধাৰণতে বৰষুণ নিদিয়ে, গতিকে সকলোফালে শুকান পৰিবেশ। গছ-গছনিৰ পাতবোৰ ধুলিৰে ভৰি থাকে। বতাহ এজাক অহাৰ লগে লগে গোটেই পৰিবেশটোৱেই ধুলিময় হৈ পৰে। দুৱাৰ খিৰিকীৰ ফাকে-ফাকে ধুলি সোমাই আহে, বতাহ অহাৰ সময়ত কেনেবাকে দুৱাৰ-খিৰিকী খোলা থাকিলে কি যে অৱস্থা হয় সেইটো সহজেই অনুমেয়।

আমেৰিকাত থকা পুত্ৰ-বোৱাৰীৰ আমন্ত্ৰণক্ৰমে বিগত মাৰ্চ মাহৰ শেষৰফালে যোৱাৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হ'ল। হাতত নিব লগা ডলাৰ, ট্ৰেভেল কাৰ্ড। Health Insurance ঔষধ পাতি আদি যোগাৰ কৰাৰ বাদেও পৰিবাৰৰ লগত বজাৰত ঘূৰি ঘূৰি নতুনকৈ জন্ম হোৱা নাতিটোৰ বাবে কেইজোৰমান সাজ কিনি আনিলোঁ। তালৈ নিব লগা খোৱা বস্তুবোৰ সংগ্ৰহ কৰা হ'ল। সৌভাগ্যক্ৰমে বিদেশলৈ যাওঁতে এয়াৰলাইঞ্চ সমূহে প্ৰদান কৰা সুবিধা অনুযায়ী ২৩ কেজি ওজনৰ দুটাকৈ চুটকেচ, একোটা হেণ্ড বেগেজ প্ৰতিজন যাত্ৰীয়ে লৈ যাব পাৰে বাবে আমাৰ কানি-কাপোৰ সমূহ তিনিমাহৰ কাৰণে আৰু তালৈ নিব লগা খোৱা বস্তুসমূহ অলপো চিন্তা নকৰাকৈ ভৰাই লোৱা হ'ল। নিৰ্দিষ্ট দিনটোত টেক্সি মাতি আনি লগত নিব লগা সকলো টালি-টোপোলা টেক্সিত বখোৱা হ'ল। পৰিবাৰৰ নিৰ্দেশনা মতে পুৰণি পৰ্দ্দা, বেডশ্বীট আদিৰে চোফা, ডাইনিং টেবুল, চকী আদি আগতেই ঢাকি লোৱা হৈছিল। যোৱাৰ আগমুহূৰ্তত আটাইকেইখন দুৱাৰ বন্ধ কৰাৰ পাচত মূল দুৱাৰত তলা লগাই যাত্ৰা আৰম্ভ কৰা হৈছিল। বিমান উৰা মৰাৰ প্ৰায় তিনি ঘন্টাৰ আগতে আমি বিমান বন্দৰ পালোগৈ। কৰণীয় সকলো সমাধা কৰি উৰা জাহাজত বহাৰ পাচত যাত্ৰা আৰম্ভ হ'ল। একেৰাহে পোন্ধৰ ঘন্টা বহি আমনি লাগিলেও যাত্ৰাৰ অন্তত নাতিটো লগ পোৱাৰ উত্তেজনাই মন আৰু শৰীৰৰ সকলো অশান্তি ভাগৰ নাইকীয়া কৰি পেলাইছিল। চানফ্ৰান্সিস্কো বিমান বন্দৰ পোৱাৰ পাচত লগত নিয়া টালি-টোপোলা সমূহ সংগ্ৰহ কৰি ট্ৰলীত ভৰাই বাহিৰলৈ যোৱা ৰাস্তাৰে ভয়ে ভয়ে পাৰহে গ'লো। এইবাৰ বহুখিনি খোৱা বস্তু চুটকেচত লৈ যোৱা হৈছিল, অনেক বন্ধু-বান্ধৱে সেইবোৰ বস্তুৰ চেকিং কৰিলে এৰি যাব লগা হ'ব পাৰে নতুবা ফাইন ভৰিব লাগিব বুলি সকীয়াই দিছিল যদিও সাহ কৰি বস্তুবোৰ লৈ গৈছিলো। যি কি নহওক কোনো সামস্যাত নপৰাকৈ পুত্ৰৰ গাড়ীত উঠি সিহঁতৰ ঘৰ পালোগৈ। নাতিক চাই ৰাস্তাৰ দুখ, কষ্ট, ভাগৰ সকলো পাহৰি গলো। প্ৰথম ৰাতিটো হেপাহ পলুৱাই শুই লোৱাৰ পাচত পিচদিনাৰ পৰাই সিহঁতৰ ঘৰটো, কোঠাবোৰ আগফালে থকা ফুলনিবাৰী আৰু পাচফালে শাক-পাচলিৰ বাৰীখন চাই কামত লাগি গলো। দিল্লীত বহুবছৰ মাটিৰ লগত সম্পৰ্ক নোহোৱাই হৈছিল। গতিকে খেতিৰ কামত পূৰাদমে মনোনিবেশ কৰিলোঁ। দুদিনমান মাটিখিনি চহাই শুকুৱাই লোৱাৰ পাচত পচন সাৰৰ দৰে কিছু সাৰ নাৰ্চাৰীৰ পৰা সংগ্ৰহ কৰোৱাই মাটিত মিহলাই পুনৰ কোৰ মাৰি ঠাইখিনি প্ৰস্তুত কৰি লোৱা হৈছিল। অৱশ্যে বাৰীখনৰ এটা অংশত আমাৰ বোৱাৰীৰ দেউতাক গোস্বামীদেৱে মূলা, ধনীয়া, বীট আদিৰ খেতি কৰি ৰাখিছিলেই। তদুপৰি খেতি কৰাৰ বাবে প্ৰয়োজনীয় সজুলি সমূহো যোগাৰ ৰাখিছিল। তেখেত [illegible]লৈ ঘূৰি যোৱাৰ পাচত শাক-পাচলিৰ তত্বাৱধানৰ দ্বায়িত্ব মই লৈ[illegible]লো। মুঠতে নাতিক চোৱা-চিতা কৰাৰ পাচত বাকী সময়খিনি বা[illegible]তে কটোৱাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছিলো। পুত্ৰৰ লগত নাৰ্চা[illegible]গৈ ফ্ৰেঞ্চবীন, বিলাহী, কেপচিকাম আদিৰ পুলি কিনি আনি পা[illegible]ই চহাই ৰখা মাটিত ৰুই দিয়া হ'ল। এসপ্তাহমানৰ ভিতৰতে [illegible]ৰ



Scanned by CamScanner

...ন ধৰি উঠিলে। শাক-পাচলিৰ লগে-লগে ফুলনিখনৰো যত্ন লোৱাত ...বিভিন্ন ধৰণৰ গোলাপ ফুলবোৰ ফুলা আৰম্ভ হৈ গ'ল।

পুৱাৰ ভাগত মৰ্নিং ৱাক কৰাৰ কামটোও সমানে চলাই ...ৰখা হৈছিল। তাত প্ৰাতঃভ্ৰমণৰ বাবে অনেক সুবিধা আছে। জুৰি ...এটাৰ দুয়োপাৰত ৱাইজে খোজকঢ়াৰ বাবে ৰাস্তা আছে। ইচ্ছা কৰিলে ...দহ-বাৰ কিলোমিটাৰ পৰ্যন্ত যান-বাহন বৰ্জিত ৰাস্তাৰে খোজ কঢ়াৰ ...সুবিধা আছে। উল্লেখনীয় যে ৰাস্তাত লগ পোৱা প্ৰতিজন মানুহেই ...গুডমৰ্নিং জনাই পাৰ হৈ যোৱাটো গতানুগতিক কথা- প্ৰতিজনৰ মুখত ...এমোকোৰা হাঁহি থাকেই। অচিনাকী মানুহক হাঁহি এটাৰে সম্ভাষণ জনাই ...গুডমৰ্নিং কোৱাটো ভাৰতীয় মানুহৰ ক্ষেত্ৰত পৰিচিত অভ্যাস নহয়, ...গতিকে প্ৰথম অৱস্থাত থং-মং খাই গৈছিলো যেতিয়া বিপৰীত দিশৰ পৰা অহা ছোৱালী, তিৰোতা সকলেও হাঁহি এটা মাৰি গুডমৰ্নিং জনাই পাৰ হৈ যায়। পাচলৈ অৱশ্যে এইবোৰ সাধাৰণ কথা হৈ পৰিছিল। প্ৰাতঃভ্ৰমণ শেষ কৰাৰ অন্তত বজাৰখনৰ মাজেদি আহোঁতে ইণ্ডিয়ান বা চাইনীজ দোকানৰপৰা প্ৰায়েই ফল-মূল, শাক-পাচলি কিনি লৈ আহিছিলো। মোৰ সমবয়সীয়া পাঞ্জাবৰ পৰা যোৱা তাত স্থায়ীভাৱে বসবাস কৰি থকা যোগিন্দৰ সিঙক প্ৰায়েই লগ পাইছিলো প্ৰাতঃভ্ৰমণৰ সময়ত। শিক্ষিত যুৱক যোগিন্দৰ আমেৰিকালৈ চাকৰিৰ সংক্ৰান্তত গৈছিল। প্ৰথমে চাকৰি নাপাই ট্ৰাক চলোৱাৰ কামত ধৰে। লাহে লাহে এখন দুকনকৈ ট্ৰাক কিনি ব্যৱসায় আৰম্ভ কৰে। বৰ্তমান 'বে' এড়িয়াত তেওঁ এজন নামী ট্ৰেন্সপৰ্টাৰ। অন্য এটা পৰিয়াল শ্ৰী যুক্তিয়াৰ সিং আৰু তেওঁৰ পৰিবাৰক লগ পোৱাৰ পাচত বন্ধুত্ব গঢ়ি উঠিছিল। যুক্তিয়াৰ সিং দিল্লী বিকাশ প্ৰাধিকৰণৰ ইঞ্জিনীয়াৰ আছিল তেওঁৰ দুজন পুত্ৰই আমেৰিকাত চাকৰি, বিয়া-বাৰু কৰাই স্থায়ীভাৱে বসবাস কৰি আছিল। দুই পুত্ৰৰ হেঁচাত অৱসৰ গ্ৰহণৰ পাচত ভাৰতবৰ্ষৰ মোহ বাদ দি আমেৰিকাৰলৈ গুচি যায় আৰু তেওঁলোক চহৰতে চৰকাৰে বয়োজ্যেষ্ঠলোকৰ বাবে ৰখা স্কীম অনুযায়ী অতি কম খৰচতে ঘৰ এটা কিনি যোৱা ১২ /১৩ বছৰৰ পৰা স্থায়ীভাৱে Senior citizen Housing Colony ত সুখেৰে বসবাস কৰি আছে। ভাৰতীয় মুলুকৰ মানুহক লগ পোৱাৰ বাদেও ভিয়েটনামী, মেক্সিকান, কম্বোদিয়ান আদি ব্যক্তিৰ লগত চা-চিনাকি হৈ একেলগে প্ৰাতঃভ্ৰমণ কৰিছিলো আৰু তেওঁলোকৰ দেশৰ বয়োজ্যেষ্ঠ সকলে কেনেকৈ সময় কটায় আৰু চৰকাৰৰ পৰা সা-সুবিধা পায়নে নাপায় সেই বিষয়েও সোধপোচ কৰিছিলো।

আমি থকাৰ সময়তে নাতি ল'ৰাৰ অন্নপ্ৰাসন পতা হৈছিল। পুত্ৰ-বোৱাৰীয়ে লগৰ বন্ধু-বান্ধৱৰ পৰিয়ালৰ সদস্য দুই-এজন, তদুপৰি আমেৰিকাৰ 'বে' এড়িয়াত বসবাস কৰি থকা কেইটাও অসমীয়া পৰিয়ালক নিমন্ত্ৰণ কৰিছিল। তাত স্থায়ীভাৱে বসবাস কৰি থকা বেনাৰসৰ পূজাৰী এজন আহি সুন্দৰভাৱে ধৰ্মীয় কাম ফেৰা কৰি গ'ল। এশজনৰো অধিক মানুহে অন্নপ্ৰাসনত যোগ দিছিল। সকলোৰে লগত চা-চিনাকি হোৱাৰ সুবিধা পালো। নাতিটোৰ বয়স ছমাহ হোৱাৰ পাচতে "Day Care Boarding School" ত ভৰ্তিকৰোৱা হ'ল। Day Care ত থৈ প্ৰথম দিনটোত মনটো অতি বেয়া লাগিছিল। পুত্ৰ-বোৱাৰী দুয়োৰে চাকৰি কৰিবলৈ যোৱাৰ বাবে Day Care ত দিবই লাগিব বুলি মনটোক বুজনি দিছিলো।

লাহে লাহে ভাৰতলৈ ঘূৰি অহাৰ দিন চমু চাপি আহিলত বজাৰ সমাৰ কৰা, পুত্ৰ-বোৱাৰীৰ বন্ধু-বান্ধৱৰ ঘৰত ভাতৰ নিমন্ত্ৰণ ৰক্ষা কৰাত ব্যস্ত হৈ পৰিলো। ইতিমধ্যে বাৰীত ৰোৱা শাক-পাচলিবোৰ খোৱাৰ উপযুক্ত হোৱাত তাৰো জুতি ললো। জুন মাহৰ ২ তাৰিখে সকলো মায়া মোহ সম্বৰণ কৰি Uber Taxi ত উঠি হাৱাই আড্ডা পাই পুনৰ পোন্ধৰ ঘন্টা উৰাজাহাজেৰে আহি দিল্লীৰ দ্বাৰকাস্থিত বাসস্থান পালোহি।

এদিনৰ আগতে পৰিবাৰৰ বান্ধৱীয়ে মানুহ লগোৱাই ঘৰখন কিছু পৰিমাণে চাফা কৰোৱাই ৰাখিছিলে বুলিহে ঘৰৰ ভিতৰত সোমাব পৰা হৈ আছিল। লগত নিয়া চুটকেচ এয়াৰবেগ আদি চাফা কৰাৰ পাচত গা-পা ধুই চাহ একাপ খাই গা-মন সজীৱ কৰাৰ উদ্দেশ্যে পৰিবাৰে চাহ বনোৱাৰ বাবে গেছত পানী ভৰ্ত্তি চচ্‌পেন ৰখাৰ পাচত দেখা গ'ল যে গেচটো নজ্বলে। ময়ো যত্ন কৰি চালো জলাব নোৱাৰিলো, তাৰমানে গেচৰ কানেকচন নাই। ইলেকট্ৰিক কেটলিটোত পানী গৰম কৰাৰ চেষ্টা কৰিলো সেইটো বেয়া হৈ আছে। গতিকে চাহৰ চিন্তা বাদ দিয়া হ'ল। ফ্ৰিজটো খোলাত তাৰপৰা ওলাই আহিল ভেকেটা-ভেকেট গোন্ধ। আমি যোৱাৰ সময়ত ফ্ৰিজটো চলাই থৈ গৈছিলো- দুই এপদ বস্তুও ৰাখি যোৱা হৈছিল, সকলো নষ্ট হৈ গ'ল। গেলা গৰমত ফ্ৰিজৰ ঠাণ্ডা পানী অলপ নহ'লে জীয়াই থকাই টান বুলি ফ্ৰিজটো চফা কৰাত লাগি গলো। প্ৰায় দুঘন্টা সময় দুয়োজনে লাগি চাফা কৰা হ'ল। প্ৰতিবেশীৰ পৰা ঠাণ্ডা পানীৰ বটল আৰু চাহ বিস্কুট আনি অলপ ভোক, পিয়াহ গুচাই বিচনাতে বহি আৰাম কৰা যাওঁক বুলি দুয়ো বহিলো। 'এচি'টো চলাই কিছু সময় বহাৰ পাচত দেখা গ'ল কমটো ঠাণ্ডা হোৱাৰ নাম গোন্ধেই নাই বৰং গৰম বতাহহে পোৱা গৈছে। বুজিবলৈ বাকী নাথাকিল যে সেইটো বেমাৰত ভুগিছে। আনহাতে টিভিটোও নচলা হ'ল TataSky ৰ সংযোগ বিচ্ছিন্ন হৈ আছে। ওচৰ চুবুৰীয়া এজনে জনালে যে আমাৰ গেচ চিমনীটোও বাহিৰৰ পৰা কেৰ্কেটুৱাই বাহ লৈছে। চিমনীটো চলাই চোৱাত দেখা গ'ল মেচিনটোৱে কাম কৰা নাই মাত্ৰ বেয়াকৈ শব্দ এটাৰহে সৃষ্টি কৰিছে। ঘৰখনত এটাৰ পিছত আনটো বস্তু বিকল হৈ থকা দেখা পাই মনটো সেমেকি উঠিল। আমেৰিকাত তিনিমাহ থাকি সুখৰ দিনকেইটাত আমোদ-প্ৰমোদৰ অনুভূতিবোৰ নিমিষতে মনৰ পৰা মচ খাই যোৱা যেন অনুভৱ হ'ল। এচি, চিমনী, টিভি, গেচৰ সংযোগ ঠিক কৰাৰ কামবোৰ সম্পূৰ্ণ কৰোতে এসপ্তাহ মান লাগিল। ভৱিষ্যতে গৰমৰ দিনত ইমান দীঘলীয়াকৈ ঘৰ-দুৱাৰ বন্ধ কৰি ফুৰিবলৈ নোযোৱাৰ সিদ্ধান্ত লোৱা হ'ল যদিও সময়েহে জানে আকৌ কেতিয়া কি অভিজ্ঞতা হয়!♦



Scanned by CamScanner



# স্মৃতিৰ মেলা

ডঃ ৰীণা শৰ্মা
ফোন : ৯৩১২২৮৭৯১৫

এই সমস্যাৰে ভৰা জীৱনটোক আপুনি বাৰু কেনেদৰে ল'ব পাৰে? ইটোৰ পাছত সিটো সমস্যাৰ অন্ত নাই। পৃথিৱীৰ ইমূৰৰপৰা সিমূৰলৈ এটুকুৰা ঠাই বিচাৰি উলিয়াব পৰা নেযাব য'ত সমস্যাবিহীন শান্তি অনুভৱ কৰিব পাৰি। ঋষি অৰবিন্দৰ মতে এই সংসাৰত কোনেও ভগৱানৰপৰা পুৰস্কাৰ নেপায়। সকলো হৈছে মানুহৰ কামৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ফলাফল মাত্ৰ। গতিকে এইখিনিতে এটা কথা মনত ৰখা উচিত যে কিছুমান সৃষ্টিমূলক কাৰ্যৰ দ্বাৰা নিজকে ব্যস্ত ৰাখি জীৱনটো মাদকতা আৰু আনন্দৰ মাজেদি পাৰ কৰাৰ স্থল নিশ্চয় আছে। এনে কাৰ্যত নেথাকে হতাশা, নেথাকে নিৰাশা।

আজি মোৰ এনেকুৱা এখন ঠাইৰ স্মৃতি মানস পটত ভাঁহি উঠিছে য'ত জীৱনৰ আটাইতকৈ বহুমূলীয়া সময়খিনি কটাই আহিলোঁ আৰু সেইখনেই হৈছে আমাৰ অতি মৰমৰ তৈল নগৰী দুলীয়াজান। তাত থকা সেই চিৰসেউজীয়া দিনবোৰ বৰ মধুৰ - নাছিল তাত দুখ-ভাগৰ, নাছিল নিৰাশা। কিমান যে সৰু-সুৰা ঘটনা জড়িত হৈ আছে আমাৰ স্মৃতিৰ কোঠাবোৰত এই আদৰৰ ঠাইখিনিৰ লগত। এতিয়া কোনটো লিখোঁ কোনটো নিলিখোঁ ভাবিবলগাত পৰোঁ দেখোন। মহিলাসকলৰ দ্বাৰা আয়োজিত সাংস্কৃতিক উৎসৱবোৰ আছিল বৰ মনোমোহা। বিবাহিতা মহিলাসকল (ল'ৰা-ছোৱালীৰ মাক)ৰ দ্বাৰা পৰিৱেশিত নৃত্য-নাটিকা 'ৰাম বনবাস', 'সাত ভনী', 'সমন্বয়', 'দাতাকৰ্ণ', 'শকুন্তলা', 'ঊষা পৰিণয়', 'ঋতুৰঙ্গ' আদিত ভাগ লোৱা একোগৰাকী মহিলাৰ ভাও-ভঙ্গী, সাজোন-কাচোন, নাচৰ ভঙ্গিমাবোৰৰ কথা মনত পৰিলে সঁচাকৈয়ে আজিও আনন্দত আপ্লুত হৈ পৰোঁ। কাৰণ এই সকলোবোৰ সৃষ্টিৰ মাজত আছিল সমূহীয়া আনন্দ, নাছিল তাত ভেদাভেদ, ঈৰ্ষা-কপটতা। যেতিয়াই তেতিয়াই য'তে-ত'তে বিহু নাচি আমোদ লোৱা আনন্দসমূহ সঁচাকৈয়ে বৰ মধুৰ।

এবাৰ 'দাতাকৰ্ণ' নৃত্য-নাটিকাখনি পুৰ্ণিমা পাঠক শইকীয়াৰ অনুৰোধত যেতিয়া গুৱাহাটীৰ দূৰদৰ্শনত সম্প্ৰচাৰ কৰিবলৈ অনুৰোধ আহিল আমাৰ মহিলাসকলৰ মাজত কি উল্লাস, কি ফূৰ্তি। বাছত উঠি গুৱাহাটীলৈ যাত্ৰা কৰাৰ মজা, ফূৰ্তিবোৰ আজিও যেন ৰঙচঙীয়া হৈ আছে মনৰ মণিকোঠাত।

১৯৯২ চনত যেতিয়া মোৰ গৃহস্থ বদলি হৈ দিল্লীৰ বাসিন্দা হ'বলগাত পৰিল, কিয় জানো আমাৰ মনবোৰ সেমেকি উঠিল, সেই মোহনীয় ঠাইখনৰ বন্ধুবৰ্গক এৰি থৈ অহাৰ বেজাৰত। মই কাম কৰি থকা দুলীয়াজান কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে মোক বিদায় দিয়া সভাখনৰ কথা মনত পৰিলে আজিও চকু সেমেকি উঠে দেখোন। পিচে দিল্লী মহানগৰীখনত আহি খাপ খাব পাৰোঁ নে নোৱাৰোঁ এই দুদোল্যমান অৱস্থাটো দৰাচলতে আছিল বৰ ক্ষন্তেকীয়া; কাৰণ দিল্লীৰ অসমীয়া মানুহখিনিৰ অসম এছোচিয়েছন আৰু উৰুলি এই দুয়োটা অনুষ্ঠানত সোনকালে যোগদান কৰি আনন্দত বুৰ যাবলৈ সমৰ্থ হৈছিলোঁ দুলীয়াজানৰ স্মৃতিক একাষৰীয়া কৰি থৈ।

আমি অসম এছোচিয়েছনত যোগদান কৰাৰ সময়ত সাধাৰণ সম্পাদক আছিল মনোজ দাস, সভাপতি ত্ৰৈলোক্যপ্ৰসাদ খাওন্দ। মনোজৰ সৈতে চিনাকি হৈ কথাই কথাই মই পিঠা-পনা বনাব পাৰোঁ বুলি কোৱাৰ লগে লগেই ৬০০ তিলপিঠা আৰু ৬০০ নাৰিকলৰ লাডু বনাবলৈ অনুৰোধ কৰিলে বিহু উপলক্ষে। লগে লগে বৰাচাউল অসমৰপৰা আনি লোহাৰ খুন্দনাত খুন্দি হেম বৰাৰ মাকৰ সৈতে লগ লাগি ৰাতি ৰাতি পিঠা বনোৱাৰ দৃশ্যবোৰ যেন চকুৰ পৰ্দাত ভাহি আছে এনে হেন লাগে।

উৰুলিৰ মহিলাসকলৰ দ্বাৰা আয়োজন কৰা বছৰেকীয়া উৎসৱত 'নাৰী তুমি অনন্যা' নৃত্য-নাটিকাখনত ভাগ লোৱা মহিলাসকল আছিল অৰুণা, ৰুমী শৰ্মা, পাপৰি, নিশা, জিলমিল, ডলী, মুন্না, ইনু, সঙ্গীতা, উত্তৰা, প্ৰতিমা (আৰু কাৰোবাৰ নাম পাহৰিলোঁ নেকি?)। তেওঁলোকৰ বাবে নেপথ্যৰপৰা বচন মতাত চিত্ৰলেখা আৰু তৃষ্ণাৰ আসন সুকীয়া। তেওঁলোকে পাঁচগৰাকীমান মহিলাৰ মাত বেলেগ বেলেগ কৰি উলিয়াই সকলোৰে ভূয়সী প্ৰশংসা পাইছিল। চিত্ৰলেখাৰ মাতটো বৰ শুৱলা। নেপথ্যৰ সঙ্গীতত আছিল ৰীম, ৰিংকু, নিকু, ৰীণা। দুখন নৃত্যনাটিকা 'দাতাকৰ্ণ' আৰু 'ৰাম বনবাস'ত কৰ্ণ, কৃষ্ণ, দুৰ্যোধন, দুঃশাসন, ভীম, ৰাম, লক্ষ্মণ আদি পুৰুষৰ ভাওবোৰত মহিলাসকলে দাড়ি-চুলি লগাই যেতিয়া মঞ্চত উপৱিষ্ট হৈছিল, তেতিয়া জাউৰিয়ে জাউৰিয়ে পৰা হাত চাপৰিৰ শব্দবোৰ যেন আজিও কাণত ভাঁহি আছে। 'দাতাকৰ্ণ' নাটিকাত নেপথ্যৰপৰা কণ্ঠদান কৰি সহায় কৰিছিল অভিজ্ঞ হিৰণ দত্ত, গুণ বৰুৱা আৰু বিপুল বৰুৱাই। মহিলাৰ কণ্ঠদানত আছিল তৃষ্ণা আৰু চিত্ৰলে· ভিতৰৰপৰা গান গোৱা মহিলাখিনি দুয়োখন নাটকতে একেই আছি সঙ্গীতাৰ সূত্ৰধাৰ হৈ দিয়া সত্ৰীয়া ভঙ্গীবোৰ চমকপ্ৰদ।



Scanned by CamScanner

'সৃষ্টি' আৰু 'ইনলি'ৰ দ্বাৰা আয়োজন কৰা অনুষ্ঠানসমূহত ইন্দ্ৰজিৎ, অংশুমান আৰু প্ৰভাতহঁতৰ অৰিহণা প্ৰশংসনীয়। আমি বয়সস্থসকলেও সেই অনুষ্ঠানত ভাগ লৈ আনন্দ উপভোগ কৰোঁ। এই স্মৃতিৰ মেলাবোৰ আজি ইমানদিনে বুকুত বান্ধি লৈ ফুৰাত চেনেহৰ এনাজৰীডাল কট্‌কটীয়া হৈ গৈ আছে চিৰযুগমীয়া হৈ, স্মৃতিৰ পটত খৰিকাজাঁই ফুলৰ সুবাসেৰে আমোল-মোলাই। এই সুগন্ধি চিৰযুগমীয়া। ♦



## নীলা কামিজ পিন্ধা আবেগ

*শৰ্মীষ্ঠা বৰ্মন*
*ফোন নং- ৮৫৮৮৮০৬৭৯২*

প্ৰতিটো চিনাকি নিশাৰ দৰে
জোনাকৰ বুকুত নাচিছিল এটি
নীলা কামিজ পিন্ধা আৱেগ
সেই আবেগত এটি বলিয়া আশাই
হৃদয় দুৱাৰত টুকুৰিয়াই উপহাৰ দিলে
এটি সেউজবুলীয়া প্ৰেমৰ সাঁথৰ;

কত বসন্তৰ জোঁৱাৰে হিয়াটিৰ সতে ঢৌ খেলি খেলি
এতিয়া হিয়াটি পলসূৱা কৰিছে।

প্ৰিয়তম! তোমাৰ নীলাভ প্ৰেমালাপত
বন্ধ্যা হিয়াখনিয়ে নিজকে অলসভাবে উটুৱাই দিছে
বোধহয় এইবেলি
সাগৰৰ পাৰত বালিঘৰ সজা নাই
এতিয়া প্ৰতিনিশাৰ জোনাকবোৰ
একোজনী গাভৰু হৈ পৰিছে
ৰত্নগৰ্ভা ধৰিত্ৰীৰ বুকুত জিৰণি লৈছেহি এটি
নীলা কামিজ পিন্ধা আবেগ।

Scanned by CamScanner



# "সাতপুৰা ৰাণী" পচমঢ়ী

ড. জয়ন্তীমালা বৰপূজাৰী
ফোন : ৯৮৬৮১১৩১০২

পৃথিৱীখনত যে চাবলৈ কিমান ঠাই, জানিবলৈ কিমান কথা আছে। ধুনীয়া ঠাইৰ কথা শুনিলে বা তেনে ঠাইৰ ছবি দেখিলে ভাবোঁ,পাৰিলে যাব লাগিব। পিছে, বেছিভাগ সময় আকাশত চাং পাতি থাকোতেই যায়। কেতিয়াবা মোৰ অভাৰতীয় মানুহলৈ, বিশেষকৈ নাৰীলৈ, ঈৰ্ষা হয়। তেওঁলোক যে মজলীয়া আকাৰৰ মোনা একোটাতে (বেকপেক) যাৱতীয় বস্তু কেইপদমান ভৰাই লৈ নিঃসঙ্কোচে অকলে দেশভ্ৰমণৰ বাবে ওলাই যায়! অচিনাকি ঠাই, অনিৰ্দিষ্ট ভৱিষ্যতৰ প্ৰতি কোনো ভয়, কোনো আশংকা নাই। (আজিকালি নতুন প্ৰজন্মৰ ভাৰতীয়সকলৰ মাজতো তেনে উৎসাহ দেখিবলৈ পোৱাটো নিশ্চয় প্ৰশংসনীয়।) ছাত্ৰাৱস্থাত ভাবিছিলো, স্বাৱলম্বী হোৱাৰ পিচত ময়ো তেনেকৈ ওলাই গৈ দেশে-বিদেশে ফুৰিম। কিন্তু সময়ত সদায় সঙ্কোচে হেঁচা মাৰি ধৰে — অকলে কেনেকৈ যাম? বাটে-পথে কিবা আপদ-বিপদ হ'বলৈ হ'লে কি হ'ব? ... মোৰ আৰু বেকপেক যোগাৰ কৰা হৈ নুঠেগৈ।

কেইবা বছৰৰ আগতে দূৰদৰ্শনৰ "সুৰভি" নামৰ অনুষ্ঠানটোৱে দৰ্শকক ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগত চিনাকি কৰাই দিছিল। কিমান যে সৌন্দৰ্য, কিমান ইতিহাস, কিমান ৰূপকথা, সংস্কৃতিৰ কিমান যে ছবি লুকাই আছে ভাৰতৰ চুকে-কোণে। "সুৰভি"য়ে লৈ যোৱা বেছিভাগ ঠায়েই, সচৰাচৰ, বিদেশী কিয় ভাৰতীয় পৰ্যটকৰো ভ্ৰমণ মানচিত্ৰত নাথাকে। অনুষ্ঠানটো চোৱা দিনতে তেনে এখন অগতানুগতিক ঠাইৰ নাম মোৰ পাবিলে চাবলগীয়া ঠাইৰ তালিকাত সোমাইছিল। পচমঢ়ী। প্ৰাকৃতিক সৌন্দৰ্যসন্ধানী পৰ্যটকে "সাতপুৰা পৰ্বতমালাৰ ৰাণী" নামকৰণ কৰা মধ্যপ্ৰদেশৰ মধ্যমণি স্বৰূপ এই ঠাইখনৰ নাম এতিয়াও হয়তো বহুতৰে বাবে অচিনাকি।

এদিন (দিন-বাৰ-তাৰিখ এতিয়া ভালকৈ মনত নাই) সহকৰ্মী কেইগৰাকীমানৰ লগত কথা পাতি থাকোতে দুদিনমানৰ কাৰণে ওচৰতে ক'ৰবাত ফুৰি অহাৰ কথা ওলাল। মোৰ পচমঢ়ীৰ কথা মনত পৰিল। দিল্লীৰপৰা বেছি দূৰো নহয়। মাত্ৰ এটা ৰাতিৰ ৰেলযাত্ৰা। লোকসভাৰ এগৰাকী সহকৰ্মী তিনিদিনীয়া কাৰ্যসূচীৰে গৈ ফুৰি আহিবলৈ সন্মত হ'ল। এদিন পচমঢ়ী, এদিন জব্বলপুৰ, আৰু এদিন ভূপাল। দিল্লীৰপৰা যাত্ৰাৰ সময়খিনি বেলেগ।

একেলগে চাৰি দিন বন্ধ থকা সপ্তাহ এটা চাই সহকৰ্মী নিশি আৰু মই এদিন গধূলি পচমঢ়ীৰ নিকটতম ৰেল ষ্টেচন পিপৰিয়ালৈ বুলি নতুন দিল্লীৰ হজৰত নিজামুদ্দিন ৰেল ষ্টেচনৰ পৰা ট্ৰেইনত উঠিলো। পিচদিনা খুব পুৱাতে পিপৰিয়া ষ্টেচনত নামি বাচেৰে প্ৰায় ৫০ কিলোমিটাৰ নিলগৰ পচমঢ়ীলৈ গ'লো। কোন সময়ত গৈছিলো পাহৰিছো যদিও "টুৰিষ্ট চীজন" নহয় বুলি মনত আছে। পচমঢ়ীত থকাৰ ভাল ব্যৱস্থা আছে বুলি শুনি আমি মাত্ৰ এদিনৰ বাবে আগতীয়া ব্যৱস্থা নকৰাকৈয়ে গৈছিলো। সেইখিনি পাই দেখিলো আমাৰ হিচাপত গণ্ডগোল হ'ল। সমুদ্ৰপৃষ্ঠৰপৰা প্ৰায় ৩৫০০ ফুট উচ্চতাত থকা পচমঢ়ী সৌন্দৰ্যৰ অন্য এক আকৰ। আৰু সেই ঠাইখন ভালকৈ চাবলৈ অন্ততঃ এসপ্তাহ আৰু হুৰামূৰাকৈ চাবলৈ কমেও তিনিদিন সময়ৰ প্ৰয়োজন। আমি গৈছিলো মাত্ৰ এটা দিনৰ বাবে। সেয়ে তাকে কৃপণৰ ধনৰ দৰে সামৰি তাৰ মাজতে যিমান পাৰোঁ পৰ্যটকৰ দৰ্শনীয় স্থান সাঙুৰি ল'বলৈ ঠিক কৰিলো।

বাচ ষ্টেণ্ডত নমাৰ লগে লগে বাচ ড্ৰাইভাৰ, টেক্সি ড্ৰাইভাৰ, গাইড, হোটেলৰ 'দালাল" আদিয়ে আমাক হেঁচা মাৰি ধৰিছিল। তেওঁলোকৰপৰা বাচিবৰ কাৰণে আমি এনেয়ে থকা ঠাই ঠিক কৰা আছে বুলি ক'লত গাইডসকল আগ বাঢ়ি আহিল। বাচ ষ্টেণ্ডৰপৰাই পচমঢ়ীৰ দৰ্শনীয় ঠাইসমূহ চাবৰ কাৰণে বাচ, টেক্সি আদি ল'ব পাৰি। ভাগীদাৰী ব্যৱস্থাতো টেক্সি লোৱাৰ সুবিধা আছে। আন যাত্ৰীৰ লগত যুটীয়াকৈ ল'লে পইচা কিছু ৰাহি হয় যদিও একেদৰে সময়বো ভাগ-বাটোৱাৰা কৰিব লাগিব বাবে আমি সেইবোৰ জঞ্জাল নলৈ নিজাকৈয়ে টেক্সি এখন ল'বলৈ ঠিক কৰিলো। টেক্সি মানে জীপ্‌চী গাড়ী। আমাৰ লগত গাইড হিচাপে থাকি যি চাব খোজোঁ দেখুৱাৰ দায়িত্ব লৈ এজন টেক্সি ড্ৰাইভা[illegible] আগ বাঢ়ি আহিল। এইবাৰ আমি তেওঁক ভাল চিনা-জনা হোটে[illegible] এখনলৈ লৈ যাবলৈ ক'লো। তেওঁ বাচ ষ্টেণ্ডৰ ওচৰৰে হোটে[illegible] এখনৰ কথা ক'লে। হোটেললৈ নিয়াৰপৰা দিনটো ফুৰাই-চ[illegible] ওভতাই অনালৈকে আমি তেওঁক ভাড়াত ল'লো।

হোটেলত গৈ গা-পা ধুই আমি আকৌ ওলাই আহি[illegible]

তেতিয়া বোধকৰো ন মান বাজিছিল। সৰু বজাৰখনৰ "শুদ্ধ শাকাহাৰী" ধাবা এখনতে (নিশি সম্পূৰ্ণ নিৰামিষাহাৰী) পুৱাৰ আহাৰ কৰিবলৈ ঠিক কৰিলো। হোটেলৰপৰা পচমঢ়ীত চাবলগীয়া ঠাইৰ "ব্ৰচিওৰ" লৈ আহিছিলো। ধাবাত গৰম আলুপৰঠাৰ কাৰণে বৈ থাকোতে, ড্ৰাইভাৰ-গাইডৰ সহায়ত কেনি যাব পাৰি, কি চাব পাৰি, কি এৰিব পাৰি আলোচনা কৰিলো।

প্ৰায় ৩২ কিলোমিটাৰ বৰ্গক্ষেত্ৰৰ পচমঢ়ীত প্ৰকৃতিপ্ৰেমী পৰ্যটক, তীৰ্থযাত্ৰী, জীৱবিজ্ঞানী, উদ্ভিদবিজ্ঞানী, প্ৰত্নতত্ত্ববিদ, ভূতত্ত্ববিদ আদি সকলোকে আকৰ্ষণ কৰিব পৰা সৰু-বৰ ৪৫ খনমান দৰ্শনীয় ঠাই আছে। পিচদিনা জব্বলপুৰ হৈ ভুপাললৈ গৈ তাৰ পিচদিনা দিল্লীলৈ ঘূৰাৰ ৰেলটিকট কৰা আছিল। গতিকে মাত্ৰ দুবেলাৰ ভিতৰতে 'ভুৰুকাত হাতী ভৰাবলৈ' চেষ্টা কৰিব লগা হ'ল। "গাইড"জনে ইতিমধ্যে ওচৰৰ দোকান এখনৰপৰা "সাতপুৰা শৃঙ্গাৰিকা পচমঢ়ী" নামৰ 'ভাৰত ফটো ষ্টুডিঅ',পচমঢ়ী"ৰ দ্বাৰা প্ৰকাশিত হিন্দী পুস্তিকা এখন লৈ আহিছিল। পচমঢ়ীৰ স্মৃতি ৰোমন্থনত ইণ্টাৰনেটৰ লগতে এই পুস্তিকাখন এতিয়া বিশেষ সহায়ক হৈছে।

ওখ-চাপৰ গছেৰে ভৰা ঘন সেউজীয়া হাবি, ওখোৰা-মোখোৰা শিলাময় পাহাৰ, গভীৰ খাদ, পাহাৰী ঝৰ্ণা, জলপ্ৰপাত, প্ৰাচীন শিলাস্তম্ভ, stalactite-stalagmite ৰে ভৰা গভীৰ গুহাৰে সৈতে পচমঢ়ী অপৰিসীম প্ৰাকৃতিক সৌন্দৰ্যৰ অধিকাৰী। মধ্য প্ৰদেশৰ গভীৰ অৰণ্যৰ মাজত লুকাই থকা দ্ৰাবিড়গোষ্ঠীয় গোণ্ড নামৰ আদিবাসী লোকে বসবাস কৰা "সাতপুৰা ৰাণী" পচমঢ়ীৰ সুন্দৰ ছবিখন প্ৰথম পোহৰলৈ আহিল উনৈশ শতিকাৰ মাজভাগত। ১৮৫৭ চনত কলকাতাৰপৰা ঝাঞ্চীৰ ৰাণী লক্ষ্মীবাঈৰ বিৰুদ্ধে বৃটিশ সেনাদলত যোগ দিবলৈ যোৱা বেঙ্গল লেন্সাৰ্চৰ কেপ্টেন জেম্চ ফৰচীথে যাত্ৰাপথত সেনা ছাউনিৰ বাবে উপযুক্ত ঠাই বিচাৰি ফুৰোতে মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ সাতপুৰা মালভূমিত প্ৰৱেশ কৰে। অসংখ্য জলপ্ৰপাতেৰে সমৃদ্ধ ঠাইখনৰ নৈসৰ্গিক সৌন্দৰ্যত মুগ্ধ হৈ তেওঁ তাতে সেনাৰ প্ৰশিক্ষণ শিবিৰ আৰু চিকিৎসালয় স্থাপন কৰে। ভাৰতৰ তৎকালীন বৃটিশ শাসকসকলে, কেপ্টেন ফৰচীথৰ আৱিষ্কাৰৰ পিচত, মধ্যপ্ৰদেশৰ (সেই সময়ত চেণ্ট্ৰেল প্ৰভিন্সেচ্) গৰমৰ প্ৰকোপৰ পৰা বাচিবলৈ পচমঢ়ীত তেওঁলোকৰ গ্ৰীষ্মকালীন শিবিৰ স্থাপন কৰিছিল। স্বাধীনতাৰ পিচত শ্যামাচৰণ শুক্লা চৰকাৰৰ সময়লৈকে এই নিয়ম চলি অহাৰ পিচত বৰ্তমান এই ঠাইখনে পৰ্যটন মানচিত্ৰত অন্যতম স্থান পাইছে। বছৰৰ সকলো ঋতুতে পচমঢ়ীয়ে বেলেগ বেলেগ ৰূপেৰে পৰ্যটকক আকৰ্ষণ কৰে বুলি কোৱা হয়। কেপ্টেন ফৰচীথৰ স্মৃতিত নিৰ্মিত বাইচন লজত পচমঢ়ীৰ চহকী সম্পদৰাজিৰ বিভিন্ন নিদৰ্শন সংৰক্ষণ কৰি ৰখা হৈছে।

পিছে, জনবিশ্বাসমতে মহাভাৰতৰ কালৰে পৰা পচমঢ়ীৰ অস্তিত্ব আছে। কৌৰৱৰ লগত পাশাখেলত হাৰি বনবাস খটাৰ সময়ত পাহাৰে-কন্দৰে ঘূৰি ফুৰোতে সাতপুৰাৰ পাহাৰৰ মাজত লুকাই থকা সুন্দৰ ঠাইখন দেখি পাঁচটা গুহা সাজি পাণ্ডৱসকল তাতে থাকিবলৈ লয়। হিন্দীত "মঢ়ী" শব্দৰ অৰ্থ "গুফা"। অসমীয়াত "গুহা"। একেলগে থকা পাঁচটা গুহাৰপৰা ঠাইখন "পঁচমঢ়ী" আৰু তাৰপৰা পিছত অপভ্ৰংশ হৈ "পচমঢ়ী" নামেৰে জনাজাত হৈ পৰে। দ্বাপৰ যুগত পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদী থাকি যোৱা সাতপুৰাৰ এই পাঁচটা গুহা এতিয়া "পাণ্ডৱ গুফা" নামেৰে পৰ্যটকৰ বিশেষ আকৰ্ষণৰ ঠাই। স্বাভাৱিকতে এই পাণ্ডৱ গুহা আমি নিশ্চয়কৈ চাবলগীয়া ঠাইৰ তালিকাত সোমাইছিল। চৰকাৰৰ উদ্যোগত পাণ্ডৱ গুহাৰ পাহাৰটোৰ পাদদেশত এখন সুন্দৰ উদ্যান আছে।

আমাৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি ড্ৰাইভাৰ গাইডজনে প্ৰথমতে পচমঢ়ী শব্দৰ উৎপত্তিৰ উৎস পাণ্ডৱ গুহা চোৱাৰ কথা ক'লে। সেই যাত্ৰাতে বাটতে পাই যোৱা ৰজত প্ৰপাত, অপ্সৰা বিহাৰ আৰু প্ৰাচীন শিলাখণ্ডত অঙ্কিত শৈলচিত্ৰ চাই আইৰো বাৰ্তা গঙ্গাৰো যাত্ৰা কৰিব পৰা হ'ব। ধাবাত আলুপৰঠা আৰু সুস্বাদু লচ্ছী খাই আমি খোলা জীপ্চীৰে যাত্ৰা আৰম্ভ কৰিলো। কিছু দূৰ যোৱাৰ পিচত এঠাইত জীপ ৰাখি আমাক শিলাময় জঙ্গলৰ মাজেৰে লৈ গ'ল। শিলৰ ওপৰেৰে যাওঁতে উজুটি-মুজুটি খাই আমি এফালে গছ-বনে ঢাক খাই থকা কেইটামান ওখ ডাঙৰ পাথৰ পালোগৈ। সকলোতকৈ ডাঙৰ পাথৰটোৰ কাষেৰে গৈ দেখিলো সেই শিলাখণ্ডৰপৰা যেন থিয়ৈ থিয়ৈ আধা কাটি মাজত কুৰুকি অলপ ঘোৰ খোৱা কৰি লোৱা হৈছে। সেই বিশাল শিলাখণ্ডত ৰঙা, বগা আৰু মটীয়া ৰঙেৰে মানুহ, পশু আদিৰ চিত্ৰ ৰেখাঙ্কণ কৰা আছে। খৃষ্টীয় ৫০০ ৰপৰা ৮০০ চনৰ ভিতৰত অঙ্কিত বুলি অনুমান কৰা এই চিত্ৰসমূহ আজি হাজাৰ হাজাৰ বছৰৰ পিচতো স্পষ্ট হৈ থকা কথাটোৱে সেই সময়ৰ আদিম অধিবাসীসকলৰ শৈলচিত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সঁজুলি নিৰ্মাণত দক্ষতাৰ পৰিচয় দিয়ে। সেই শিলাস্তূপৰ কাষেৰে নামিবলৈ লৈ প্ৰকাণ্ড পাথৰৰ দেৱাল এখনৰ পৰা পথালিকৈ বাঢ়ি যোৱা ফুলেৰে জাতিষ্কাৰ গছ এজোপা দেখি বৈ গ'লো। ক'ৰবালৈ যাওতে অ'ত ত'ত দেখা কিছুমান দৃশ্য মনত খোপনি পুতি বৈ যায়। সেইটোও তেনে এটা দৃশ্য আছিল। অলপ ওচৰৰপৰা ফটো এখন তুলিবৰ ইচ্ছা কৰিলত কেনেবাকৈ ভৰি পিচল খাই বুলি নিশিহঁতে নিদিলে।

প্ৰাচীন শৈলচিত্ৰসমূহ এৰি আমি পাণ্ডৱ গুহালৈ বুলি আগ



Scanned by CamScanner

বাঢ়িলো। পচমঢ়ী সংৰক্ষিত অভয়াৰণ্যৰ আৰম্ভণিতে এটা নাতি উচ্চ বালি-শিল (sandstone) পাহাৰৰ গা কাটি নিৰ্মাণ কৰা পাঁচটা গুহাই সাতপুৰাৰ বনাঞ্চলক বিশেষত্ব প্ৰদান কৰিছে। গুহাবোৰৰ নিৰ্মাণশৈলী আৰু পাহাৰটোৰ ওপৰৰ ইটাৰ গাঁথনিৰ স্তুপটোৰপৰা প্ৰত্নতত্ত্ববিদসকলে এইবোৰ সম্ৰাট অশোকৰ ৰাজত্বকালত কোনোবা বৌদ্ধভিক্ষুৱে নিৰ্মাণ কৰা বুলি মত প্ৰকাশ কৰে। আন কোনোবা পণ্ডিতে কয় গুপ্ত যুগত এইঠাইত বৌদ্ধবিহাৰ আছিল। মহাভাৰত যুগৰ পঞ্চপাণ্ডৱৰ কাহিনীটোৱেই কিন্তু অধিক প্ৰচলিত। গুহাকেইটাৰ ভিতৰত সকলোতকৈ আহল-বহল আৰু পোহৰ আৰু বতাহৰ ব্যৱস্থা থকা গুহাটোৰ নাম দ্ৰৌপদী কুটী। একোণত এটা চৌকা আৰু ধোৱাঁলগা বেৰ দেখুৱাই গাইডে ক'লে সেইখিনিতে দ্ৰৌপদীয়ে ৰন্ধা-বঢ়া কৰিছিল। সকলোতকৈ আন্ধাৰ গুহাটো বোলে ভীমৰ আছিল। নাম ভীম কোঠৰী। বৰ্তমান এই গুহাবোৰ আৰ্কিঅ'লজিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ তত্বাৱধানত আছে।

তাৰপৰা আমি অপ্সৰা বিহাৰ আৰু ৰজত প্ৰপাতৰ পথ ল'লো। পাহাৰী বাটত কেতিয়াবা উঠি, কেতিয়াবা নামি কৰা যাত্ৰা নিচেই সহজ নাছিল। আনহাতে, আমি নিজাকৈ গাড়ী ভাড়া কৰি গৈছিলো যদিও অকলশৰীয়া নাছিলো। আমাৰ দৰে যোৱা আন বহুত যাত্ৰী বাটত আমাৰ সঙ্গী হৈ পৰিছিল। পচমঢ়ীৰ সৌন্দৰ্যৰ কথা শুনিয়ে মধুচন্দ্ৰিকা যাপন কৰিবলৈ যোৱা কেইবাযোৰা নবদম্পতী লগ পাইছিলো। হাঁহি নোহোৱা ভাগৰুৱা মুখৰ, গিৰিয়েকহঁতৰ পিচে পিচে প্ৰায় ভৰি চোঁচৰাই যোৱা, কমবয়সীয়া ন-কইনা কেইজনীক দেখি আমাৰ বেয়াই লাগিছিল — আইঐ দেহি, কিমান আশাৰে চাগে' নিৰ্মল প্ৰকৃতিৰ মাজত মধুচন্দ্ৰিকা যাপন কৰিবলৈ আহিছিল! পিচে তললৈ নামি গৈ সেউজীয়া গছ-গছনিৰ মাজত অপ্সৰা বিহাৰৰ শান্ত কুণ্ডটোত ওপৰৰপৰা হৰ্ হৰাই পানী পৰি থকা দৃশ্যটো দেখাৰ পিচত দেহাৰ ভাগৰ,মনৰ অসন্তুষ্টি নিমিষতে ক'ৰবালৈ পলাই যায়। কোনো কোনোৱে তাৰ পানীত নামি খেলা দেখিছিলো। আমি পিছে আঁতৰৰ পৰাহে চালো। প্ৰবাদমতে বৃটিশে ছাউনি পাতি থকাৰ সময়ত কোনোবা আদিবাসীয়ে তাত বগা চাহাবৰ পত্নীসকলে সাঁতুৰি-নাদুৰি থকা দেখা পাই তেওঁলোকৰ দেহৰ বৰণ দেখি স্বৰ্গৰ পৰা অপ্সৰা নামি আহি জলক্ৰীড়া কৰা বুলি ভাবি সেই কুণ্ড আৰু প্ৰপাতৰ নাম অপ্সৰা বিহাৰ ৰাখে।

অপ্সৰা বিহাৰৰপৰা আধাকিলোমিটাৰমান নিলগত আছে ৰজত প্ৰপাত। সেউজীয়া গছ-গছনিৰ মাজেৰে ২০০ ফুট ওপৰৰপৰা পাহাৰৰ গায়েদি তললৈ নামি অহা জলৰাশিয়ে সূৰ্যৰ পোহৰত ৰূপৰ দৰে জল্ মলাই চকু চাট মাৰি ধৰাৰ বাবেই এই প্ৰপাতৰ নাম হ'ল ৰজত প্ৰপাত।

ওখ মালভূমিখনৰপৰা তললৈ নামি অহা সৰু- ডাঙৰ অসংখ্য জলধাৰাৰ বাবে পচমঢ়ীৰ আন এটা নাম জলপ্ৰপাতনগৰী। আৰু এই জলপ্ৰপাতনগৰীৰ সকলোতকৈ বিখ্যাত আৰু ডাঙৰ জলপ্ৰপাত দুটা হ'ল যমুনা প্ৰপাত ওৰফে বী ফল্‌চ আৰু জলাৱতৰণ বা ডাচেজ্ ফল্‌চ। সকলোতকৈ ওখ যমুনা প্ৰপাতৰ জলধাৰাৰ শব্দ দূৰৈৰপৰা মৌমাখিৰ গুঞ্জণৰ নিচিনা শুনি বাবেই বোলে ইয়াৰ নাম ইংৰাজীত বী ফল্‌চ। আকৌ, কোনোবাই কয়, এই জলধাৰাৰ পানী গাত পৰিলে মৌমাখিয়ে বিন্ধা যেন লাগে। পচমঢ়ীতে শুনিলো, কুৰি শতিকাৰ শেষৰ দশক তিনিটাত জনপ্ৰিয় হোৱা গা-ধোৱা চাবোন "লিৰিল"ৰ বিজ্ঞাপনৰ দৃশ্যগ্ৰহণ বোলে এই জলপ্ৰপাততে হৈছিল। প্ৰথমগৰাকী মডেলৰ দৃশ্যগ্ৰহণৰ সময়ত বোলে জোঁকে খাই আৰু ঠাণ্ডা লাগি অৱস্থা নাইকিয়া হৈছিল। পিচত তেওঁৰ মৃত্যু হয়। এনে প্ৰবাদ চলি থাকিলেও পিচে বী ফল্‌চৰ সৌন্দৰ্যই সদায় পৰ্যটকক আকৰ্ষণ কৰি আছে। বী ফল্‌চৰপৰাই পচমঢ়ী নগৰত পানীৰ যোগান ধৰা হয়।

জলাৱতৰণ বা ডাচেজ্ ফল্‌চৰ দূৰত্ব সকলোতকৈ বেছি আৰু যাত্ৰা আটাইতকৈ কঠিন অথচ সৌন্দৰ্য অতুলনীয় বুলি কয়। কিন্তু, দুৰ্ভাগ্যবশতঃ, আগতীয়া পৰিকল্পনা নকৰা কাৰণে পচমঢ়ীৰ পৰ্যটক মানচিত্ৰত আগ ঠাই পোৱা এই দুয়োটা জলপ্ৰপাতৰ এটাও আমি চাব নোৱাৰিলো।

অপ্সৰা বিহাৰ আৰু ৰজত প্ৰপাত চোৱাৰ পিচত ড্ৰাইভাৰে আমাক জটাশঙ্কৰ দেখুৱাবলৈ লৈ গ'ল। শিৱৰ জটাৰ আকৃতিৰ পাহাৰ এটাৰ গুহাৰ পৰাই এই জটাশঙ্কৰ নাম। দেৱভূমি ভাৰতত মানুহে সহজেই প্ৰকৃতিৰ মাজত নিজৰ আৰাধ্য দেৱ-দেৱীৰ আকৃতি দেখিবলৈ পায়। জটাশঙ্কৰো তেনে এক ঠাই। জনবিশ্বাসমতে ভস্মাসুৰৰ আৰাধনাত সন্তুষ্ট হৈ শিৱই তেওঁক যিহতে হাত দিয়ে তাকে ভস্ম কৰিব পৰা শক্তি বৰ দান দিয়ে। প্ৰমাণ চাবৰ কাৰণে অসুৰে শিৱৰ মূৰতে হাত দিব খুজিলত পলাই ফুৰা শিৱই উপায়ান্তৰ হৈ সাতপুৰাৰ পাহাৰত জটা খুলি গুহাৰ ভিতৰত লুকায়গৈ। অৱশেষত মোহিনীৰূপী বিষ্ণুৱে ছলনাৰে ভস্মাসুৰক নিজৰ মূৰতে প্ৰমাণ চাবলৈ কৈ শিৱক ৰক্ষা কৰে। বৰ্তমান গুহাৰ ভিতৰত থকা চূণশিলৰ বিভিন্ন আকৃতিবোৰৰ মাজত ভক্ত পৰ্যটকে শিৱৰ অনুচৰবৰ্গ আৰু অন্যান্য দেৱ-দেৱীৰ প্ৰতিকৃতি দেখিবলৈ পা[illegible]। গুহাৰ ভিতৰলৈ যাবলৈ চিৰি আৰু লাইটৰ সুব্যৱস্থা আছে।

পচমঢ়ীৰ পাহাৰে-কন্দৰে এনে বহুতো পৌৰাণিক কা[illegible] ঐতিহাসিক ঘটনা স্বাক্ষৰিত হৈ আছে। সাতপুৰাৰ উচ্চতম চৌৰাগড়ৰ শিৱমন্দিৰ শিৱভক্তৰ পীঠস্থান। মনোবাঞ্চা সিদ্ধিৰ ক[illegible] ভক্তজনে তাত ত্ৰিশূল দান দিয়ে। মন্দিৰৰ বাটত তেনে অ[illegible] ত্ৰিশূলৰ দৃশ্য বোলে অতি মনোৰম। আমাৰ যোৱাৰ সৌ[illegible]



Scanned by CamScanner

নহ'ল। আন নহ'লেও মানুহৰ বিশ্বাস দেখিলেও এনে ঠাইত মনলৈ ভক্তি আহে। ডিগবৈৰ ওচৰত দেখিছিলো "টিলিঙাবাবাৰ মন্দিৰ"। তাত টিলিঙা আৰু ঘণ্টাৰ দ'ম দেখি অবাক হৈছিলো। অৱশ্যে, প্ৰায় সকলো মন্দিৰ, দৰগাহ আদিত অভীষ্ট সিদ্ধিৰ অৰ্থে ভক্তই কিবা নহয় কিবা থৈ যোৱাৰ প্ৰথা আছে।

পচমঢ়ীৰ সূৰ্যাস্ত অতি নয়নাভিৰাম আৰু বিশেষ চাবলগীয়া বুলি শুনিলো। ইতিমধ্যে সূৰ্যৰ অস্তাচল গমন আৰম্ভ হৈছিলেই। জটাশঙ্কৰ এৰি আমি টাউনৰপৰা ১০ কিলোমিটাৰ মান নিলগৰ ধূপগড়ৰ "চানচেট পইণ্ট"ৰ বাট ল'লো। যাওঁতে ড্ৰাইভাৰে এইফালে চৌৰাগড়ৰ ৰাস্তা, সৌফালে বী ফল্‌চ, ডাচেজ্ ফল্‌চলৈ যায় আদি কৈ গ'ল। চকা-মকাকৈ দেখা দূৰৰ পাহাৰ এটা দেখুৱাই ক'লে, "হাঁহি থকা পাহাৰ"। পিচত ছবিত দেখিছোঁ, আচৰিত! পাহাৰটোৰ গাত এনেকুৱাকৈ গছ-বন নোহোৱা ঠাই কেইটুকুৰামান আছে যেন কাৰোবাৰ দাঁত উলিয়াই হাঁহি থকা মুখহে।

এইবাৰ এঠাইত, মূল ৰাস্তাৰপৰা আমাৰ গাড়ী হাবিৰ ভিতৰলৈ সুমুৱাই নিলে। গাড়ী ৰাখি অলপ খোজ কাঢ়ি গৈ প্ৰকাণ্ড, অতল খাৱৈ এটাৰ ওপৰত থিয় হ'লো। সেইখিনি ঠাইৰপৰা পচমঢ়ী বনাঞ্চলৰ সামগ্ৰিক ৰূপ দেখা যায়। তাতে থিয় হৈ কেপ্টেন ফৰচীথ পচমঢ়ীৰ সেউজীয়া প্ৰকৃতিৰ ৰূপত অভিভূত হোৱাৰ বাবে ঠাইখনৰ নাম হৈছিল "ফৰচীথ পইণ্ট"। কিন্তু ১৯৬৪ চনত ইন্দিৰা গান্ধীয়ে সেই ঠাইত থিয় হৈ তাৰ সৌন্দৰ্য উপভোগ কৰাৰ পিছৰ পৰা ঠাইখনৰ নতুন নামকৰণ হ'ল "প্ৰিয়দৰ্শিনী পইণ্ট"।

অৰুণাচল প্ৰদেশৰ টাৱাঙৰ "মাধুৰী লে'ক"ৰ ছবিখন মোৰ চকুৰ আগত ভাঁহি উঠিল। ১৯৫০ চনৰ বৰ ভুঁইকঁপত প্ৰকাণ্ড গছ-গছনিৰে সৈতে এটা পাহাৰ বহি গৈ তাৰ ঠাইত এটা হ্ৰদৰ সৃষ্টি হৈছিল। স্থানীয় ভাষাত "ছাঙ্গে চ'(Change Tso)" নামৰ হ্ৰদটো তাৰ শান্ত, মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে পৰ্যটন মানচিত্ৰত "পেৰেডাইজ লে'ক" নামে জনাজাত। পিছে, "কয়লা" নামৰ হিন্দী কথাছবিখন কৰিবলৈ চিত্ৰতাৰকা মাধুৰী দীক্ষিত আৰু শাহৰুখ খান সেই ঠাইলৈ যোৱাৰ পিচৰ পৰা স্থানীয় লোকসকলে তাৰ নতুন পৰিচয় দিলে "মাধুৰী লে'ক"। এনেকৈয়ে একোজন বিখ্যাত ব্যক্তিৰ পদাৰ্পণে জনমানসত কেতিয়াবা একোখন সুখ্যাত ঠাইৰো নাম-পৰিচয় সলাই দিয়ে।

যি হওক, ফৰচীথ বা প্ৰিয়দৰ্শিনী পইণ্টৰ পৰা তললৈ চাই পঠিয়ালে পাহাৰবোৰৰ মাজত এক ভয়াবহ গভীৰ খাৱৈ। সুগভীৰ বন্ধন পাত্ৰ এটাৰ দৰে গভীৰতাৰ বাবে তাৰ নাম "হান্দি খোহ্"। গাইডজনৰ নিৰ্দেশত আমি তাত এনেয়ে কিবা কৈ প্ৰতিধ্বনি শুনিলো।

ইতিমধ্যে আমাৰ অলপ ভাগৰ লাগিছিল। তাত বহিৰৰ বাবে ব্যৱস্থা কৰি থোৱা দেখা পাই অলপ বহি লগত লৈ যোৱা আলুপৰঠা আৰু পানী খাই, ক্ষন্তেক জিৰণি লৈ আকৌ যাত্ৰা আৰম্ভ কৰিলো। সেই যাত্ৰাৰ পচমঢ়ীৰ শেষ গন্তব্যস্থল ধূপগড়। সেউজীয়া গছ-গছনিৰ মাজেৰে গৈ আমি গাড়ী ৰাখিবৰ কাৰণে নিৰ্দিষ্ট কৰি থোৱা ঠাই পালোগৈ। ইতিমধ্যে তাত বহুত গাড়ী গোট খাইছিল। ওপৰলৈ গৈ দেখিলো সুপৰিকল্পিত ঠাইখনত মানুহৰ ভিৰ। পৰ্যটকে বহি সূৰ্যাস্ত উপভোগ কৰিবৰ কাৰণে ধাপে ধাপে বহাৰ ব্যৱস্থা কৰা আছে। সকলোৰে দৃষ্টি পশ্চিম আকাশত। দূৰৰ পাহাৰৰ সেউজীয়াবোৰ ক্ৰমশঃ ধূসৰ হৈ আহিছিল। ওপৰৰ আকাশত ৰাঙলী আভা লৈ বিৰাট ৰঙা থালখন যেন বেলিটো। কোন মুহূৰ্তত বেলিটোৱে পাহাৰৰ পিচফালে টুপ্‌কৈ বুৰ মাৰে ঠিক নাই। তাৰ মাজতে দেখিলো আমাৰ কাষত এহাল দম্পতী ওলোটা ফালে মুখ কৰি থিয় হৈ আছে। ঔৎসুকতা আছিল যদিও বেলি ডুবাৰ মুহূৰ্তটো হেৰুৱাওঁ বুলি তেতিয়াই একো নুসুধিলো। হঠাৎ মানুহবোৰ চঞ্চল হৈ উঠিল। কাৰোবাৰ উল্লাস, কাৰোবাৰ ওভটাৰ ব্যগ্ৰতা। বেলি ডুবিল। তলৰ পাহাৰবোৰ আন্ধাৰ। ওপৰত এটা ধূসৰ পোহৰ। সুন্দৰ দৃশ্য। সেই ব্যস্ততাৰ মাজতে পিচে মই ছেগ বুজি কাষৰ দম্পতীহালক মাত দিলো। তেওঁলোক মহাৰাষ্ট্ৰৰ কোনোবা এখন ঠাইৰপৰা গৈছিল। মোৰ ঔৎসুকতা নিবাৰণ কৰিবলৈ সূৰ্যাস্তৰ ফালে পিঠি দিয়াৰ কাৰণ সুধিলত ক'লে তেওঁলোকৰ সামাজিক পৰম্পৰাত সূৰ্যাস্তক মৃত্যুৰ সমপৰ্যায়ত লয় বাবে তেওঁলোকে কেতিয়াও সূৰ্যাস্ত নাচায়। এফালৰপৰা চালে মিছাও নহয়, জীৱন সূৰ্য অস্ত গ'লেইতো মৃত্যু! এইখন ভাৰততে যে কিমান নিয়ম। সঁচাকৈয়ে বিবিধতাৰ মাজত একতা। দিল্লীত এজন পাৰ্চী মানুহৰ মৃত্যুৰ খবৰ কৰিবলৈ যাওঁতে দেখিছিলো তেখেতৰ মৃত্যুৰ সময়টো বন্দী কৰি বেৰৰ ঘড়ীটো ওলোটাকৈ ওলমাই থৈছে।

যি হওক, ধূপগড়ৰ সূৰ্যাস্ত চোৱাৰ লগতে আমাৰো, অন্তত . সেই যাত্ৰালৈ, পচমঢ়ী দৰ্শন শেষ হ'ল। যেতিয়াই ক'ৰবালৈ ফুৰিবলৈ গৈছোঁ, 'আকৌ বা অহা হয় নে নহয়, আগতীয়া পৰিকল্পনা নকৰিলো কেলেই' বুলি নিজৰ মনতে ধিক্কাৰৰ ভাব এটা লৈ ওভতোঁ। পচমঢ়ী যাত্ৰাতো তাৰ ব্যতিক্ৰম নহ'ল। তথাপি, যি দেখিলো সিয়ে মনত গভীৰ সাঁচ বহুৱাই থৈছে। এটা ব্যস্ত কিন্তু সুন্দৰ দিনৰ স্মৃতি সামৰি হোটেললৈ গ'লোগৈ। পিচদিনা পুৱাই পচমঢ়ীক বিদায় দিয়াৰ কথা।

উল্লেখযোগ্য যে বিভিন্ন ধৰণৰ প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ পচমঢ়ীক ২০০৯ চনৰ পৰা UNESCO ই Biosphere Reserve ঘোষণা কৰিছে। পচমঢ়ী এতিয়া এক সংৰক্ষিত অঞ্চল। ♦



Scanned by CamScanner



# শ্ৰীমন্ত শংকৰদেৱৰ সংঘ

**ডাঃ কুলেন দাস**
*ফোনঃ ৯৮৬৮১৭৪৩৫৬*

বিংশ শতিকাৰ প্ৰাৰম্ভণিতে দেশৰ লগতে অসমতো বিভিন্ন ধৰণৰ আন্দোলন চলিছিল। তাৰে ভিতৰত ৰীতি নীতি পৰিৱৰ্তন, ধৰ্ম সংস্কৃতিৰ আন্দোলন আছিল অন্যতম। বিচলিত অসমীয়া সমাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ (১৪৪৯-১৫৬৮) প্ৰৱৰ্ত্তিত "এক শৰণ নাম ধৰ্ম" ও সংস্কাৰ বিদ্বেষী লোকৰ ন্যস্ত স্বাৰ্থৰ অশুভ শক্তিৰ সন্মুখীন হৈছিল। ৰাজনৈতিক বিভাজনৰ লগে লগে সামাজিক ক্ষেত্ৰত মানুহৰ মাজত বিভেদকৰণ, পাহাৰ ভৈয়ামৰ জনজাতি আদিৰ বিভাজনে অসমত মূৰ তুলি উঠিছিল। এইবোৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত নাম ধৰ্মৰ সম্পূৰ্ণ বিপৰীত। জ্ঞানী পণ্ডিত সকলে এনে আক্ৰমণ প্ৰতিহত কৰি শংকৰী ধৰ্ম-সংস্কৃতিক আগুৱাই আনিবলৈ যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। এই মহান ব্যক্তিসকলৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, ডাঃ মহেশ্বৰ নেওগ, ভুবন চন্দ্ৰ ভূঞা, সোনাৰাম চুতীয়া আদি অন্যতম।

অন্যহাতে ইয়াৰ মাজতেই গাঁৱে ভূঁঞে 'নামঘৰ'ত শ্ৰীমন্ত শংকৰদেৱ মাধৱদেৱ বিৰচিত গীত, মাত, নৃত্য, ভাওনা আদি শ্ৰীমন্ত শংকৰদেৱৰ আৰ্হিত চলি আছিল। আনকি সৰু-বৰ ধৰ্মীয় সভা পাতি 'কীৰ্ত্তন নামঘোষা' ব্যাখ্যা আদিও চলি আছিল। "নামঘৰ" হ'ল জাতি-বৰ্ণ-ভাষা-ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে অসমৰ সকলো লোককে সংগবদ্ধ কৰি ৰখা একতাৰ এনাজৰীৰ মূল স্থল বা কাৰ্যাশালা। এনে সভাবোৰৰ মূল উদ্দেশ্য আছিল শ্ৰীমন্ত শংকদেৱ প্ৰৱৰ্তিত "নামধৰ্ম"ৰ মাজেৰে ধৰ্ম-সংস্কৃতিৰে পাহাৰ-ভৈয়ামৰ সকলো জাতি-উপজাতিক একতাৰ বান্ধোনেৰে বান্ধি বৃহৎ অসমীয়া সমাজখনক জীয়াই ৰখাৰ লগতে টনকিয়াল কৰাৰ। এনেবোৰ কাৰ্যত আইন শৃংখলা অটুট ৰখা বা সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাটোও অত্যন্ত দৰকাৰী আছিল। কাৰণ বিভিন্ন জনগোষ্ঠী, বিভিন্ন সম্প্ৰদায়ৰ লোক জড়িত থকা এই কাৰ্যবোৰত সকলোৰে মিলাপ্ৰীতি, সহযোগ অতি জৰুৰী। গাঁৱৰ সহজ-সৰল হালোৱা হজুৱা মানুহকে আদি কৰি বয়োজ্যেষ্ঠ গুণী জ্ঞাণী ধৰ্ম পৰায়ণ লোক সকলৰ অৱদান যে যথেষ্ঠ পৰিমাণে আছিল তাক নুই কৰিব নোৱাৰি। ধৰ্ম-শাস্ত্ৰ পাঠৰ যোগেদি সমাজৰ আধ্যাত্মিকতাৰ চিন্তা চৰ্চাক বিকাশিত কৰাত এই সভা সমূহে বিশেষ ভূমিকা লোৱাতো পৰিলক্ষিত হয়।

অসমৰ বিভিন্ন প্ৰান্তৰ গাঁও সমূহত এনেবোৰ ধৰ্মসভা বিভিন্ন নামত চলি আছিল। তাৰ ভিতৰত নগাঁৱৰ পলাশনি গাঁও আৰু ইয়াৰ চুবুৰীয়া সীমাৱৰ্তী গাঁওসমূহে মিলিজুলি পতা "জ্ঞান মালিনী সভা" বিশেষ উল্লেখনীয় আছিল। ইয়াৰ বাহিৰেও নগাঁৱৰ, মৰিগাঁও, বাৰপূজীয়া, কামপুৰ, বৰপেটা, শুৱালকুচি, গোলাঘাটৰ ঢেকিয়াল আদিত এনেবোৰ ধৰ্ম সভা সক্ৰিয় আছিল।

শ্ৰীমন্ত শংকদেৱৰ সেৱক বৰদোৱাৰ ৰমাকান্ত মুক্তিয়াই পলাশনিৰ "জ্ঞান মালিনী সভা"ত নিয়মীয়া ভাৱে ভাগ লৈছিল। তেখেতে 'এক শৰণ নাম ধৰ্ম'ৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজক সহজ-সৰল ভাষাত ব্যাখ্যা কৰি ৰাইজক মোহিত কৰিছিল। মুক্তিয়াই নামধৰ্মৰ প্ৰচাৰৰ বাবে ৰাইজক অনুৰোধ কৰিছিল।

১৯২৮ চনত নগাঁও মিউনিচিপেলিটি বৰ্ডৰ চেয়াৰমেন বীৰেন মহন্তদেৱৰ বাসগৃহতে লোকসেৱক হলধৰ ভূঞাই ৰমাকান্ত মুক্তিয়াক লগ পাইছিল আৰু এই মিলনে পৰৱৰ্ত্তী সময়ত ইতিহাস ৰচনা কৰিছিল।

ৰমাকান্ত মুক্তিয়া বৰদোৱাৰ এজন ভকত আৰু শ্ৰীমন্ত শংকৰদেৱৰ সেৱক আছিল। সহজ সৰল মাৰ্জ্জিত আচৰণৰ ভকত ৰমাকান্ত মুক্তিয়াৰ ধৰ্মশাস্ত্ৰ পাঠক আৰু বিখ্যাত পণ্ডিতো আছিল। তেখেতৰ ধৰ্মশাস্ত্ৰৰ বাখ্যা, মিঠা সুললিত কণ্ঠেৰে পৰিৱেশন কৰা শ্ৰীমন্ত শংকৰেদেৱ মাধৱদেৱৰ ধৰ্ম্মীয় গীতেৰে উপস্থিত ৰাইজক মোহিত কৰি নগাঁও অঞ্চলত প্ৰসিদ্ধ হৈ পৰিছিল। লোকসেৱক হলধৰ ভূঞাই এই কথা জানিছিল। লোকসেৱক হলধৰ ভূঞাদেৱে মুক্তিয়াক সংঘবদ্ধ ভাৱে পলাশনিৰ 'জ্ঞান মালিনী সভা'ক আগবঢ়াই "এক শৰণ নামধৰ্ম" প্ৰচাৰৰ পৰামৰ্শ দিছিল।

শ্ৰীমন্ত শংকৰদেৱৰ সেৱক ৰমাকান্ত মুক্তিয়াই ১৯৩০ চনত পলাশনিত অনুষ্ঠিত 'জ্ঞান মালিনী সভা'ত ৰাইজৰ আগত বিনয় ... অনুৰোধ কৰিছিল যে এনে সভাৰ নামৰ লগত "শ্ৰীমন্ত শংকৰদে... নামটোও জড়িত কৰিবলৈ। বহু আলোচনাৰ পাছত উপস্থিত অধিকাংশ লোকৰ সন্মতি সাপেক্ষে অনুষ্ঠানটিক 'শংকৰ ... নামেৰে নামাকৰণ কৰিছিল। এনে কাৰ্যত বহুলোক ক্ষুন্নও হৈ... নতুন নামেৰে নামাকৰণ কৰা 'শংকৰ সংঘ'ৰ প্ৰথম কাৰ্যকৰী সভা... আৰু সম্পাদক আছিল ক্ৰমে ওয়নি গাঁৱৰ মনিপদ বৰা আৰু পলা...



Scanned by CamScanner

গাঁৱৰ সনৎ ৰাম বৰা। 'শংকৰ সংঘ' গঠিত হোৱাৰ পাছতে সমগ্ৰ অসমতে ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰে আৰু সকলো জনগোষ্ঠীয়ে ইয়াক আদৰিবলৈ ল'লে।

"শংকৰ সংঘ"ৰ মূল সমিতিৰ সিদ্ধান্ত ক্ৰমে পিছলৈ জিলা, আঞ্চলিক আৰু গাঁৱত প্ৰাথমিক কমিটি স্থাপন কৰা হৈছিল। জিলা ভিত্তিক প্ৰথম "শংকৰ সংঘ"ৰ সভা অনুষ্ঠিত হৈছিল নগাঁৱৰ পলাশনি গাঁৱত ১৯৩২ চনত। ইয়াতেই প্ৰতি বছৰে 'শংকৰ সংঘ'ৰ বাৰ্ষিক অধিৱেশন পালন কৰিবলৈ সিদ্ধান্ত লয় আৰু অসমৰ বাকী জিলা সমূহৰ ধৰ্মসভা সমূহক "শংকৰ সংঘ"ৰ অন্তৰ্ভূক্ত হবলৈ অনুৰোধ কৰে। ১৯৩৫ চনত নগাঁৱৰ কলং পাৰত অনুষ্ঠিত হোৱা বাৰ্ষিক অধিৱেশনত সভাপতিত্ব কৰিছিল পদাধিকাৰ নীলমণি ফুকন ডাঙৰীয়াদেৱে। তেখেতৰ ভাষণত "শংকৰ সংঘ"ৰ নামৰ আগত "শ্ৰী শ্ৰী" লগাই সংঘৰ নাম "শ্ৰীশ্ৰী শংকৰ সংঘ" নামেৰে নামাংকৃত কৰিলে ভাল হ'ব বুলি পৰামৰ্শ আগবঢ়াইছিল। সেই অধিৱেশনতে এই পৰামৰ্শক প্ৰস্তাৱিত হৈ অনুষ্ঠানটিক "শ্ৰীশ্ৰী শংকৰ সংঘ" নামেৰে নামাকৰণ কৰে।

১৯৭০ চনত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত বাৰ্ষিক অধিবেশনত "শ্ৰীশ্ৰী শংকৰ সংঘ"ক "শ্ৰীমন্ত শংকৰদেৱ সংঘ" নামেৰে পুনৰ নামাকৰণ কৰা হয়। তেতিয়াৰে পৰা অসমৰ বিভিন্ন জনগোষ্ঠীয়ে আদৰি লোৱা এই অনুষ্ঠানটি "শ্ৰীমন্ত শংকৰদেৱ সংঘ" নামেৰে পৰিচিত হয়।

"শ্ৰীমন্ত শংকৰদেৱ সংঘ"ৰ মূল কাৰ্যালয় নগাঁৱৰ কলং পাৰত। শ্ৰীমন্ত শংকদেৱে প্ৰতিষ্ঠা কৰা আৰু দেখুৱাই যোৱা আৰ্হিৰে সম্পূৰ্ণ ধৰ্মীয়, সাংস্কৃতিক, সামাজিক, আধ্যাত্মিক আৰু নৈতিক আদৰ্শৰে গঢ়ি উঠা "শ্ৰীমন্ত শংকৰদেৱ সংঘ" এটা গণতান্ত্ৰিক অনুষ্ঠান মাথোন। *(এই অনুষ্ঠানটো গঢ়ি তোলাত গাঁও চহৰৰ বয়োজ্যেষ্ঠ লগতে ডেকা-গাভৰু, আই-মাতৃ সকলৰ জ্ঞানীগুণী পণ্ডিত সকলৰ অসমীয়া জাতি-জনজাতিসকলৰ, নামধৰ্মৰ সেৱক-সেৱকীসকলৰ বিশেষ অৱদান আৰু স্বাৰ্থহীন কষ্টক নতশিৰে প্ৰণাম জনাইছোঁ।)*

সহজ-সৰল গাঁৱৰ ৰাইজৰ লগতে নামধৰ্মৰ সেৱক-সেৱকী সকলোকে আদি কৰি অসমৰ গুণী জ্ঞানী মহান ব্যক্তি সকলৰ স্বাৰ্থহীন কষ্টত গঠিত হোৱা এই মহান অনুষ্ঠানটিয়ে মহাপুৰুষ দুজনাৰ বিৰচিত ৰচনাসমূহ বিশ্বৰ বিভিন্ন ভাষালৈ অনুবাদ কৰি বিশ্ব দৰবাৰত আগবঢ়াই দিয়াটো এক গুৰুত্বপূৰ্ণ প্ৰশংসনীয় কাৰ্য। ইতিমধ্যে সংঘই ৰাজ্যখনত ৬ হেজাৰতকৈ বেছি প্ৰাথমিক সভা আৰু ৬০ খনতকৈ বেছি বিদ্যালয় স্থাপন কৰিছে। "শ্ৰীমন্ত শংকৰদেৱ সংঘ"ৰ দ্বাৰা বৰদোৱাত প্ৰতিষ্ঠাপিত "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়"ত পাঠদান আৰম্ভ হৈছে।

"শ্ৰীমন্ত শংকৰদেৱ সংঘ"ই জাতি বৰ্ণ নিৰ্বিশেষে, পাহাৰে ভৈয়ামৰ জাতি-জনজাতি সকলোকে শংকৰী ধৰ্ম-সংস্কৃতি, কলা-কৃষ্টিৰে একতাৰ দোলেৰে বান্ধি শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক আগুৱাই নি বিশ্বত সুপ্ৰতিষ্ঠিত কৰিব বুলি ৰাইজে আশা কৰে। জয়গুৰু শ্ৰীমন্ত শংকৰদেৱ। ♦

"চুকাফাৰ আগমনৰ দিনটোক যদি ৰাজনৈতিকভাৱে অসমীয়া মানুহৰ জন্মদিন বুলি ধৰো, শংকৰদেৱৰ আৱিৰ্ভাবৰ দিনটোক সাংস্কৃতিকভাৱে অসমীয়া মানুহৰ জন্মদিন বুলিব পাৰো।"
- *ড° নগেন শইকীয়া।*



Scanned by CamScanner



# ভিলেজ ৰকষ্টাৰ্চ্ছ ছবি নহয়, জীৱনৰ জীয়া প্ৰতিচ্ছবি...

*পাৰ্থ পি. বৰা*
ফোন ঃ ৮৩৭৫৮৫৬৯৬০

জীৱন যিমানেই সৰল সিমানেই সফল। পুনে বিশ্ববিদ্যালয়ৰ পৰা সমাজতত্ত্ব (Sociology) বিষয়ৰ স্নাতকোত্তৰ শাখাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি নিজৰ আগ্ৰহৰ বিষয় অভিনয়ক কেৰিয়াৰ হিচাপে গঢ় দিয়াৰ মানসেৰে ছাত্ৰীগৰাকীয়ে মায়ানগৰী মুম্বাইলৈ এদিন ঢাপলি মেলিছিল। পিছে যুৱতীগৰাকীয়ে সময়ৰ সৈতে খোজ মিলাই জীৱন সংগ্ৰামত যুঁজি যুঁজি কংক্ৰিটৰ চহৰখনত যেন জীৱনৰ সুখৰ সংজ্ঞা হেৰুৱাই পেলাইছিল। বাল্যকালৰে পৰাই অভিনয়ৰ প্ৰতি ভীষণ আগ্ৰহী যুৱতীগৰাকীৰ বাবে মুম্বাইত কটোৱা প্ৰায় এটা দশকৰ সময়চোৱা সহজ নাছিল। বিভিন্ন অভিনয়ৰ প্ৰকল্পৰ পৰা বিভিন্ন অজুহাতত নেতিবাচক সঁহাৰি পাই যুৱতীগৰাকী কিছু হতাশ হৈছিল যদিও অভিনয় সম্পৰ্কীয় তেওঁৰ জ্ঞান আৰু অভিজ্ঞতা অন্বেষণৰ যাত্ৰা অবিৰতভাৱে চলাই নিছিল। দেশী বিদেশী বহুতো উৎকৃষ্ট ছবি উপভোগৰ সুবিধা, বিভিন্ন অভিজ্ঞ ব্যক্তিৰ সান্নিধ্য লাভৰ অভিজ্ঞতাৰে নিজক পুৰঠ কৰি এদিন গাওঁৰ ছোৱালী ৰিমা দাস ছয়গাঁৱৰ নিজা ঘৰখনলৈ উভতি আহিল। ৰিমা দাসে নিজৰ গাওঁখনতে মনোমোহা প্ৰাকৃতিক পৰিৱেশ, সঁচা মানুহবোৰ, কণ কণ ল'ৰা ছোৱালীহঁতৰ সৈতে সময় কটোৱাৰ মাজতে জীৱনৰ প্ৰকৃত সুখৰ সংজ্ঞা নতুনকৈ যেন বিচাৰি পালে।

চুটি ছবি নিৰ্মাণেৰে নিজৰ কেৰিয়াৰ আৰম্ভ কৰা ৰিমা দাসৰ প্ৰথমখন পূৰ্ণদৈৰ্ঘ্যৰ ছবিৰ নাম আছিল 'অন্তৰ্দৃষ্টি' (Man with the Binoculars)। অতি সীমিত বাজেটৰ এই ছবিখন বহুকেইটা আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত সমাদৃত হ'ল যদিও সাধাৰণ দৰ্শকে ছবিখনৰ সৈতে চিনাকি হোৱাৰ সুযোগ নাপালে। কিন্তু, এই ছবিখনৰ চিত্ৰগ্ৰহণৰ সময়তেই নিজ গাঁৱৰ ব'হাগী বিদায় অনুষ্ঠানত চুবুৰীয়া শিশুহঁতে ভুৱা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি একাত্ম হৈ আনন্দত মগন হৈ অনুষ্ঠান পৰিৱেশন কৰা দৃশ্যই ৰিমাক বিশেষ ভাৱে চুই যায়। সৰলমনা শিশুহঁতৰ ধেমেলীয়া কাণ্ড কাৰাখানাই ৰিমা দাসৰ মনত অংকুৰিত কৰি তুলিলে এটি সপোনৰ বীজ।

ৰিমা দাসে দেখা সেই সপোনটোৰ নামান্তৰ হৈছে 'ভিলেজ ৰকষ্টাৰ্চ্ছ'। সুদীৰ্ঘ চাৰি বছৰ কাল ধৰি একাপতীয়াকৈ চেষ্টা কৰি কোনো ধৰণৰ আনুষ্ঠানিক অভিনয়ৰ শিক্ষা নথকা শিশুসকলক লৈ ৰিমা দাসে নিজৰ অতি একাগ্ৰতাৰে সপোনটোক সাকাৰ ৰূপ দিলে। অন্য কোনো প্ৰযোজক বা বিশেষজ্ঞ ব্যক্তিৰ সহায় নোলোৱাকৈ গতানুগতিক ছবি নিৰ্মাণৰ ধাৰাটোৰ পৰা ফালৰি কাটি ৰিমা দাসে নিজাববীয়াকৈ যিমান বেছি সম্ভৱ সিমান বাস্তৱিক ৰূপত 'ভিলেজ ৰকষ্টাৰ্চ্ছ' ছবিখন নিৰ্মাণ কৰিলে। ছবিখনৰ কাহিনী চিত্ৰনাট্য সংলাপ ৰচনা, পৰিচালনা, চিত্ৰগ্ৰহণ আৰু সম্পাদনাৰ সকলো কাম নিজে কৰা ৰিমাৰ প্ৰতিটো বিভাগতে একমাত্ৰ সহকাৰী আছিল সম্বন্ধীয় ভগ্নী মল্লিকা দাস। ৰিমা দাসৰ পদ্ধতিগত পৰিকল্পনা, চহা জীৱনৰ অভিজ্ঞতা, অতি সূক্ষ্ম পৰ্যবেক্ষণ আৰু অনুভৱৰ ফচল 'ভিলেজ ৰকষ্টাৰ্চ্ছ' আজি সকলোৰে চৰ্চাৰ বিষয় হোৱাৰ ওপৰিও বিশ্বৰ ৫৫ টা চলচ্চিত্ৰ মহোৎসৱত ইতিমধ্যে ছবিখন প্ৰদৰ্শিত হৈছে। ছবিখনে মুঠ চাৰিটা শিতানত ৬৫তম সন্মানীয় ৰাষ্ট্ৰীয় বঁটা পোৱাৰ লগতে ভাৰতবৰ্ষৰ হৈ অস্কাৰ বঁটা ২০১৯ৰ বাবে মনোনয়ন লাভ কৰাৰ গৌৰৱ অৰ্জন কৰিছে।

'ভিলেজ ৰকষ্টাৰ্চ্ছ' অসমৰ চহা গাঁৱলীয়া পৰিৱেশত জন্ম লাভ কৰা এগৰাকী কণমানি মৰমলগা ছোৱালী ধুনুৰ কাহিনী। মাউৰা ধুনুয়ে সঁচা গীটাৰ এখন পাবৰ বাবে দেখা সপোনেই ছবিখনৰ মূল সমল যদিও কাহিনীভাগ আগুৱাই নিওঁতে পৰিচালিকাই সমাজ জীৱনৰ সকলোবোৰ দিশেই স্পৰ্শ কৰিছে। ধুনুৰ ককায়েকৰ চৰিত্ৰত অভিনয় কৰা মানবেন্দ্ৰ দাস প্ৰমুখ্যে বলোৰাম দাস ইত্যাদি প্ৰতিজন শিশুৰে অভিনয় সাৱলীল আৰু স্বতঃস্ফূৰ্ত।

অসমৰ বছৰেকীয়া অভিশাপ বানপানীৰ ফলত অসমীয়া ৰাইজে কিমান কি দুখ দুৰ্দশা ভুগিব লগা হয় তাৰ সঁচা প্ৰতিচ্ছবি ৰিমা দাসে কেমেৰাত বন্দী কৰি প্ৰতিজন দৰ্শকক অনুভৱ কৰোৱাইছে অথচ কাকো পুতৌ কৰাৰ সুযোগ দিয়া নাই। দৰিদ্ৰতা আৰু অভাৱী জীৱন, পৰ্দাত স্বচ্ছ ৰূপত উপস্থাপন হৈছে যদিও দৰ্শকে হাঁহি মুখেৰেই ছবিখন চাই ছবিঘৰৰ পৰা বাহিৰ ওলাইছে।

'ভিলেজ ৰকষ্টাৰ্চ্ছ' ছবিখনৰ সংলাপ সীমিত কিন্তু শক্তিশালী ভাষা হৈছে কোনো এটা জাতি বা ভৌগলিক অঞ্চলৰ লোকসকলৰ ভাব আদান প্ৰদানৰ মাধ্যম, পিছে মানৱীয় অনুভৱ অনুভূতি সাৰ্বজনীন; সেয়েহে 'ভিলেজ ৰকষ্টাৰ্চ্ছ' ছবিখন আজি বিশ্বৰ বিভিন্ন ঠাইৰ বিভিন্ন ভাষী লোকৰ বুকুৱে বুকুৱে বিয়পাইছে। মথাউৰিৰ ওপৰেৰে খোজকাঢ়ি যাওঁতে ধুনুয়ে কোৱা ' এই মথাউৰি থকা হ'লে আমাৰ দেউতা নমৰিলে হেঁতেন।' সংলাপটোৰ প



Scanned by CamScanner

ৰঙালী বিহু উদ্‌যাপনৰ কিছু দৃশ্য- ১৫ এপ্ৰিল, ২০১৮







শংকৰ দেৱৰ তিথিত আনুষ্ঠিত কৰা 'পাৰিজাত হৰণ' অঙ্কীয়া ভাওনাৰ দৃশ্য





Scanned by CamScanner

ACEGROUP
fulfilling ACEpirations

www.acegroupindia.com

ACEASPIRE
2/3 BHK APARTMENTS

ACE golfshire

# READY-TO-MOVE-IN HOMES IN NOIDA

Extn

Actual Picture



## SPECIAL TOWER FOR MEMBERS OF **ASSAM ASSOCIATION,** NEW DELHI

- GST **FREE**
- **FREE** Parking
- **FREE** Club Membership
- **FREE** Floor PLC
- **FREE** Power Backup
- **FREE** EDC/IDC

Actual Picture




**POSSESSION GURANTEED IN 24 HOURS**

**For details contact:**

**Dipankar Phukan - +91 9899836902**

Scanned by CamScanner









For details contact:
Dipankar Phukan - +91 9899836902

Scanned by CamScanner




Scanned by CamScanner

বানপানীত মৰা কঠিয়াবোৰ চুই মাকক সোধা,'মাই, এইবোৰ বাচিবনে..??' এইধৰণৰ সংলাপবোৰে দৰ্শকক সাংঘাতিকভাৱে স্পৰ্শ কৰে।

ছবিখনত ব্যৱহাৰ কৰা শব্দ আৰু ধ্বনিৰ মানদণ্ড সম্পৰ্কে কিছু নেতিবাচক চৰ্চা হৈছে যদিও আমি সাধাৰণ দৰ্শক হিচাপে ছবিখনৰ শব্দ আৰু ধ্বনিক লৈ সন্তুষ্ট। 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ চিত্ৰগ্ৰহণৰ সময়ত সেই অৱস্থানতে মল্লিকা দাসে ৰেকৰ্ড কৰা শব্দসমূহক অভিজ্ঞ অমৃত প্ৰীতম দেৱে ছবিখনৰ দৃশ্য অনুসৰি ইমান নিখুঁতভাৱে খাপ খুৱাইছে যে দৰ্শক হিচাপে আমি ওকণি মৰাৰ শব্দৰপৰা বৰষুণৰ অনুভৱলৈ সকলো সুন্দৰকৈ উপভোগ আৰু অনুভৱ কৰিছোঁ। ডাবিঙৰ অভাৱত দুই এক সংলাপ স্পষ্ট হোৱা নাই যদিও অতি সীমিত কাৰিকৰী আহিলা ব্যৱহাৰ হোৱা ছবিখনত সেয়া সামান্য আৰু গ্ৰহণযোগ্য আসোঁৱাহ বুলিব পাৰি।

সাম্প্ৰতিক কালৰ ছবিত সাধাৰণতে হেৰাই যোৱা সৰলতাখিনি ৰিমা দাসে পৰ্দাত উপস্থাপন কৰাত পুৰা মাত্ৰাই সফল হৈছে। চিত্ৰগ্ৰহণকাৰী ৰিমা দাসৰ কেমেৰাৰ ফ্ৰেম মুকলি আৰু নিকা নাছিল। কোনো এটা দৃশ্যত ধুনুহঁতে কেমেৰাৰ ফ্ৰেমৰ সোঁফালে নৈৰ পাৰত কথা পাতিছে, বাওঁফালে গৰু এজনী বৈ আছে, বাওঁফালে চোতালত ধুনুৰ তোলনী বিয়াৰ নীতি পৰ্ব চলিছে, সোঁফালে এগৰাকী মহিলাই আছুতীয়াকৈ বৈ চাই আছে, চোতালৰ সন্মুখত ধুনুৰ মাকে লৰালৰিকৈ বৰষুণত তিতা খৰিখিনি চপাইছে আৰু পিছফালে অন্য এগৰাকী মহিলাই নিজৰ ঘৰৰ বস্তু চপোৱা দৃশ্য ফ্ৰেমত ধৰা দিছে। এই সকলোবোৰ দৃশ্যত চিত্ৰগ্ৰহণকাৰী পৰিচালিকা ৰিমা দাসে ইচ্ছাকৃতভাৱে প্ৰয়োগ কৰা কৌশলে ছবিখন অধিক বাস্তৱিক কৰি তুলিছে। চিত্ৰগ্ৰহণৰ সময়ত ৰিমা দাসে সামান্য গছপাত এখিনাও প্ৰকৃত অৱস্থানৰ পৰা সালসলনি নকৰাটো ছবিখনৰ অন্য এক ব্যতিক্ৰমী সৌন্দৰ্য্য। ধুনুৰ মৰমৰ ছাগলী পোৱালী 'মুনু'ক নিশা ঘোৰ অন্ধকাৰত চাকিৰ পোহৰত কান্দি কান্দি বিচাৰি ফুৰাৰ সময়ত দৰিদ্ৰ পৰিয়ালটোৰ চাকিটো তেলৰ অভাৱত নুমাই যোৱা দৃশ্যটোত অভাৱী ধুনুহঁতৰ লগতে আমিও অসহায় হৈ পৰিছো। বানত ডুব যোৱা পথাৰখনত নাওঁ এখন লৈ মাকে ধুনুৰ সৈতে চাবলৈ যোৱা আৰু তাৰ পাছত বানে মৰা ধানৰ কঠিয়া, সন্মুখত লৈ বহি পৰা হতাশ পৰিয়ালটোৰ দৃশ্যটো দৰ্শকে পাহৰা টান।

বাসন্তী দাসে অভিনয় কৰা ধুনুৰ মাকৰ চৰিত্ৰটো ছবিখনৰ সকলোতকৈ শক্তিশালী চৰিত্ৰ। বানে একালত গিৰিয়েকক কাঢ়ি নিয়া মহিলাগৰাকীয়ে অতি কষ্টৰে জীৱন সংগ্ৰামৰ যুঁজখন আগুৱাই নি ল'ৰা ছোৱালী হালৰ মুখত সুদাই নিকাই ভাত এমুঠি গুজি দিছে। ঘৰৰ অভাৱৰ বাবে বিদ্যালয়ৰ শিক্ষাৰপৰা ল'ৰা ছোৱালীহালক বঞ্চিত নকৰা মহিলা গৰাকীয়ে নিজাকৈ সন্তানক জীৱন যুঁজৰ শিক্ষা দিছে। সমাজৰ গতানুগতিক বিশ্বাস সমূহক প্ৰত্যাহবান জনাই সন্তানক পূৰ্ণ স্বাধীনতা আৰু সপোন দেখিবলৈ সাহস দিছে।

ছবিখনৰ অন্য চৰিত্ৰসমূহৰ তুলনাত অতি সীমিত ভাৱে কেইটামান দৃশ্যত ভূমুকি মৰা অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্য দেৱে ৰূপায়ন কৰা ব্যক্তিজনৰ চৰিত্ৰটো ধুনুহঁতৰ বাবে দিক্‌দৰ্শক আছিল। তেওঁৰ চৰিত্ৰটো অতি চুটি অথচ ছবিখনৰ কাহিনীৰ পৰা অবিচ্ছেদ্য।

১৯৩৫ চনতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে আৰম্ভ কৰা অসমীয়া চলচ্ছিত্ৰ নিৰ্মাণৰ ধাৰাটো যোৱা কেইটামান দশকত অতি মন্থৰ হৈ পৰাৰ মাজতে কেইজন স্বাধীন চলচিত্ৰ নিৰ্মাতাই শেহতীয়াকৈ অসমীয়া ছবি জগতক নতুনকৈ প্ৰাণ দিছে। অন্য বহুকেইটা সামাজিক, ৰাজনৈতিক কাৰণৰ ওপৰিও অসমীয়া ছবি জগতলৈ অন্ধকাৰ নামি অহাৰ মূল কাৰণ, কেৱল চখ আৰু ধনৰ বলত ছবি নিৰ্মাণ কৰা কিছু সংখ্যক অনভিজ্ঞ লোক। তেওঁলোকে 'ভিলেজ ৰকষ্টাৰ্ছ' চাই নিজৰ ভুলসমূহৰ শিক্ষা লোৱাটো নিতান্তই প্ৰয়োজন। একাণপতীয়াকৈ কৰা নিজৰ সাধনাৰ, অধ্যয়ন আৰু আত্মবিশ্বাসৰ বলত এনে এখন বিশ্বমানৰ উৎকৃষ্ট ছবি নিমাৰ্ণ কৰা ৰিমা দাস আজি পৃথিৱীৰ হাজাৰজন স্বাধীন চলচিত্ৰ নিৰ্মাতাৰ বাবে প্ৰেৰণা আৰু সাহস।

জীৱনৰ পৰিসৰ যিমানেই বহল নহ'ওক কিয়, আমি সুখী হোৱাটোহে জীৱনৰ মূল কথা। 'ভিলেজ ৰকষ্টাৰ্ছে' আমাক সুখৰ সুন্দৰ আৰু সৰল সংজ্ঞা দিলে। 'ভিলেজ ৰকষ্টাৰ্ছ'এ দৰ্শকক নিমখ ভাত খায়ো জীৱনৰ সপোন দেখিবলৈ শিকাইছে। ছবিখনে নাৰীৰ স্বাধীনতা আৰু নাৰী সবলীকৰণৰ সপক্ষে মাত মাতিছে। অতিমাত্ৰা নাটকীয় অভিনয়, কাহিনীৰ ক্ষিপ্ৰ সাল-সলনি, ঘটনাক্ৰমৰ সাংঘাতিক কৰুণ পৰিসমাপ্তি 'ভিলেজ ৰকষ্টাৰ্ছ'ত নাই। ইয়াত ৰং, পোহৰ, আৱেগ, সপোন, উশাহ, বাস্তৱিকতা সকলো আছে। এইখন চিনেমা নহয়, আমাৰ জীৱনৰ সত্য, সুন্দৰ, সৰল আৰু জীয়া প্ৰতিচ্ছবি... ♦

**"এখন বাগিছা আৰু এটা পুথিভঁৰাল যদি তোমাৰ ঘৰত আছে,**
**তেনেহ'লে তোমাৰ প্ৰয়োজনীয় সকলো আছে।"**

**- *চিচেৰ***



Scanned by CamScanner



# বন্দিনী...

*ডাঃ কেশৱ গোস্বামী*

ফোন ঃ ৯৫৬০২৭৭০৬৩

প্ৰতিদিনৰ দৰে দোকমোকালিতে শোৱাপাটি এৰি পোনেই গৈ কোঠালিৰ উত্তৰ দিশৰ খিৰিকীখন খুলি সুমিত্ৰা কিছুসময় থিয় হৈ ৰ'ল। বাহিৰৰ পৰা বৈ অহা শীতল মৃদু বতাহ জাকৰ স্পৰ্শত নিশাৰ জড়তা খিনিৰ পৰা মুক্ত হৈ মনতো ভৰি উঠিল। লগতে সাৰ পাই উঠা বাহিৰৰ জগত খনৰ ৰূপেও সুমিত্ৰাৰ মনটোক চুই গ'ল। এগৰাকী সদ্য স্নাতা ন-বোৱাৰীৰ ৰূপ যেন লগা বাহ্যিক জগত খনলৈ চাই সুমিত্ৰাৰ বৰ ভাল লাগে। কিছু সময়ৰ পাচত কেঁচা ৰ'দ জাকৰ পৰশত বৰন সলাই জগত খন আৰু মোহনীয়া হৈ পৰিব। এজনী পূৰ্ণতয়া বোৱাৰীৰ ৰূপ ধাৰন কৰিব। প্ৰকৃতিৰ লগত জীৱনৰ এই সমান্তৰাল সমিল-মিলবোৰ তুলনা কৰি সুমিত্ৰাই জীৱনৰ বহু অৰ্থ বিচাৰি চোৱাৰ প্ৰয়াস কৰে। সুমিত্ৰা এগৰাকী ভাবুক মহিলা। কিছুসময় খিৰিকীখনৰ কাষত থিয় হৈ থাকিল সুমিত্ৰা দেৱী।

সুমিত্ৰা দেৱী আজি ঘৰখনত অকলশৰীয়া। পুতেক ৰাহুল আৰু বোৱাৰী সংগীতা কালি ডিব্ৰুগড়লৈ গৈছে। তাতে বোৱাৰীৰ মাকৰ ঘৰ। চৰকাৰী বন্ধ কেইবাটাও একেলগে পৰাত ফুৰিবলৈ গৈছে। ৰাহুল আৰু সংগীতা দুয়ো চাকৰিয়াল। দেওবাৰৰ বাহিৰে দুয়ো একেলগে এখন্তেক বহি কথা পাতিবলৈও সময় নাই। গতিকে মনৰ পৰিৱৰ্তন বিচাৰি ওলাই যোৱাত সুমিত্ৰাই বেয়া পোৱা নাই। তাতে ৰাহুল হৈছে প্ৰয়োজনতকৈ বুজন ল'ৰা। জীয়েক অঞ্জলিও ঘৰত নাই। বহুদেশীয় কোম্পানী এটাৰ নিযুক্তি লৈ বাঙ্গালুৰলৈ গ'ল।। গতিকে সুমিত্ৰা দেৱী ঘৰখনত আজি সমপূৰ্ণৰূপে অকলশৰীয়া। এইদৰে অকলশৰীয়াকৈ থাকিবলগীয়া হোৱাতো সুমিত্ৰা দেৱীৰ কাৰণে নতুন কথা নহয়। গিৰীয়েক ৰাজীব বৰুৱা স্বৰ্গবাস হোৱা আজি কেইবাবছৰো হ'ল। জীবিত কালতো চাকৰীৰ প্ৰয়োজনত প্ৰায়ে মফঃচলত দিন অতিবাতিত কৰা সময়তো এমা-ডিমা ল'ৰা ছোৱালী হালৰে সুমিত্ৰাই অকলশৰে বহু দিন কটাবলগীয়া হৈছিল। জীৱন- যাত্ৰাত সুমিত্ৰা দেৱী এগৰাকী অভিজ্ঞ মহিলা। কিন্তু আজি তেওঁ একেবাৰেই অকলশৰীয়া।

দীঘল উশাহ এটা টানি লৈ মনলৈ অহা ভাৱবোৰ একাষৰীয়া কৰি সুমিত্ৰা এইবাৰ বাথ-ৰুমলৈ সোমাই গ'ল। শীতল পানীৰ স্পৰ্শত নিদ্ৰা- জড়তাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ ওলাই আহি ড্ৰেচিং আয়নাখনৰ সন্মুখত থমকি ৰ'ল সুমিত্ৰা। ভালকে এবাৰ নিজকে নিৰীক্ষণ কৰিলে। সময়ে অৱকাশ কাকো নিদিয়ে। পুতেক-বোৱাৰী আৰু জীয়েকৰ বাবে সময়বোৰ আহুতি দিওঁতে দিওঁতে নিজৰ অৱকাশৰ কাৰণে চিন্তাই কৰিব নোৱাৰে সুমিত্ৰাই। আজি কিন্তু তেওঁৰ হাতত অফুৰন্ত সময়। আয়নাত প্ৰতিবিম্বিত তেওঁ নিজক পুনৰ এবাৰ ভালকৈ চাই লব বিচাৰিলে। প্ৰতিবিম্বৰ চকু জুৰিলৈ চালে। ভাবলেশহীন ভাৰাক্ৰান্ত বৈ পৰা বহল চকুহাল এতিয়াও ধুনীয়া হৈ আছে। চকুৰ পতা দুখনৰ কোমল চাল খনত বয়সৰ আঁচোৰ প্ৰকট হ'লেও চকু হালৰ সৌন্দৰ্য্যক ম্লান কৰিব পৰা নাই। স্বস্তিৰ নিশ্বাস এটা এৰি সুমিত্ৰাই পুনৰ নিজকে এবাৰ চাই ল'লে। চাৰি চকুৰ মিলন হ'ল। চকুহাল যেন বিগত পচপন্ন বছৰীয়া জীৱনটোৰ বহু ঘাত-প্ৰতিঘাতৰ সাক্ষী হৈ প্ৰজ্বলিত অগ্নিৰ দৰে জিলিকি আছে। মনৰ ভিতৰত বহু বছৰৰ অপ্ৰকাশিত ৰাগ- অনুৰাগ প্ৰতিফলিত হৈ আছে এই চকুজুৰিত। সুমিত্ৰাই মনত পেলাবলৈ চেষ্টা কৰিলে।

ষাঠিজনীয়া ছোৱালীৰ এটা ক্লাচৰূম। এখন বালিকা বিদ্যালয়ৰ ক্লাচৰূমৰ দৃশ্য। শিক্ষয়িত্ৰী আহি পোৱা নাই এতিয়াও। ছোৱালীহঁতৰ হাই-উৰুমিৰে মুখৰিত হৈ আছে ক্লাচৰূমটো। শিক্ষয়িত্ৰী আহি সোমোৱাৰ পূৰ্বে ছোৱালীহঁতে ইজনীয়ে সিজনীক মনৰ কথা ব্যক্ত কৰা এইখিনিয়ে সময়। ক্লাচৰূমটোৰ তৃতীয় শাৰী বেঞ্চত কুঁচি-মুচিকৈ মনে মনে বহি থকা ছোৱালীজনীয়ে হ'ল সুমিত্ৰা চৌধুৰী। ভীতি-বিহ্বল আৰু সঙ্কোচ মনৰে সুমিত্ৰাই অপেক্ষা কৰি আছে শিক্ষয়িত্ৰীলৈ। ঘনে ঘনে দৃষ্টি ক্লাচ-ৰূমৰ দুৱাৰ মুখলৈ।

শিক্ষয়িত্ৰী মনোৰমা পাঠকে হাতৰ ঘড়ীটোলৈ চাই ক্লাচ-ৰূমৰ ৰেজিষ্টাৰখন লৈ কমন ৰূমৰ পৰা ওলাই আহিল। দীঘল বাৰান্দাখনত ভৰি দি গহীন খোজেৰে ক্লাচ-ৰূমলৈ তেওঁ অগ্ৰসৰ হ'ল। কোলাহল পূৰ্ণ ক্লাচ-ৰূমটোৰ খিৰিকীয়েদি মাজে মাজে ভুমুকি মাৰি বুজ ল'বলৈ চেষ্টা কৰা ছোৱালী কেইজনীয়ে মনোৰমা পাঠকক দূৰতে দেখি গোটেই ক্লাচ-ৰূমটোক সতৰ্ক কৰি দিলে। ৰূমটোৰ কোলাহলবোৰ লাহে লাহে ফিচ্ ফিচনিলৈ পৰিৱৰ্তন হ'ল। সুমিত্ৰাও মনে মনে এবাৰ ঈশ্বৰক স্মৰণ কৰি সতৰ্ক হৈ পৰিল। কাৰন সৰুৰে পৰা সুমিত্ৰাৰ মনত আত্মবিশ্বাসৰ অভাৱ আছিল। এটা সময়ত দুৱাৰ

Scanned by CamScanner

মুখত মূৰ্ত্তিমান হ'ল মনোৰমা পাঠক। গোটেই ক্লাচ ৰুমটো কাঁহ পৰি জিন গ'ল। দুৱাৰ দলিত থিয় হৈ মুহূৰ্তৰ বাবে তীক্ষ্ণ দৃষ্টিৰে গোটেই ক্লাচ ৰুমটোলৈ চকু ফুৰাই গ'ল মনোৰমা পাঠকে। চকুত চকু পৰাৰ ভয়ত সুমিত্ৰাই মূৰ তুলি মনোৰমা পাঠকক চাবলৈ সাহস গোটাব নোৱাৰিলে। এক গহীন পৰিৱেশে গোটেই ৰুমতো চানি ধৰিলে। চকীখনত নবহি টেবুলখনতে আওঁজি মনোৰমাই এইবাৰ ৰেজিস্টাৰখন মেলি এফালৰ পৰা ৰোল নম্বৰবোৰ গাই গ'ল। ৰোল নম্বৰতো সঁহাৰি জনাবলৈ সুমিত্ৰাৰ বুকুখন ধপধপাই উঠিল। অতি অস্পষ্ট স্বৰত সুমিত্ৰাই নিজৰ উপস্থিতিৰ সঁহাৰি জনালে। ৰোল নম্বৰতো পুনৰ দোহাৰিব লগা হোৱাত মনোৰমা পাঠকে মূৰ তুলি সুমিত্ৰালৈ চালে। মনোৰমাৰ চাৱনিত সুমিত্ৰাৰ ভৰিৰ তলৰ পৃথিবীখন আৰু তললৈ সোমাই যোৱা যেন অনুভৱ হ'ল। সুমিত্ৰাই এতিয়াও নাজানে এই অজান ভয়ৰ কাৰন কি আছিল। ৰোল নম্বৰ গাই শেষ হোৱাত মনোৰমাই ৰেজিষ্টাৰ খন জপাই পুনৰ এবাৰ গোটেই ক্লাচতো নিৰীক্ষণ কৰিলে। এইবাৰ তেওঁ পাঠ-দান দিবলৈ প্ৰস্তুত হ'ল। তাৰ আগত তেওঁ পূৰ্বে দি অহা পাঠ-দানৰ প্ৰশ্নোত্তৰ শিতান আৰম্ভ কৰিলে। সুমিত্ৰাৰ কাৰণে এইয়া এক ভয়ানক স্থিতি আছিল। কাৰন প্ৰশ্নৰ শুদ্ধ উত্তৰ অৱগত হ'লেও সকলোৰে সন্মুখত থিয় হৈ উত্তৰ দিয়াৰ সাহস নাছিল সুমিত্ৰাৰ। উত্তৰ দিবলৈ গৈ বুকুৰ ধিপধিপনি বাঢ়ি যোৱা, বিৰিঙি উঠা ঘামৰ টোপালবোৰ কাণৰ কাষেদি বৈ যোৱাৰ অনুভূতিবোৰ সুমিত্ৰাই নিজেই অনুভৱ কৰিব পাৰিছিল। ফাট দিয়া বসুমতী পাতালে লুকাও অৱস্থা হৈছিল সুমিত্ৰাৰ। দীঘলীয়া নিশ্বাস এটা এৰি পুৰণি কথাবিলাক মনত পেলাবলৈ চেষ্টা কৰিলে সুমিত্ৰাই। শিক্ষয়িত্ৰী মনোৰমা পাঠকেও সুমিত্ৰাৰ এই মানসিকতাৰ কথা মন কৰিছিল। কাৰণ সুমিত্ৰা পঢ়া-শুনাত অতি তীক্ষ্ণ বুদ্ধিৰ নহ'লেও এজনী মধ্যমীয়া অনুৰাগশীল,নিষ্ঠাবান ছোৱালী আছিল। সুমিত্ৰাৰ মনৰ এই অৱস্থাৰ বিষয়ে মনোৰমাই সুমিত্ৰাৰ মাক দেউতাকৰ লগতো আলোচনা কৰিছিল আৰু পৰামৰ্শও আগবঢ়াইছিল। সংবেদনশীল মাক-বাপেকে সুমিত্ৰাক ভীতি-বিহ্বল মনটোক সুদৃঢ় কৰিবলৈ সকলো প্ৰকাৰ সহযোগ আগবঢ়াইছিল। কিন্তু আগলৈও সুমিত্ৰাৰ মনৰ স্থিতি সেই একেধৰণে আছিল।

ৰং-চঙীয়া কলেজীয়া দিনবিলাকতো আন দহ জনৰ দৰে জীৱনটোৰ সোৱাদ ল'বলৈ মন গ'লেও নিজৰ মনৰ দুৰ্বলতাৰ বাবে আগবাঢ়িবলৈ সুমিত্ৰাই সাহস গোটাব পৰা নাছিল। মনত পৰে সুমিত্ৰাৰ সেই ল'ৰাটোৰ কথা। অপলক নয়নৰে সি সদায় ক্লাচ-ৰুমত সুমিত্ৰালৈ চাই আছিল। সুমিত্ৰায়ো লুকাই চুৰকৈ চাবলৈ লোভ সামৰিব পৰা নাছিল। লুকাই চুৰকৈ চাওঁতে মাজে মাজে চকুত চকু পৰিলে সুমিত্ৰাৰ বুকুৰ ধিপধিপনি বাঢ়ি গৈছিল। ভৰিৰ পৰা মূৰলৈকে এক অদ্ভুত শিহৰণ অনুভৱ কৰিছিল। মনত এক বুজাব নোৱাৰা আনন্দ অনুভৱ কৰিছিল। আনকি ঘৰলৈ আহিও সকলো বিষয়ৰ পৰা আনমনা হৈ সুমিত্ৰাই সেই সুখৰ অনুভূতিৰ আনন্দ লৈছিল। কিন্তু কোনোদিনেই সুমিত্ৰাই মুখ খুলি ল'ৰাটোৰ লগত এষাৰ কথা পাতিবলৈ সাহস গোটাব পৰা নাছিল। ঘৰখনৰ চলি অহা সংস্কাৰ আৰু মাক দেউতাকৰ স্নেহৰ বন্ধনৰ পৰা ওলাই আহি যৌৱনৰ আহ্বানক সঁহাৰি দিবলৈ সুমিত্ৰাৰ তিল মানো সাহস নাছিল। বেদনাৰ সেই চকুলো মনতে শুকুৱাই সুমিত্ৰাই অদৃষ্টক ধিয়াই চুপ হৈ গৈছিল।

নিজৰ অক্ষমতাৰ কথা সুঁৱৰি সুমিত্ৰাই মনত এক বুজাব নোৱাৰা দুৰ্ব্বলতা অনুভৱ কৰিলে। ড্ৰেচিং আয়নাখনত প্ৰতিবিম্বিত নিজৰ চকুজুৰিলৈ চোৱাৰ সাহসকনো হেৰুৱাই পেলালে। নিজকে আয়নাখনৰ পৰা আতৰাই আনি বহা কোঠালীলৈ সোমাই গ'ল। বুজাব নোৱাৰা এক উদাসীনতাই মনটো ঘেৰি ধৰিলে। দেহৰ শক্তিখিনিও যেন ক্ষীণ হৈ আহিল। কোনোমতে নিজৰ ভাৰসাম্য চম্ভালি লৈ চ'ফাখনত বহি পৰিল। দেহাটো অলস ভাবে এৰি দি কিছুসময় পৰি থাকিল সুমিত্ৰা। পানী অলপ খাই প্ৰকৃতিস্থ হবলৈ মন গ'লেও, উঠি গৈ ফ্ৰীজটো খুলি পানী এগিলাচ আনিবলৈও সুমিত্ৰাৰ শক্তি নহ'ল। চকুহাল মুদি সুমিত্ৰাই নিজক প্ৰকৃতিস্থ কৰিবলৈ চেষ্টা কৰিলে। মনৰ দুৱাৰদলিত থিয় হৈ সোঁৱৰণীয়ে যেন বাৰে বাৰে হাতবাউলি দি সুমিত্ৰাক আহ্বান জনাইছে। সেই আহ্বানকো প্ৰত্যাখান কৰিবলৈ সুমিত্ৰাৰ যেন সাহস নহ'ল। চকুহাল মুদি পুনৰ সুমিত্ৰা ঘূৰি গ'ল সোঁৱৰণিৰ-গহ্বৰলৈ...



- হঠাৎ এক আনন্দৰ ঢৌৱে সুমিত্ৰাহতৰ ঘৰখন এদিন মুখৰিত কৰি তুলিছিল। উলহ-মালহৰ এক পৰিৱেশৰ সৃষ্টি হৈছিল। উৎসাহ উদ্দীপনাৰ এক জোৱাৰে সকলোৰে মনবোৰ চুই গৈছিল। মাক-দেউতাকৰ মুখত হাঁহি নুগুচা হৈছিল। ঘৰখনৰ এই অপ্ৰত্যাশিত পৰিৱৰ্তনৰ কাৰনতো সুমিত্ৰাই বুজি পোৱা নাছিল। এদিন কলেজৰ পৰা ঘূৰি অহাৰ পাচত আবেলি পৰত মাকে সুমিত্ৰাৰ আঠুলৈকে পৰা অতিশয় ঘন ক'লা চুলিটাৰি যতনাই থাকোতে কৈছিল— নগাঁৱৰ পৰা আলহী আহিব নহয় ?

- আলহী আহিব ? কোন আলহী মা ? অতি উৎসাহৰে সুমিত্ৰাই সুধিলে। সুমিত্ৰাই বুজি পোৱা নাছিল মাকে কোন আলহীৰ কথা ক'বলৈ গৈছে,কাৰন নগাঁৱত সুমিত্ৰাহতৰ সম্পৰ্কীয় মানুহ বুলিবলৈ কোনোৱেই নাই।

- ধেৎ,আঁকৰীজনী — তোক চাবলৈ আলহী আহিব আকৌ-আচম্বিতে মাকৰ মুখৰ পৰা ওলোৱা কথাষাৰ শুনি সুমিত্ৰা বহাৰ পৰা ঘপহকৈ থিয় দি মাকলৈ চালে। মাকেও এই প্ৰতিক্ৰিয়াত অবাক হৈ জীয়েকলৈ চাই ৰ'ল। এক আশ্চৰ্যকৰ চাৱনি সুমিত্ৰাৰ চকুৰে মুখে বৈ গ'ল। সুমিত্ৰাই সপোনতো ভাবিব পৰা নাছিল মাক-



Scanned by CamScanner

দেউতাকে ইমান সোনকালে মনে মনে এইধৰণৰ সিদ্ধান্ত এটা ল'ব। তাইৰ কলেজীয়া জীৱনটো শেষ হবলৈ এতিয়াও বহুদিন বাকী আছে। বহুত স্বপ্নও তাই মনত পুহি ৰাখিছে। ইমান সোনকালে তাই সকলোবোৰ শেষ হবলৈ দিব নিবিচাৰে। মুখ ফুটাই একো ক'ব নোৱাৰি মজিয়াতে তাই বহি পৰিল। মাকৰ আঁঠু দুটাৰ মাজত মুখখন গুজি কিছুসময় তাই মনে মনে ৰ'ল। মাকেও মৰমতে মুৰত হাত ফুৰাই আশ্বাস দি ক'লে—অযাচিতে অহা এই প্ৰস্তাবক স্বীকাৰ নকৰি নোৱাৰো সুমি -তাৰপাচত সুমিত্ৰাৰ ঠিক মনত নাই, বহাগৰ কোনোবা এটা দেওবাৰৰ কথা। ঘৰখনৰ মানুহখিনি পুৱাৰে পৰা কাৰোবাৰ আগমনৰ প্ৰত্যাশাত ব্যস্ত হৈ পৰিছিল। বিশেষকৈ সেইদিনা মাকে সুমিত্ৰাক মনৰ হেপাহৰে বিভিন্ন শৃঙ্গাৰৰে সজাই পৰাই তন্ময় হৈ জীয়েকলৈ চাই ৰৈছিল। — " কিয় তেনেকৈ চাই আছা মা' ? - সঁচাকৈয়ে তোক বৰ ধুনিয়া লাগিছে অ' চুমি —মাকে ক'লে। গাল দুখন ওন্দোলাই চকু দুটা ঘোপা কৰি মাকলৈ তাই চাই ৰ'ল।

অৱশেষত শুভক্ষনৰ সেই বিশেষ মূহূৰ্ত সমাগত হ'ল। নিৰ্দ্দিষ্ট সময়ত বগা এম্বেচাদৰ এখন আহি পদূলিমুখত ৰ'ল। এটা মৃদু উত্তেজনাৰ ঢৌ সুমিত্ৰাহঁতৰ ঘৰখনৰ চাৰিওফালে বৈ গ'ল। সুমিত্ৰায়ো মনৰ উৎকণ্ঠাক সংযত কৰি ৰাখিব নোৱাৰিলে। শোৱনি কোঠাৰ খিৰিকীয়েদি বৈ থকা এম্বেচাদৰ কাৰ খনলৈ চাই ৰ'ল। এজন এজনকৈ গাড়ীখনৰ পৰা মানুহ খিনি নামি আহিল। প্ৰথমতে নামি অহা অলপ বয়সস্থ মানুহহাল নিশ্চয় ল'ৰাজনৰ মাক-দেউতাক হ'ব– সুমিত্ৰাই ভাবিলে। তাৰপাচৰ মানুহখিনি কোন হ'ব পাৰে নিৰ্ণয় কৰিব নোৱাৰি মনত এক অজান সংশয় লৈ উৎত্তেজনাত সুমিত্ৰাই শোৱনি কোঠাটো'ৰ ইমূৰৰ পৰা সিমূৰলৈ পায়চাৰি কৰি সময় পাৰ কৰিবলৈ ধৰিলে। বিহুল হৈ পৰা মনটোৰে ওচৰৰ কমটোত কি হৈ আছে জানিবলৈ সুমিত্ৰাই কাণ পাতি ৰ'ল। বিছ বছৰীয়া মুক্ত স্বকীয় জীৱনটো সমাপ্ত কৰি অজ্ঞাত এক যুগ্ম জীৱনত প্ৰৱেশ কৰা কিমান সংশয়জনক অনুভৱ কৰি নিৰবে বৈ অহা চকুলো-ধাৰাক বাধা দিবলৈ প্ৰয়াস নকৰিলে। কিমান সময় তেনেকৈ আছিল সুমিত্ৰাই নাজানে। এটা সময়ত কোঠাটোলৈ মাক সোমাই আহিল। মাকক দেখি সুমিত্ৰাৰ বুকুখন ধিপ-ধিপাই উঠিল। মনৰ অৱস্থা অনুমান কৰিব পাৰি মাকে সুমিত্ৰাক মৰমতে সাবতি ল'লে। মাকৰ বুকুত মুখখন গুজি কিছু সময় মনে মনে ৰ'ল সুমিত্ৰা। মাকে মূৰত হাত ফুৰাই আশ্বাস দি ক'লে- তই অতি ভাগ্যৱতী সুমি —ৰাজীবৰ দৰে ল'ৰা এটা পোৱাতো সঁচাকৈয়ে দূৰ্লভ। মনত যথেষ্ট সাহস গোটাই লৈ এইবাৰ তাই থিয় হ'ল। তামোল-পানৰ বটাতো হাতত তুলি দি কি কৰিব লাগে বিস্তাৰিত ভাবে বুজাই লাহে লাহে মাকে আলহী বহা কোঠালীটোলৈ তাইক আগবঢ়াই লৈ গ'ল। ফাট দিয়া বসুমতী পাতালে লুকাও অৱস্থাৰে অৱশেষত সুমিত্ৰাই মাকৰ চাদৰৰ আচলটো খামুচি ধৰি কমতা প্ৰৱেশ কৰিলে। মাকে কথাৰ লাচতে কোনেও নেদেখাকে আচলটো তাইৰ হাতৰ পৰা এৰুৱাই সকলোকে পৰিচয় কৰি দিলে। তাইৰ বুকুৰ ধিপধিপনি ক্ৰমান্বয়ে দ্ৰুততৰ হৈ আহিবলৈ ধৰিলে। কপালত বিৰিঙি উঠা ঘামৰ কণিকাবোৰ, কাণৰ কাষেদি বৈ অহা ঘামৰ টোপালবোৰ, ঘামত তিতি দেহত লিপিত খাই পৰা ব্লাউজটো সকলো কথাই সুমিত্ৰাই অনুভৱ কৰিছিল। কেনি যাওঁ গোপাল কেনি যাওঁ কৃপাল অৱস্থাৰে লাহে লাহে আগবাঢ়ি সুমিত্ৰাই ল'ৰাৰ মাক-দেউতাকৰ আগত আঁঠু লৈছিল । প্ৰসন্ন চিত্তৰে মাক-দেউতাকে তাইক আশীৰ্ব্বাদ দিছিল। ভাবিলে সুমিত্ৰাৰ এতিয়াও হাঁহি উঠে। আঁৰ চকুৰে ৰাজীৱলৈ চাওঁতে চকুৱে চকু পৰাত লাজতে ভৰিৰ তলৰ পৃথিৱীখন পাতালত লীন হৈ যোৱাৰ উপক্ৰম হৈছিল। দুনাই মূৰ তুলি চোৱাৰ সাহসকন তাই হেৰুৱাই পেলাইছিল। কমতোৰ পৰা কোনোমতে ওলাই যাব পৰিলেই যেন তাই ৰক্ষা পৰে। অৱশেষত ছোৱালী চোৱা এই ৰীতিৰ অন্ত পৰাত সকলোৱে নম্ৰতাৰে বিদায় লৈ যাবলৈ প্ৰস্তুত হ'ল। সকলোৰে লগত সুমিত্ৰায়ো আলহীক চ'ৰা ঘৰৰ দুৱাৰ মুখলৈকে আগবঢ়াই থবলৈ গ'ল। আগবাঢ়ি গৈ থকা ৰাজীৱলৈ সুমিত্ৰাই একেথৰে চাই ৰ'ল। ৰাজীৱেও গাড়ীখনত উঠাৰ আগতে ক্ষন্তেক ৰৈ উলটি সুমিত্ৰাৰ লগত এপলক দৃষ্টি বিনিময় কৰিছিল। সেই দৃষ্টিত সুমিত্ৰাৰ শৰীৰত যেন বিজুলী সঞ্চাৰিত হৈছিল। ৰোমাঞ্চিত হৈ পৰিছিল সুমিত্ৰা।

সময়বোৰ যেন পূৰ্ব্বে নিৰ্ধাৰিত পৰিকল্পনা অনুসৰি সুমিত্ৰাৰ জীৱনলৈ নামি আহিছিল। মাত্ৰ দুটা মাহৰ সময় লৈ সকলো ঠিক কৰা হৈছিল। সুমিত্ৰাক নিজৰ জীৱনৰ ভৱিষ্যতটোও ভাবিবলৈ অৱসৰ দিয়া নহ'ল। বংশৰ পৰম্পৰা অনুশীলনহে কেৱল পালন কৰা হ'ল। যুদ্ধকালীন প্ৰস্তুতিৰে যেন সকলোবোৰ সুমিত্ৰাৰ সন্মুখত ঘটিবলৈ ধৰিলে। বিয়াৰ যা-যোগাৰৰ খবৰ ল'বলৈ জাকে জাকে ঘৰলৈ মানুহৰ আগমন, গহণাৰ বজাৰলৈ গৈ নমুনা চোৱা, জাপে জাপে কাপোৰ কিনা, নিমন্ত্ৰিত অতিথিৰ সূচী বনোৱা, চিঠি চপোৱা সকলোবোৰ কাম সুমিত্ৰাৰ পচন্দ-অপচন্দক গুৰুত্ব নিদিয়াকৈ নিয়াৰিকৈ হৈ যাবলৈ ধৰিলে। ৰাজীৱৰ বিষয়ে মাক দেউতাকক সুধিবলৈ মন গ'লেও সুমিত্ৰাই সুধিব নোৱাৰিছিল। কাৰন সৰুৰে পৰা মনত পুহি ৰখা ভয়-সঙ্কোচৰ ভাবটোৱে সুমিত্ৰাক মৌন কৰি ৰাখিছিল। ভগৱানে সেইকন সাহস সুমিত্ৰাক প্ৰদান কৰা নাছিল। অৱশেষত সুমিত্ৰাই নিজৰ অদৃষ্টকে ধিয়াই মাক দেউতাকৰ ইচ্ছাৰ বিৰুদ্ধে নগৈ শব্দ এটাও বিনিময় নকৰাকৈ অজ্ঞাত ব্যক্তি এজনৰ লগত বিবাহ পাশত আবদ্ধ হ'বলৈ নিৰবে সন্মত হৈছিল। ...

যুগ্ম জীৱনৰ অভিজ্ঞতাও সুমিত্ৰাৰ কাৰণে পৰম আশ্বৰ্য্যজনক আৰু ৰোমাঞ্চকৰ আছিল। নিজৰ সত্বাক অন্য এক সত্বাত একাত্ম কৰি জীৱনটোক ভৱিষ্যতলৈ আগুৱাই নিয়াৰ



Scanned by CamScanner

অভিজ্ঞতাও অকল্পনীয় আছিল। বিয়াৰ পাচত অৱশ্যে ৰাজীৱৰ উদাৰ প্ৰেম আৰু ভালপোৱাই এখন নতুন সংসাৰৰ পাতনি মেলিবলৈ সুমিত্ৰাক সক্ষম কৰি তুলিছিল। সুমিত্ৰা সুখী হৈছিল। এহাল ল'ৰা-ছোৱালীৰে ৰাজীৱৰ সংসাৰখন আনন্দৰে পোহৰাই তুলিছিল। ব্যস্ত হৈ পৰিছিল ৰাজীৱ আৰু ল'ৰা-ছোৱালীহাল লৈ। নিজৰ ঘৰখনৰ পৰা আহৰণ কৰা সংস্কাৰে সুমিত্ৰাক কোনোদিনেই ৰাজীৱৰ চিন্তা আৰু বিচাৰ ধাৰাক বিৰোধিতা নকৰি নিৰৱে সংসাৰখন নিয়াৰিকৈ আগুৱাই নিবলৈ সহায় কৰিছিল। এগৰাকী আজ্ঞাপালিকাৰ ভূমিকা বহন কৰিবলৈহে যেন সুমিত্ৰাই জন্ম লৈছিল। সময় বাগৰি যোৱাৰ লগে লগে সুমিত্ৰাহঁতৰ সাংসাৰিক জীৱনটোৱে নানা ঘাট-প্ৰতিঘাটৰ মাজেদি পাৰ হ'ব লগা হৈছিল। ৰাজীৱৰ কৰ্ম ব্যস্ততা আৰু অধ্যয়নৰত ল'ৰা ছোৱালীহালৰ ব্যস্ততাৰ যোগসূত্ৰ আছিল সুমিত্ৰা। অবিৰাম টিক টিক কৈ চলি থকা ঘড়ীৰ কাটা কেইদালেও যেন সুমিত্ৰাক সময় নিদিছিল উশাহ সলাবলৈ। বোলছবিৰ পট পৰিবৰ্তনৰ দৰে সুমিত্ৰাৰো জীৱন-পটৰ পৰিবৰ্তন হৈছিল-

সুমিত্ৰাৰ সপোনৰ বালিঘৰ এদিন সপোনতেই খহি পৰিছিল। মহানগৰৰ এক ৰাজপথৰ দুৰ্ঘটনাত সময়ে কাঢ়ি লৈ গৈছিল ৰাজীৱক ....... যমুনাৰ তীৰত জ্বলি থকা চিতাৰ জুইকুৰাত ছাই হৈ পৰি থকা ৰাজীৱৰ অৱশেষ খিনিলৈ একেথৰে চাই থকা সুমিত্ৰাক বুজাবলৈ কাৰো মুখত একো ভাষা নাছিল। নিসঙ্গতাৰ লগৰী হৈ পৰিছিল সুমিত্ৰা। অৱস্থাৰ বলি হ'ব লগা হৈছিল সুমিত্ৰা দেৱী। ৰাজীৱৰ অবিহনে হঠাৎ ভৰিৰ তলৰ পৃথিৱীখন যেন নোহোৱা হৈ গ'ল। চাৰিওফালৰ পৰা অনিশ্চয়তাৰ অন্ধকাৰ আৰু শূন্যতাই সুমিত্ৰাক ঘেৰি পেলাইছিল। দুৰ্বল আত্ম-বিশ্বাস আৰু সমস্যা প্ৰত্যাহ্বানৰ অনভিজ্ঞতাৰে এমাদিমা ল'ৰা-ছোৱালীহাল লৈ সুমিত্ৰাই চাৰিওফালে ধোঁৱা-কোঁৱা দেখিছিল। নিজৰ ঘৰখনৰ পৰা দুহাজাৰ কিলোমিটাৰ নিলগত আত্মীয়-স্বজন আৰু সমাজৰ পৰা আঁতৰি ল'ৰা ছোৱালী হাল লৈ অকলশৰে থাকিবলৈ প্ৰাৰম্ভতে সুমিত্ৰাই সাহস গোটাব নোৱাৰিছিল। তথাপি যিখন ঠাইত ৰাজীৱৰ সৈতে এটা নতুন জীৱনৰ শুভাৰম্ভ কৰি এখন সংসাৰ ৰচিছিল, সেইখন এৰি গুছি যাবলৈও সুমিত্ৰাৰ মনে নকৈছিল। ল'ৰা ছোৱালী হালক নিজৰ বিবেক-বিবেচনাৰে গঢ়ি তুলিবলৈ মন স্থিৰ কৰি অৱশেষত আত্মীয়-স্বজন সকলোৰে উপদেশৰ বিপৰীতে ঠাই এৰি নোযোৱাৰ সংকল্প লৈছিল। সময়ক প্ৰত্যাহ্বান জনাই কঢ় বাস্তৱৰ সন্মুখীন হৈছিল সুমিত্ৰা। জীৱন সংগ্ৰামত যিকোনো পৰিস্থিতি যুক্তিৰে বিচাৰ কৰি সন্মুখীন হবলৈ শিকিছিল। আত্মবিশ্বাসক লাহে লাহে নিজৰ আয়ত্তলৈ আনি শক্তিশালী হৈ উঠিবলৈ চেষ্টা কৰিছিল সুমিত্ৰা দেৱী। জীৱনৰ নতুন পাঠ পঢ়িছিল। অৱশ্যে ঘৰখনৰ আৰ্থিক অৱস্থা টনকিয়াল কৰি থৈ গৈছিল ৰাজীৱে। ল'ৰা-ছোৱালীহালক পালন-পোষন কৰোতে সুমিত্ৰাই সদায় এটা কথা মন কৰিছিল সিহঁতহাল যাতে তাইৰ দৰে ভীতি-বিহ্বল মনৰ নহয়। নিজৰ জীৱনৰ পৰা পোৱা অভিজ্ঞতাৰে তেওঁ সদায় সিহঁতক এক বলিষ্ঠ মনৰ মানুহ হবলৈ শিক্ষা দিছিল। সিহঁত সদায় তেওঁৰ নিৰীক্ষণৰ পৰিসীমাৰ ভিতৰত আছিল। সিহঁতৰ মানসিক ক্ৰমবিকাশত যাতে সমাজৰ অন্ধ সংস্কাৰে প্ৰভাৱিত কৰিব নোৱাৰে। — যুক্তি -যুক্ততাৰে সকলো যাতে সিহঁতে নিৰ্ণয় কৰিব পাৰে। এক বলিষ্ঠ আত্মবিশ্বাস থকা মনৰ মানুহ হ'ব পাৰে-তাৰ বাবে তেওঁ যত্ন লৈছিল। আৰু এদিন দীৰ্ঘ দিনৰ সাধনাৰে সময়ৰ লগত ফেৰ মাৰি ল'ৰা-ছোৱালীহালক উপযুক্ত কৰি তুলিবলৈ সক্ষম হৈছিল সুমিত্ৰা দেৱী। বহু যুগ ধৰি নিজৰ মন কাৰাগাৰত সঞ্চিত হৈ থকা সংশয় আৰু বিহ্বলতাক ভাঙি চুৰমাৰ কৰি ওলাই আহিবলৈ সক্ষম হৈছিল সুমিত্ৰা— সুমিত্ৰা দেৱী ...।

এক প্ৰবল উত্তেজনাই সুমিত্ৰাৰ গোটেই শৰীৰটো জোকাৰি গ'ল। চ'ফাখনত এইবাৰ পোন হৈ বহি ল'লে। —ছেঃ কি কথাবিলাক যে মনলৈ আহি আছে। — সুমিত্ৰাই নিজকে বাস্তৱলৈ ঘূৰাই আনিবলৈ চেষ্টা কৰিলে। চাহ একাপ খাবলৈ মন গৈছিল যদিও অলসতাৰ বাবে উঠি যাবলৈ মন নকৰিলে। ডিব্ৰুগড়ৰ পৰা ল'ৰা বোৱাৰীৰ খবৰ পাবলৈ ৰাস্তৰ ফোনৰ প্ৰতিক্ষাত বহি ৰ'ল। সুমিত্ৰা দেৱী আজি ঘৰখনত একান্ত অকলশৰীয়া হ'লেও এক বলিষ্ঠ হৃদয়ৰ অধিকাৰী সুমিত্ৰা দেৱী। ♦

"বৰ্বৰ জাতিৰ বাহিৰে সমগ্ৰ ভূমণ্ডলৰ মানৱ জাতিক পৰিচালনা কৰে কিতাপে।"

-ভল্টেয়ৰ

Scanned by CamScanner



# মায়া

তৃষ্ণা বৰকাকতি
ফোন : ৯৩১২৪০৬৫২৮

ৰাতিপুৱা শোৱাৰ পৰা উঠি আহি সেই চকীখনত বহাতো আমাৰ সকলোৰে এটা অভ্যাসত পৰিণত হৈ পৰিছে। কোনোবাই কুহুমীয়া পানী এগিলাচ বা কোনোবাই ৰঙাচাহ একাপ হাতত লৈ। পিছে কেতিয়াবা সময়ত একেলগ হ'লে প্ৰতিজনে পৰস্পৰৰ বাবে সেই আসন এৰি দিয়ে। দেখা দেখিকৈ বা বুজি পোৱাকৈ নহয়, অথচ প্ৰতিজনে জানে। চকীখন প্ৰকৃততে বহিবলৈ বৰ আৰামদায়ক। যিদিনাই গৃহ প্ৰৱেশ কৰিলো সেইদিন ধৰি এই পুৰণি দিনৰ বেতৰ চকীখনো তাতেই থোৱা আছে। মাজে মাজে কোঠালীটোত নতুনত্ব দিবৰ বাবে আচবাব পত্ৰসমূহ ইফাল সিফাল কৰি চাওঁ। কিন্তু ঘূৰি ঘূৰি আহি আকৌ সেই স্থানতে চকীখন থব লগা হয়। সাময়িকভাৱে আঁতৰাই থলেও সকলোৰে মন্তব্য কিবা এটা মিলা নাই। গতিকে পুনৰ একেই স্থানতে তাৰ অৱস্থিতি।

সাময়িক

আজি মইও একে ঠাইতে বহি ভাবিছোঁ- কিয় বাৰু এনে হয়! কাষত এটা সৰু একুৰিয়াম। ইয়াৰো এটা মিঠা স্মৃতি আছে। সৰু ছোৱালীৰ জন্মদিনত তাইক উপহাৰ স্বৰূপে কিনি দিছিলো। কোনোবা বান্ধবীৰ ঘৰত কুকুৰ পোহা দেখি তাইৰো মন গ'ল কুকুৰ পুহিবলৈ। মোক বৰকৈ আমনি কৰিবলৈ ধৰিলে। পিছে মনাব নোৱাৰি শেষত বায়েকৰ সৈতে লগ হৈ মোৰ মন কোমলাবৰ বাবে ক'লে- "ঘৰত পোহনীয়া জীৱ-জন্তু কিবা এটা ৰাখিব লাগে। দিনত তোমাৰো লগ হ'ব, আমিও খেলিব পাৰিম আৰু পূণ্যও হ'ব"— ইত্যাদি। মইও বহু বুজালো যে, জীৱ-জন্তুকো ঘৰত কেচুৱাৰ দৰে মৰম কৰি ৰাখিব লাগিব। আমি ফুৰিবলৈ গলে অকলে ক'ত কেনেকৈ থৈ যাম, সিহঁতে কষ্ট পালে ভগবানেও বেয়া পাব আৰু পাপ লাগিব নহয়— হয়নে নহয়? সিহঁতেও মোৰ কথা দুখ মনেৰে মানি ললে। কিন্তু মোৰ মনটোৱে তাৰ এটা প্ৰতিকাৰ বিচাৰিব ধৰিলে, আৰু শেষত উপায় ওলাল এই একুৰিয়াম মানে মোৰ কাষত থকা এই মাছৰ সৰু ঘৰতো। জন্মদিনৰ দিনা স্কুলৰ পৰা আহি পানীৰ মাজত উমলি থকা মাছ কেইটা দেখি স্ফুৰ্ত্তি পোৱা সিহঁত দুয়োজনীৰ মুখখন মনত পৰিলে মোৰ আজিও ভাল লাগে। এতিয়া দুয়োজনীৰ বিয়া হৈ গ'ল। মাছৰ ঘৰটো উমলি থকা মাছবোৰৰ দায়িত্ব আজিও মোৰ। সঁচাকৈয়ে ভাল লাগে পুৱা দানা খাবলৈ দিওতে সিহঁতৰ মাজত লগা উথপ-থপনি দেখি। আজিও বহি পৰিছো সিহঁতৰ কাষত। চেনি-গাখীৰ নিদিয়া ৰঙা চাহকাপ হাতত লৈ সদায় তাত বহাটো মোৰ অভ্যাস। প্ৰথমে মাছ কেইটাক দানা খাবলৈ দিওঁ- তাৰ পাছত সৰু সৰু ফুলৰ টাব কেইটাত পানী দিওঁ। ইতিমধ্যে বাকি থোৱা চাহকাপৰ উত্তাপ মোৰ খোৱাৰ বাবে জোখৰ হৈ পৰে। বিস্কুট এটাৰ সৈতে এই চাহ কাপ পুৱা নাখালে দিনটোলৈ মনটোত কিবা এটা কাম যেন আধৰুৱা হৈ থাকিল তেনে লাগে। অথচ আগতে জয়া বাইদেৱে স্বাস্থ্যৰ বাবে এনে চাহ খোৱা ভাল বুলি কলে মই প্ৰায়ে ঠাট্টা কৰি কওঁ "থওক হে জয়া বা, শুই উঠি এই ৰঙা চাহকাপ খালে মোৰ মনটো দিনটোলৈ উদাস হৈ থাকিব। মই নোৱাৰিম দেই, ইমান দুখীয়াৰী মন লৈ থাকিব। আপুনিয়ে চেনী গাখীৰ ৰাহি কৰি ধনী হৈ থাকক।" এতিয়া আকৌ ওলোটাহে হ'ল।

এৰা পুৱা চকীখনত বহি ৰঙা চাহ কাপ খোৱাৰ পাছত আৰম্ভ হয় মোৰ দৈনিক জীৱন। বৰ্ত্তমান ঘৰত মই কিছুদিন ধৰি অকলে আছো। ছোৱালী বিয়া দিলো — অৱশ্যে ওচৰে-পাজৰে থাকে বাবেই অকলে আছো যেন নালাগে। এওঁ বদলি হৈ বৰ্ত্তমান আপোন ঠাইত। মোৰ দুই নাও দুই ভৰি। ইয়াত পাতি লোৱা পুতলা হেন মৰমৰ ঘৰখন কেনেকৈ এৰি থৈ যাওঁগৈ—তাতে আঠাইছ বছৰীয়া বন্ধু-বান্ধবৰে ভৰা এখন সমাজ, জী-জোঁৱাইৰ মৰম-আদৰ আৰু দায়িত্ব। আনহাতে এওঁ অকলে এঠাইত। কোনোবা সময়ত এনে লাগে এতিয়াই যাওঁগৈ, আকৌ চোন মনটোৱে কয়-"আৰু অলপ দিন ৰৈ যোৱা, ঘৰখন কেনেকৈ দাঙি নিবা---।"

ঘৰখনৰ প্ৰতিটো বস্তুৰে সৈতে মোৰ এক সম্পৰ্ক গঢ়ি উঠিছে। ফ্ৰীজটো প্ৰথম আহিয়ে ৫০ টকা দি আগধন কিনা। আজিলৈকে কোনো অসুবিধা নিদিয়াকৈ সি নিজৰ কাম কৰিয়ে আছে। কেনেকৈ দলিয়াই পেলাওঁ? ঘূৰি ঘূৰি বহিব পৰা চকী কেইখন— সৰুতে এই চকীত বহি যোৱা ল'ৰা-ছোৱালীবোৰৰ আন কথা মনত থাকক নাথাকক, চকীকেইখন মনত থাকে এযুগৰ পিছতো। চকী কেইখন দেখি কয়- "অ, অ মনত পৰিছে এতিয়া, এই ককা-আইতাৰ কথা, সৰুতে ইয়াত থকাৰ কথা।" সন্মুখৰ দেৱালত আঁৰি থোৱা প্ৰকাণ্ড জাপিটো দেখিলে মনত পৰে আজিৰ মুখ্যমন্ত্ৰীজনে তাহানিত ডেকা ছাত্ৰ নেতা হৈ থাকোতে আমাক দিয়া উপহাৰ। সুন্দৰ অসম গঢ়াৰ পণ আৰু সপোন বাস্তৱ কৰাৰ প্ৰতিশ্ৰুতিৰে দিল্লীৰ কনষ্টিটিউচন ক্লাবৰ আলোচনাচক্ৰৰ ভাষণৰ কথা। আৰু কিমান যে স্মৃতি আছে।

দেৱালত লগোৱা বাঁহৰ টাইলখিনিৰ কথা সকলোৱে সোধে। বেছি দামত কিনি আনি এওঁ বহু দিনলৈ আপচোচ কৰি আছিল। এতিয়া আকৌ কোনোবাই বৰ সুন্দৰ বুলি কলে গৌৰৱত বুকু ওফন্দি উঠে। পিছে মোৰ ভাৱ হয় এওঁৰ যেন মোৰ দৰে বয়-বস্তুৰ প্ৰতি আকৰ্ষণ কম। ঘৰখনৰ প্ৰতি মৰম নাই মোৰহে যেন এইবোৰৰ প্ৰতি আকৰ্ষণ বেছি। নে মোৰ দৰে সকলো মাইকী মানুহৰ সম্পদৰ মোহ থাকে?

কেনেকৈ সামৰিম, কিমান সামৰিম বা কি কি টোপোলা পাতিম? জীৱনত আধা বয়সচোন গোটাওঁতেই গ'ল। মৰিবলৈ কেইটা দিন আছে নেজানো——তথাপিও কিয় বাৰু ইমান আকৰ্ষণ? লোভ নে মোহ? হঠাতে মৰি থাকিলে কৰ বস্তু কলৈ যাব কোনে জানে? হয় দেই ইমান মায়া-মোহৰ মাজত মৰিও শান্তি নাপাম। আকস্মিক হাৰ্ট এটেক আহি মৰি থকাই ভাল বুলি হাতত থকা বিস্কুট কামুৰিবলৈ গৈ নিজৰ আঙুলিটোত কামোৰ খাওঁতেহে বাস্তৱ জগতলৈ ঘূৰি আহিলো।— নাই, নাই লগে লগে সিদ্ধান্ত ললো এওঁৰ ওচৰলৈ যামগৈ। থকা দিন কেইটাত আমি দুয়ো বুঢ়া-বুঢ়ী একেলগেই থাকিম। ♦

"দেশ বিদেশৰ
বৰ কিতাপত
মোৰ ছবিটো নাই
আন কোনোবাই, কৈ নিদিলে
মোৰেই ঘৰৰ
মোৰেই দেশৰ
মানুহে কিয়
মোকেই চিনি নাপায়?"

*- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা।*

"সাঁতোৰ সাঁতোৰ নিজ বাহুবলে,
সাঁতুৰিব নেজানিলে যা ৰসাতলে।"

- ভোলানাথ বৰুৱা।



Scanned by CamScanner



# ভক্ত শুক্লধ্বজ, বৃন্দাবনী বস্ত্ৰ আৰু মহাবীৰ চিলাৰায়


*উলুপী কাকতী*

*ফোন নং-৯৫৯৯৬০৫৩৫১*


ভুৱনেশ্বৰী আইদেৱে সন্ধিয়া মন্দিৰা বজাই শুৱলা সুৰেৰে গীত গায়। স্বামী শুক্লধ্বজে মনোমুগ্ধ হৈ শুনে। এদিন তেওঁ সুধিলে "তুমি এনে সুন্দৰ গীত যে গোৱা, কোনে ৰচনা কৰা?" ভুৱনেশ্বৰীয়ে ক'লে, "মোৰ পিতৃৰ জ্যেষ্ঠ ভ্ৰাতা পৰম ধাৰ্মিক বৈষ্ণৱ শ্ৰেষ্ঠ শ্ৰী শংকৰদেৱৰ ৰচনা।"

শুক্লধ্বজে এই কথা শুনি পৰম আগ্ৰহ সহকাৰে ভাৰ্য্যাৰ পৰা তেখেতৰ বিষয়ে গম ল'লে। তাৰ পিছত মহাপুৰুষজনাক লগ পাবলৈ প্ৰৱল ইচ্ছা বেকত কৰি মহাপুৰুষ জনাক অনাবলৈ নাৱেৰে দুত পঠিয়াই দিলে।

দুতে শুক্লধ্বজৰ আজ্ঞা শুনাই অতি সম্ভ্ৰম সৎকাৰ কৰি শংকৰদেৱক লৈ আহিল, শুক্লধ্বজেও আদৰ সমাদৰ কৰি শংকৰদেৱক তেওঁৰ নগৰতে ভালকৈ থকাৰ ব্যৱস্থা কৰিলে। সময়ত মল্লনাৰায়ণ ৰজাই ভ্ৰাতা 'চোটৰাজা'। শুক্লধ্বজৰ পৰা শংকৰদেৱৰ কথা শুনি তেখেতক দেখা কৰাৰ প্ৰস্তাৱ দিলে।

শুক্লধ্বজে শংকৰদেৱক মল্লনাৰায়ণ অৰ্থাৎ নৰনাৰায়ণ ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই তেওঁক পৰম আদৰ সন্মান জনাই অনেক ক্ষণ শাস্ত্ৰালাপ কৰিলে। ৰজাই বিষ্ণু-বৈষ্ণৱৰ কথা, বৈকুণ্ঠৰ বিৱৰণ, বৃন্দাৱনৰ বৃতান্ত, শ্ৰীকৃষ্ণ আৰু গোপ-গোপীসকলৰ বিৱৰণ ইত্যাদি সুধিলত মহাপুৰুষজনাই সকলো তন্ন তন্নকৈ ৰজাক বিৱৰি ক'লে।

তাৰ পিচত শুক্লধ্বজ আৰু নৰনাৰায়ণ ৰজাই নম্ৰভাৱে বৃন্দাবনখন পটত দেখুৱাব পাৰে যদি অতিশয় আনন্দ লাভ কৰিব বুলি ক'লে। এই কথা শুনি শংকৰদেৱে ৰজাক ক'লে যে কাপোৰৰ পট বোৱাৰ নিমিত্তেনানা বৰণীয়া সুতাৰ দিহা কৰিলে নিশ্চয় কেইমাহমানৰ ভিতৰত সেই পট প্ৰস্তুত কৰিব পৰা যাব। ৰজাই সন্তোষ লভি আৱশ্যকীয় সামগ্ৰী যোগানৰ ব্যৱস্থা কৰি তাঁতীকুচি আদি ৰাজ্য খণ্ডৰ ওপৰত শংকৰদেৱক অধিকাৰ প্ৰদান কৰি পাটবাউসীতে বাৰভূঞা পদত অভিষেক কৰিলে আৰু সেই খণ্ড ৰাজ্যৰ পালন শাসনৰ ক্ষমতা দিলে। ককায়েক নৰনাৰায়ণ ৰজাৰ এই কথাত শুক্লধ্বজ আনন্দিত হ'ল আৰু ৰামৰায়ৰ কন্যা ভুৱনেশ্বৰীৰ সতে শৰণ দিবলৈ অনুনয় বিনয় কৰাত মহাপুৰুষজনাই দুয়োকে শৰণ দিলে।

পাটবাউসীত শংকৰদেৱে তাঁতীসকলক ৰজাৰ আদেশ শুনায়, আৰু বৃন্দাবনীয়া কাপোৰ ব'বলৈ লগাই দিয়ে। সেই হিচাপে আমাৰ অসমৰ গৌৰৱ বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰাৰ হোতা ভক্ত শুক্লধ্বজেই নহয় জানো?

শংকৰদেৱে ভকতসকলক লগতলৈ তীৰ্থ ভ্ৰমণ কৰি উভতি আহি বেহাৰ পাই ঘাটত নাও লগালত শুক্লধ্বজে মহাপুৰুষজনক আনি আগৰবাৰ আহি থকা ফুলনিবাৰীৰ বাহাতে থাকিবলৈ ব্যৱস্থা কৰিলে।

শুক্লধ্বজৰ সৈতে ভুৱনেশ্বৰীকে আদি কৰি এশগৰাকী ৰাণীয়ে প্ৰত্যেকে একোসাজ কাপোৰ, ধন আৰু একোধাৰ ফুলৰ মালা শংকৰদেৱৰ সন্মুখত থৈ মহাপুৰুষজনাক সেৱা জনালে। সকলোকে এধাৰীকৈ মালা তেখেতে সমাদৰে দি যোৱাৰ পাচত দুধাৰী মালা বৈ যোৱাত নিজে পিন্ধিলে। সেই এশগৰাকীয়েও প্ৰাৰ্থনা কৰি ধৰ্মক ধৰিলে।

ৰজা নৰনাৰায়ণৰ আজ্ঞা মতে শুক্লধ্বজে সন্ধৰা কাজীৰ কলাবাৰীৰ কলগছবোৰ কটোৱাই সেই স্থানতে হাটীবাৰী নামঘৰ, মণিকূট আদি সজাই মহাপুৰুষজনাৰ থকাৰ ব্যৱস্থা কৰিলে। তাতে ডেৰ বছৰমান কাল থাকি সৎ কথা আলোচনা কৰিলে।

তাৰ পিছত ১৪৯০ শকৰ ভাদৰ শুক্লা দ্বিতীয়া তিথিত দিনৰ ডেৰ প্ৰহৰত মহাপুৰুষ শংকৰদেৱে নশ্বৰ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰিলে। ভক্ত শুক্লধ্বজে শৰদাহৰ বাবে আৱশ্যকীয় বিস্তৰ ঘিউ, চন্দন-অগৰ কাঠ ৰাজ ভঁৰালৰ পৰাই পঠিয়ালে।

এইয়া ভক্ত শুক্লধ্বজৰ কাহিনী, যিজনা ভক্তৰ বাবেই অসমৰ গৌৰৱ বৃন্দাবনী বস্ত্ৰৰ প্ৰস্তুতি হৈছিল।

এইবাৰ শুক্লধ্বজৰ চিৰ পৰিচিত ৰূপ বীৰ চিলাৰায়ৰ বিষয়েও চমুৱাই উনুকিয়াই থওঁ।

কমতাপুৰৰ কোঁচ বংশৰ মহা প্ৰতাপী মহাৰজা বিশ্বসিংহৰ (১৫২৩-১৫৫৪) আৰু মহাৰাণী পদ্মাৱতীৰ তৃতীয় পুত্ৰ আছিল শুক্লধ্বজ।

পূৰ্ণিমাত জন্ম গ্ৰহণ কৰা আৰু গাৰ বৰণ বগা হোৱাৰ বাবে নাম ৰখা হৈছিল শুক্লধ্বজ। উচ্চ শিক্ষা লাভ কৰিবলৈ ককায়েক মল্লদেৱৰ সৈতে বাৰনাসীলৈ গৈছিল। তাত বিভিন্ন বিষয়ত সংস্কৃত, ব্যাকৰণ, সাহিত্য, আইন, জ্যোতিষবিদ্যা আদিৰ সৈতে যুদ্ধবিদ্যাৰো জ্ঞান আহৰণ কৰে। কাশীত ব্ৰহ্মানন্দ নামৰ এজনা সাধক তপস্বী পণ্ডিতৰ ওচৰত শাস্ত্ৰাদি অধ্যয়ণ কৰিছিল।



Scanned by CamScanner

খ্ৰীঃ ১৫৩৪ চনত মল্লদেৱে নৰনাৰায়ন নাম লৈ কোঁচ ৰাজপাটত উঠি ৰজা হ'ল আৰু ভায়েক শুক্লধ্বজক চিলাৰায় নাম দি যুৱৰাজ পাতিলে। যুৱৰাজ শুক্লধ্বজ এজন বৰ বাহুবলী আৰু যুদ্ধবিদ্যাত পাৰ্গত আছিল। তেওঁৰ বাহুবলেই নৰনাৰায়ণ ৰজাৰ ৰাজ্যত মূলশক্তি আছিল। আহোম ৰজাৰে সৈতে খ্ৰীঃ ১৫৪৬ চনত দিকৰাই নৈৰ পাৰত এক ঘোৰ যুদ্ধ হয়। যুদ্ধত তেতিয়াৰ আহোম ৰজা চুক্লেনমুং (গড়গঞা ৰজা) ঘাটিল, ৰজাই নৰনাৰায়ণলৈ নিজৰ জীয়েক এগৰাকীক বিবাহ কৰোৱাই সন্ধিস্থাপন কৰিলে। আহোম ৰজাৰ সৈতে মিত্ৰতা কৰাৰ পাচত চিলাৰায়ক হিড়িম্বেশ্বৰ ৰাজ্য আক্ৰমণলৈ পঠোৱা হ'ল। চিলাৰায়ে নিজ পৰাক্ৰমে হিড়িম্বা বা ডিমাপুৰৰ কছাৰী ৰজাক যুদ্ধত পৰাস্ত কৰি ককায়েক নৰনাৰায়ণ ৰজাৰ তলতীয়া কৰে। কছাৰী ৰাজ্য কোঁচৰাজ্যৰ শৰণীয়া কৰাৰ পাচত মণিপুৰ ৰজাই চিলাৰায়ৰ বাহুবলৰ সম্ভেদ পাই যুদ্ধ নকৰাকৈয়ে ২০,০০০ টকা ৰূপ, ১,০০০ সোণৰ মোহৰ আৰু ১৪ টা হাতীৰে পেচ্‌কচ্ পঠিয়াই কোঁচ ৰজাৰ লগত সন্ধি কৰিলে। তাৰ পিছত জয়ন্তীয়া ৰজাক ৰণত হত্যা কৰি ৰজাৰ পুতেকক পিতৃ সিংহাসনত স্থাপন কৰি কৰতলীয়া ৰজা পাতিলে। জয়ন্তীয়া ৰাজ্যৰ অন্তৰ্গত খৈয়াম ৰাজ্যৰ ৰজা বীৰ্য্যৱন্তই যুদ্ধ নকৰি মূল্যৱান পেচ্‌কচ্ দি বশ্যতা স্বীকাৰ কৰি কৰতলীয়া হ'ল। তাৰ পিছত ডিমৰুৱীয়া ৰাজ্য আক্ৰমণ কৰি ৰজাক বন্দী কৰি আনে।

তাৰ পিছতে শ্ৰীহট্ট ৰজাৰ লগত দহদিন তুমুল যুদ্ধৰ পাচত চিলাৰায়ে ৰণমদত উন্মত্ত হৈ চিলা উৰাদি উৰি খোলা তৰোৱালেৰে শ্ৰীহট্ট ৰজাক নিজ হাতেৰে খণ্ড খণ্ড কৰি কাটে।

খ্ৰীঃ ১৫৬২ আৰু ১৫৬৩ চনত চিলাৰায়ে পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰে। স্বৰ্গদেৱ যুদ্ধত হাৰে। সদৌশেষত গৌড় দেশ আক্ৰমণ কৰিবলৈ নৰনাৰায়াণ ৰজাই চিলাৰায়ক পঠিয়ায়। শ্ৰীহট্টত কোঁচ সৈন্য একেবাৰে জুৰুলা হোৱাৰ বাবে গৌড় ৰজাৰ তেজী সৈন্যৰ আগত তিকিব নোৱাৰিলে। কিন্তু চিলাৰায়ে অসংখ্য শত্ৰু সৈন্যৰ মাজত সোমাই সিংহ বিক্ৰমেৰে যুদ্ধ দিলে যদিও বীৰ চিলাৰায় বন্দী হ'ল।

বন্দী অৱস্থাত গৌড়ৰজাৰ মাতৃক সৰ্প দংশনৰ ফলত মৃত প্ৰায় হোৱাত চিলাৰায়ে মাতৃ গৰাকীক মৃত্যু মুখৰ পৰা ৰক্ষা কৰে। গৌড় ৰজাই কৃতজ্ঞ হৈ চিলাৰায়ক মুক্তি দিয়ে। চিলাৰায়ৰ বন্দীৰ সময়তে খ্ৰীঃ ১৫৫৩ চনত গৌড়ৰাজ্যৰ সেনাপতি কালাপাহাৰে (কালাঁচাদ) অসম আক্ৰমণ কৰি কামাখ্যা মন্দিৰকে ধৰি অনেক দেৱ-দেৱীৰ মন্দিৰ ভাঙি চূৰ্ণ কৰে। পাছত চিলাৰায় আৰু নৰনাৰায়ণে সেইবোৰ পুনৰ নিৰ্ম্মাণ কৰে। তাৰ দুবছৰমান পাছতে দিল্লীৰ সম্ৰাট আকবৰৰ সেনাপতি মানসিংহই গৌড়দেশ জয় কৰে , সেই ছেগতে চিলাৰায়ে গৌড়ৰাজ্য মোগলৰ সৈতে সমানে ভাগ কৰি লয়। এনে সময়তে বসন্তৰোগত আক্ৰান্ত হৈ ১৫৭৭ চনত গঙ্গাৰ পাৰত এইজনা মহাবীৰ চিলৰায়ৰ মৃত্যু হয়। ♦



"অসমৰ বুৰঞ্জী অসমীয়া জাতিৰ নিমিত্তে কল্পতৰু বৃক্ষ। বিচাৰিব জানিলে মাগন্তাজনে ইয়াতে সাহিত্যৰ সঁফুৰা, ৰাজনীতিৰ বীজমন্ত্ৰ, সমাজ উন্নয়নৰ পন্থা, জাতি গঠনৰ প্ৰকৃত উপায় আদি পাব।"

- বেনুধৰ শৰ্মা।



Scanned by CamScanner



# চিনেমা- হিন্দী বোলছবি

*হিৰণ্য কুমাৰ দাস*
*ফোনঃ ৯৭১১৭০১৬৭৯*

চিনেমা বুলিলেই সাধাৰণতে হিন্দী বোলছবিৰ কথাই মনলৈ আহে। ভাৰতীয় বোলছবিৰ জন্মৰ এশ বছৰ ২০১৩ চনতে পুৰন হ'ল। প্ৰতি বছৰে ভাৰতবৰ্ষতে পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি চিনেমা নিৰ্ম্মাণ কৰা হয়। সমীক্ষা মতে ২০১২ চনত ভাৰতবৰ্ষত বিভিন্ন ভাষাৰ সৰ্ব্বমুঠ ১৬০২ খন বোলছবি নিৰ্ম্মাণ হৈছিল। এই ভাৰতীয় চিনেমা গোটেই পৃথিৱীৰাত প্ৰায় ৩০০ কোটি মানুহ উপবাস কৰে। চিনেমা নিৰ্ম্মাণক লৈ ভাৰতবৰ্ষত এক বিশাল উদ্যোগ গঢ় লৈ উঠিছে।

চিনেমা ভাৰতীয় জনসাধাৰণৰ এক প্ৰধান উপভোগৰ আহিলা। বহুদিনৰ আগতে কৰবাত পঢ়া মনত আছে যে ভাৰতীয় চিনেমা বিশেষকৈ হিন্দী বোলছবি আৰু ভাৰতৰ ধৰ্ম্ম মঠ মন্দিৰ, পূজা আদিয়ে ভাৰতীয় জনসাধাৰণক সজীৱ কৰি ৰাখিছে। চিনেমাৰ কথা ভাবিলেই কিছু ব্যক্তিগত কথা মনলৈ আহে। মনত আছে একেবাৰে সৰু কালতে মই প্ৰথম চিনেমা দেখিছিলো। মোৰ মাৰ কোচত বহি মোগলী-ই-আজম। মই সম্ভৱত ছয়-সাত বছৰৰ ল'ৰা আছিলো। মোগলী-ই-আজমৰ দুই-এটা তেতিয়া দেখা দৃশ্য খেলিমেলিকৈ মনলৈ আহে। দিলীপ কুমাৰে অভিনয় কৰা সেই বিখ্যাত কলা-বগা ছবিখন কিছুবছৰৰ আগতে সুন্দৰ ৰঙীন চিনেমালৈ পৰিৱৰ্তিত কৰে।

সেই সৰুকালতে মনত আছে নগাঁৱৰ এলপিনিষ্টন [Elpinistone] হলত 'মোগলী-ই-আজম চাইছিলো। সেই হলত শুক্ৰবাৰে নতুন চিনেমা লগালে তাৰ প্ৰচাৰৰ বাবে ঘোঁৰা বাগী এখনত চিনেমাৰ পোষ্টাৰ লগাই এজনে চিনেমাৰ কথা মাইকত কৈ কৈ ঘোঁৰা বাগীখন নগাঁও চহৰ আৰু গাঁৱ আদিত ফুৰাইছিল। ঘোঁৰা বাগীখনৰ পৰা চিনেমাৰ কাগজ, লিফলেট দলিয়াই দিওঁতে সৰু ল'ৰা-ছোৱালী বিলাক ঘোঁৰা বাগীৰ পিছে পিছে দৌৰি কাগজবোৰ বুটলিছিল।

তাৰ পিছত মনত পৰে ড° ভূপেন হাজৰিকাৰ 'তক্‌দীৰ' নামৰ হিন্দী বোলছবিখন 'ভাগ্য' নামেৰে অসমীয়ালৈ ৰূপান্তৰ (১৯৬৮) কৰে। ছবিখন বৰ জনপ্ৰিয় হৈছিল। তেতিয়াৰ সেই ছবিৰ গীত মানুহৰ মুখে মুখে। "নৱ নৱ বহাগ আহে", "সৰু ফুলে মিছিকি হাঁহে..."

তাৰ পিছতে কলেজত পঢ়া দিনত নগাঁৱৰ 'কৃষ্ণা' চিনেমা হলত দেউবাৰে ৰাতিপুৱা English Morning Show চোৱাৰ কথা। জীন্স আৰু টি-চাৰ্ট পিন্ধি স্কুল কলেজৰ ল'ৰাবোৰে Morning Show চাই আছিল। "Frankestine" নামৰ এখন English ছবি ছোৱাৰ কথা মনত পৰে।

ব্যক্তিগত কথাৰ পৰা ভাৰতীয় চিনেমাৰ ইতিহাসৰ কথালৈ আহোঁ। ভাৰতীয় বোলছবিৰ জন্মদাতা দাদা চাহেব ফালকে। তেখেতৰ ১৯১৩ চনতে নিৰ্ব্বাক ছবি (Silent Movie) "ৰাজা হৰিচন্দ্ৰ" নিৰ্ম্মাণ কৰি উলিয়াইছিল। তাৰ পিচত ১৯৩১ চনত প্ৰথম কথাছবি "আলাম আৰা" নিৰ্ম্মাণ কৰে আদেশ ইৰানীয়ে। চিনেমা নিৰ্ম্মাণৰ ক্ষেত্ৰত অসমো পিছপৰি থকা নাছিল। ১৯৩৫ চনতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া ছবি "জয়মতী" নিৰ্ম্মাণ কৰিছিল। অসমৰ এজন বিখ্যাত পৰিচালক প্ৰথমেশ বৰুৱাই বিখ্যাত হিন্দীছবি "দেৱদাস" প্ৰস্তুত কৰিছিল।

ছল্লিছ আৰু পঞ্চাছৰ দশকত ভাৰতৰ অৰ্থনীতি প্ৰধানত কৃষি প্ৰধান আছিল। ভাৰতীয় সমাজখন দৰিদ্ৰতা, নিৰক্ষৰতা জাতিভেদ মহিলাৰ শোষণ, ধনী-দুখীয়াৰ সংঘাত আদিৰে জৰ্জৰিত হৈ আছিল। সেয়ে এই দুটা দশকৰ চিনেমাবোৰত সমাজৰ এই সমস্যাবোৰৰ প্ৰতিচ্ছবি ফুটি উঠিছিল। অশোক কুমাৰৰ অভিনীত 'অচ্যুত কন্যা' (১৯৩৬) কে.এল. চাইগলৰ অভিনীত 'দেৱদাস' (১৯৩৬), বলৰাজ চাহনীৰ অভিনীত "দো বিঘা জমিন" আদিৰ উল্লেখ কৰিব পাৰি।

সেই সময়ত তিনিজন প্ৰায় সমবয়সৰ সুন্দৰ অভিনেতাই হিন্দী বোলছবি জগতখন কঁপাই তুলিলে। তেওঁলোক দিলীপ কুমাৰ, ৰাজকাপুৰ, দেবানন্দ। তাৰ লগতে আহি পৰিছিল সুন্দৰ অভিনেত্ৰী মধুবালা, বৈজন্তীমালা, মীনা কুমাৰী, নাৰ্গিছ আদি। "জোৱাৰ ভাৰ্টা", "শ্বহীদ", "আন্দাজ", "নয়া দৌৰ", "দেৱদাস" আদিত অতি সুন্দৰ অভিনয় কৰা দিলীপ কুমাৰক Tragedy King বুলি জনা গৈছিল। নিজৰ পৰিচালনা আৰু অভিনয়েৰে সুন্দৰ চিনেমা বনোৱা আনজন হৈছে ৰাজকাপুৰ। ৰাজকাপুৰৰ শ্ৰী ৪২০ , আৱাৰা, আন্দাজ, আনাৰী আদি চিনেমাই মানুহৰ মন মোহিত কৰিছিল। তেখেতৰ 'আৱাৰা' চিনেমাই ৰাছিয়াৰ জনসাধাৰণক আকৰ্ষিত কৰিছিল। "Stylish Actor" ৰূপে খ্যাত আনজন অভিনেতা দেৱানন্দ। তেখেতৰ "জিদ্দি" "বাজি" "চি আই ডি" আদিত কৰা অভিনয়ে বোলছবি জগতত আলোড়নৰ সৃষ্টি কৰিলে। এই তিনিজন অভিনেতাই 'ষ্টাৰ' তাৰকাৰ খ্যাতি পালে। এওঁলোকৰ বাহিৰেও সেই সময়ত সুনীল দত্ত আৰু



Scanned by CamScanner

ৰাজকুমাৰ অভিনীত "মাদাৰ ইন্দিয়া", ভি চান্টাৰামৰ পৰিচালিত "দো আঁখে বাৰ হাত" আৰু গুৰুদত্তৰ অভিনীত 'কাগজ কা ফুল' আদি ছবিয়ে আলোড়নৰ সৃষ্টি কৰিলে।

যাঠিৰ দশকত মানুহৰ জীৱনৰ সুখ-দুখৰ কাহিনী, নাচ-গানৰে ভৰপুৰ কৰি ছবি নিৰ্ম্মাণ হ'ল। হাজাৰ হাজাৰ লাইটেৰে গ্লাচৰ ওপৰত প্ৰতিফলিত কৰি নিৰ্ম্মাণ কৰা মোগল-এ-আজমৰ (১৯৬০) কথা উল্লেখ কৰিব পাৰি। দিলীপ কুমাৰ, মধুবালা, পৃথিৰাজ কাপুৰ অভিনীত এই ছবি বম্বেৰ চিনেমা হল "মাৰাঠা মন্দিৰ"ত একেৰাহে তিনিবছৰ চলিছিল। দিলীপ কুমাৰে অভিনয় কৰা ভোজপুৰী আৰু ডকাইতিৰ কাহিনীৰ আন এখন উল্লেখযোগ্য ছবি "গঙ্গা যমুনা" (১৯৬১); অভিনেতা কামাল হাচানে Dilip Kumar নামৰ কিতাপখনত উল্লেখ কৰিছে। খ্যাতনামা পৰিচালক ৰমেশ চিপ্পীয়ে কৈছে "Every actor should compulsorily watch 'Ganga Jamuna' for study of screen historionics. "

এই দশকতে আন এজন তাৰকা ৰাজকাপুৰে নিৰ্ম্মাণ কৰিলে 'জিচ দেশ মে গঙ্গা বেহতি হে', 'কিউ' আৰু 'সঙ্গম'।

তৃতীয়জন তাৰকা দেৱানন্দ আৰু অভিনেত্ৰী ৱাহিদা ৰহমান অভিনীত বিখ্যাত ছবি "গাইড" (১৯৫৫) নৃত্য গীতেৰে ভৰা এই ছবিত সুন্দৰ সঙ্গীত আছিল এচ ডি বৰ্মনৰ। এই তিনিজন তাৰকাৰ বহিৰেও শ্বাম্মী কাপুৰ অভিনীত "টিচিৰি মঞ্জিল" মনোজ কুমাৰৰ পৰিচালিত ও অভিনীত "উপকাৰ" আদিৰ কথা উল্লেখ কৰিব পাৰি। ইয়াৰ বাহিৰেও অভিনেতা জিতেন্দ্ৰই অভিনয় কৰা 'ফৰ্জ', 'কাৰাৱান', 'পৰিচয়', 'জিগৰী দোষ্ট' আদিয়ে দৰ্শকৰ মন মোহিত কৰিছিল।

মোৰ অনুভৱত সত্তৰ দশকটো ভাৰতীয় বোলছবিৰ উল্লেখযোগ্য দশক। এই দশকতে অভিনয় কৰা দুজন অভিনেতা ৰাজেশ খান্না আৰু অমিতাভ বচ্চনে চুপাৰ ষ্টাৰৰ (Superstar) খ্যাতি অৰ্জন কৰিলে। এই দশকত বহু কেইজন বিখ্যাত অভিনেতাক একেলগে অভিনয় কৰাই Multistarer ছবি নিৰ্ম্মাণ হ'ল। এই দশকতে আৰ ডি বৰ্মনৰ সঙ্গীত আৰু কিশোৰ কুমাৰৰ কণ্ঠই বোলছবি সঙ্গীতক এক নতুন ৰূপ দিলে। এই দশকৰ অৱস্তণিতে দেখাত সুন্দৰ, ৰোমান্টিক অভিনয় কৰা ৰাজেশ খান্নাই পদাৰ্পন কৰে। ভাৰতৰ যুৱক-যুৱতী ৰাজেশ খান্নাৰ বাবে পাগল হৈ পৰিছিল। ভি শান্তাৰামৰ পৰিচালনাত কৰা "অমৰ প্ৰেম" ছবিখনে ৰাজেশ খান্নাক এজন Superstar কৰিলে। ৰাজেশ খান্নাই সুন্দৰ অভিনয় কৰা আন এখন ছবি 'আনন্দ'। এজন কেন্সাৰ ৰোগী তেওঁৰ মৃত্যু হ'ব বুলি জানিও জীয়াই থকা দিন কেইটা কেনেকৈ সুন্দৰভাৱে থাকিব পাৰি তাক দেখুওৱা হৈছিল হৃষীকেশ মুখাৰ্জীৰ এই ছবিত।

এই দশকৰ আৰম্ভণিতে অতি মোহময়ী এগৰাকী অভিনেত্ৰী হেমা মালিনীৰ পদাৰ্পন হয়। তেওঁ পিছলৈ Dream Girl আখ্যা পায়। দেৱানন্দ আৰু হেমা মালিনী অভিনীত "জনী মেৰা নাম" এখন সুন্দৰ মনোৰঞ্জনৰ ছবি। পিছলৈ 'সীতা ঔৰ গীতা' 'ড্ৰিম গাৰ্ল' আদি ছবিত হেমা মালিনীয়ে সুন্দৰ অভিনয় কৰিলে। ইয়াৰ পিছতে দেখাত সুন্দৰ অভিনেতা ধৰ্মেন্দ্ৰৰ লগত বহু ছবি কৰিলে, হেমা মালিনীৰ বিষয়ে Filmfare মেগাজিনে লিখিলে - "One day God decided They needed a landmark of Indian womanhood and He created Hema Malini" ঠিক তেনেকৈয়ে ধৰ্মেন্দ্ৰই ১৯৬০ চনত পৃথিৱীৰ ১০জন সুন্দৰ যুৱকৰ এজন খিতাপ পাইছিল।

পৰিচালক কমল আমৰোহীয়ে পৰিচালনা কৰা ১৯৭২ চনৰ এখন বিখ্যাত ছবি 'পাকিজা'। এই ছবি তৈয়াৰ কৰিবলৈ ১৪বছৰ লাগিছিল। এই ছবিত নৃত্যৰ বিখ্যাত অভিনয় কৰা অভিনেত্ৰী কমল আমৰাহীৰ পত্নী মীনাকুমাৰী হঠাতে অসুস্থ হৈ পৰাত ছবিৰ প্ৰস্তুতি বন্ধ আছিল। এই ছবিত সঙ্গীতকাৰ গোলাম মহম্মদে ৰচনা কৰা সুন্দৰ সঙ্গীত আৰু গীতবোৰ উৰ্দ্দু কবিতাৰ নিয়ৰৰ টোপালৰ দৰে লাগে। গোলাম মহম্মদৰ চিনেমাখন ওলোৱাৰ আগতেই মৃত্যু হয় আৰু মীনা কুমাৰী চিনেমা প্ৰচাৰৰ কিছুদিনৰ পিছতে পৰলোক হয়।

ৰাজ কাপুৰে 'মেৰা নাম জোকাৰ' বিফলতাৰ পিছত প্ৰেমৰ কাহিনীৰে ঋষি কাপুৰ-ডিম্পল কাপাদিয়াক অভিনয় কৰাই বিখ্যাত ছবি 'ববী' নিৰ্ম্মাণ কৰে। লক্ষ্মীকান্ত প্যাৰেলালৰ সঙ্গীত আৰু নৃত্য গীতেৰে ভৰা এই প্ৰেমৰ ছবিখন ইমান জনপ্ৰিয় হ'ল যে সেই সময়ত জন্ম হোৱা প্ৰায়বোৰ ছোৱালী সন্তানক 'ববী' নাম ৰাখিলে।

প্ৰেমৰ অভিনয় কৰা তাৰকা ৰাজেশ খান্নাৰ কিছু পিছতেই খঙাল যুৱক [Angry Young Man] ৰূপে অমিতাভ বচ্চনৰ আবিৰ্ভাৱ হ'ল। "জঞ্জীৰ" আৰু "দীৱাৰ" ছবিত অভিনয় কৰি অমিতাভ বচ্চন Superstar হৈ পৰিল। "দীৱাৰ" ছবিৰ সংলাপ "মেৰে পাছ মেৰী মা হে" মানুহৰ মুখে মুখে হৈ পৰিল। অমিতাভ বচ্চনে অভিনয় কৰাৰ লগতে গান গাব পাৰে, নাচিব পাৰে কৌতুক অভিনয় কৰিব পাৰে, সকলো ধৰণৰ Melodrama কৰিব পাৰে। "He became one man Show" ইয়াৰ পিছত "নমক হাৰাম", "অমৰ আকবৰ এন্থনী", "অভিমান", "কভী কভী", "চুপ্‌কে চুপ্‌কে" আদি এখনৰ পিছত এখন ছবি অতি জনপ্ৰিয় হৈ উঠিল। যুৱকসকলে অমিতাভৰ দৰে Hairstyle আৰু Bell Bottom পেণ্ট পৰিধান কৰিব ধৰিলে। ছবিৰ প্ৰযোজক সকলেও অমিতাভৰ পৰা বহু টকা অৰ্জন কৰিলে। অমিতাভ বচ্চনেই পৰৱৰ্ত্তী সময়ত BBC ৰ দ্বাৰা শতিকাৰ মহানায়ক (Millenium Star) ৰূপে খ্যাত হয়।

সেই সময়তে ৰমেশ চিপ্পিৰ পৰিচানাত সৰ্ব্বকালৰ বিখ্যাত ছবি "শোলে (Sholey)" নিৰ্ম্মাণ হ'ল। যিখন ছবিত একেলগে অমিতাভ বচ্চন, ধৰ্মেন্দ্ৰ, সঞ্জীৱ কুমাৰ, হেমা মালিনী, জয়াভাদুৰী আৰু বিখ্যাত হৈ পৰা আমজাদ খানে অভিনয় কৰিছিল। আমজাদ খানৰ সংলাপ "কিতনে আদমী থে" মানুহৰ মুখে মুখে হৈ পৰিছিল।





Scanned by CamScanner

১৯৭৫চনত বনোৱা এই ছবিখন বম্বেৰ চিনেমা হ'লত একেৰাহে ৫বছৰ চলিছিল। এই চিনেমাখন ২০ বছৰ পিছত ১৯৯৫ চনত ভাৰতীয় টেলিভিছন দুৰদৰ্শনত প্ৰদৰ্শীত হৈছিল। সেইদিনা টেলিভিছনত ছবি চলা সময়ত দুপৰীয়া ভাৰতৰ প্ৰায়বোৰ চহৰত দোকান বজাৰ বন্ধ আছিল কাৰণ সকলোৱে TV ৰ সন্মুখত বহি দ্বিতীয়বাৰ 'শোলে' উপভোগ কৰিছিল।

এই সত্তৰ দশকতে ওমপুৰী, নাচিৰুদ্দিন শাহ, শ্বাবানা আজমী, স্মিতা পাতিল আদিৰ আভিনীত কিছুমান বাস্তৱ ঘটনাৰ ছবি জনপ্ৰিয়হৈ উঠিছিল। কম বাজেটৰে বনোৱা "নিচান্ত", "মন্থন", "ভুমিকা", "স্পৰ্শ", "অংকুৰ", "অৰ্থ", "মন্দী", "বাজাৰ" আদিৰ নাম লব পাৰি।

সুন্দৰ অভিনয় কৰা নায়ক নায়িকাৰ লগতে এই পাঁচটা দশকত বহু কেইজন খলনায়কৰ (ভিলেইন) আবিৰ্ভাৰ হয়। প্ৰথমে খলনায়কৰ অভিনয় কৰা প্ৰাণে মনোজ কুমাৰৰ ছবি 'উপকাৰ'ত খলনায়কৰ ভুমিকা এৰি ভাল মানুহৰ সুন্দৰ অভিনয় কৰে। তেনেদৰে অনুপম খেৰ, পৰেশ ৰাৱাল, শক্তি কাপুৰ আদিয়ে খলনায়কৰ অভিনয় কৰি পিচলৈ কৌতুক অভিনয়ত মনোনিবেশ কৰে আৰু জনপ্ৰিয় হয়। দুজন সুন্দৰ খলনায়ক অভিনয় কৰা অভিনেতা অতি সোনকালেই পৰলোক হয়। এজন বহু খলনায়কৰ অভিনয় কৰা অমৰীশ পুৰী আৰু আনজন আমজাদ খান। খলনায়কৰ দৰে কৌতুক অভিনয়ত মেহমুদ খ্যাত আছিল। পিছলৈ আচৰাণী, জনী লিভাৰ, কেদাৰ খান আদিৰ নাম ল'ব পাৰি। চুটি-চাপৰ কৌতুক অভিনেতা ৰাজপাল যাদৱ এতিয়া সকলোৰে প্ৰিয়। নবৈ দৰ্শকত পুনৰ তিনিজন সুন্দৰ অভিনেতা আমিৰ খান, চলমান খান, শ্বাহৰুখ খান। যি কেইজন পিছলৈ Super star হৈ বিগত তিনিদশক ভাৰতীয় বোলছবিত ৰাজত্ব কৰি আছে।

আশী দশকৰ শেযৰ ফালে সুন্দৰ চেহেৰাৰ সুন্দৰ অভিনয় কৰা এজন অভিনেতা আমিৰ খানৰ প্ৰেমৰ ছবি "কায়ামত চে কায়ামত তক"ৰে হিন্দী বোলছবিত নতুন আলোড়নৰ সৃষ্টি কৰিলে। তাৰ পাছত "দিল হে কী মানতা নাহি" আদি চিনেমাৰে তেওঁ নতুন প্ৰজন্মৰ Heart throb হৈ পৰিল। তাৰ লগতে আহিল মধুবালা আৰু হেমামালিনীৰ দৰেই অতি সুন্দৰ আৰু আকৰ্ষণীয় অভিনেত্ৰী মাধুৰী দীক্ষিত। তেওঁ অনিল কাপুৰৰ লগত অভিনয় কৰা "তেজাব" ছবিৰে ছবিজগতত পদাৰ্পন কৰিলে। সেই ছবিৰ গীত "এক দো তিন" নতুন প্ৰজন্মৰ অতি জনপ্ৰিয় হ'ল।

মাধুৰীৰ পিছত অতি সুন্দৰ অভিনয় কৰা আন এগৰাকী অভিনেত্ৰী হ'ল শ্ৰীদেৱী। দ্বিতীয়জন অভিনেতা ছলমান খানে আন এখন ছবি "মেনে প্যাৰ কিয়া" ছবিৰে প্ৰেমৰ ছবিক এক নতুন অধ্যায় সুচনা কৰিলে। তাৰ পিছত একশন ৰোমাঞ্চ ড্ৰামা আদিৰে আমোদ প্ৰদান কৰা "হ'ম আপকে হে কৌন", 'চাজন' আদি ছবিৰে ছালমান খান Super star হৈ উঠিছিল।

হিন্দী বোলছবিৰ "বাদছাহ" বুলি এতিয়া খ্যাত অভিনেতা শাহৰুখ খানে "দীৱানা", "বাজিগৰ" আদি ছবিৰে হিন্দী বোলছবিত তোলপাৰ লগালে। ১৯৯৫ চনত শ্বাহৰুখ খানে অভিনেত্ৰী কাজলৰ লগত অতি মনোগ্ৰাহী অভিনয় কৰা ছবি "দিল ৱালে দুল্হনীয়া লে জায়েঙ্গে" ছবিৰে সকলোকে অভিভুত কৰিলে । যোৱা তিনি দশকৰ ধৰি শ্বাহৰুখখান হিন্দী বোলছবিৰ সম্ৰাট হৈ আছে।

ইফালে আমিৰ খানে নিজে অভিনয় কৰাৰ বাহিৰেও নিজে পৰিচালনা আৰু প্ৰয়োজনা কৰি সুন্দৰ ছবি "তাৰে জামিন পৰ" প্ৰস্তুত কৰিলে যিখন ছবি এটি সুন্দৰ কবিতাৰ দৰে। সুপ্ৰতিষ্ঠিত অভিনেতা অনিল কাপুৰ আৰু সঞ্জয় দত্তই কৰা কেইখনমান চিনেমাৰ অধ্যয়নৰ এক নতুন সোৱাদ যোগালে। সঞ্জয় দত্তই অভিনয় কৰা "মুন্নাভাই এম. বি. বি. এছ." ছবিখন মানৱতাৰ এক সুন্দৰ নিদৰ্শন। অনিল কাপুৰেও "নায়ক", 'পুকাৰ' 'বেটা' আদি ছবিৰে অভিনয়ত এক সুন্দৰ অৱিহনা আগবঢ়ালে। অন্য এজন অভিনেতা নানা পাটেকাৰৰ ছবিবোৰ দেখিলে এনে লাগে যেন কাহিনীটো তেওঁকেই ভাবি তৈয়াৰ কৰিছে।

আমিৰ খানে প্ৰস্তুত কৰা ক্ৰিকেট খেলৰ এখন ছবি "লাগানে" ইমানেই দৰ্শকক আকৰ্ষণ কৰিলে যে এই ছবিখন Oscar প্ৰতিযোগিতালৈ পঠোৱা হৈছিল। একবিংশ শতিকাৰ আৰম্ভণিতে কৰা এই ছবি পিছত ভাৰতবৰ্যৰ খেলৰ ওপৰত এখন এখনকৈ দহখন মান ধৰি প্ৰস্তুত হ'ল "ভাগ মিলখা ভাগ", "চাক্‌দে ইণ্ডিয়া", "চুলতান", "দঙ্গল" আদি।

এই শতিকাত চিনেমাৰ কাৰিকৰী দিশ যথেষ্ট উন্নত হ'ল আৰু নতুন নতুন সামাজিক সমস্যা সংঘাটৰ ওপৰত বিভিন্ন চিনেমা প্ৰস্তুত হ'ল। কিন্তু প্ৰেমৰ কাহিনীৰ চিনেমা সদায়ে থাকিলে। প্ৰখ্যাত পৰিচালক য়ছ ছোপ্ৰাই এখনৰ পিছত এখন সুন্দৰ ৰোমান্তিক ছবি কৰিলে "কভি কভি ", "চিল চিলা", "চান্দনী' আৰু শ্বাহৰুখ খান অভিনীত "দিল তো পাগল হে"। দুয়ো গৰাকী অভিনেত্ৰীৰ নাচ গানেৰে পৰিপুষ্ঠ এই ছবিত সুন্দৰ সঙ্গীতৰ ৰচনা কৰিছিল মানুহে ভালকৈ নজনা উত্তম সিংঙে।

ভাৰতীয় চিনেমাৰ এশ বছৰ পূৰ্ণ হ'ল। চিনেমাৰ কাৰীকৰি দিশতো বহু আগ বাঢ়িল। তাৰ লগে লগে চিনেমা এক বৃহৎ উদ্যোগলৈ পৰিণত হ'ল। আগতে লাখ টকাৰে চিনেমা প্ৰস্তুত হৈছিল, এতিয়া কোটি কোটি টকা খৰচ আৰু অৰ্জন কৰিব পৰা হ'ল। চিনেমা এখন বনাওতে পাঁচশ মানুহৰ পৰা এহেজাৰ মানুহলৈ জড়িত থকা হ'ল। একবিংশ শতিকাত ডিজিটেল প্ৰযুক্তি বিজ্ঞানৰ দ্বাৰা চিনেমা তৈয়াৰ কৰা, প্ৰচাৰ কৰাৰ কাম বহু আগবাঢ়িল। যেনে "বাহুবলী"ৰ দৰে চিনেমা প্ৰস্তুত হ'ল। এতিয়া অতি আধুনিক ম'বাইল বা টেলিভিচনৰ Amazon দ্বাৰা যেতিয়াই যি ধৰণৰ চিনেমা চাব খোজা হয় সেই চিনেমা চোৱাৰ সুবিধা হ'ল। আশা কৰিছো আগন্তুক ভৱিষ্যতত আমি বলিউদৰ পৰা আৰু সুন্দৰ সুন্দৰ বোলছবি দেখিবলৈ পাম। ♦



Scanned by CamScanner



# গঙ্গা স্নান

*গোলাপ চন্দ্ৰ চেতিয়া*
*ফোন নং- ৯৮১১৮৮৫২৫৪*

এইয়া ব্ৰহ্মপুত্ৰ মেইল, মোৰ যাত্ৰা তিনচুকীয়াৰ পৰা দিল্লীলৈ দ্বিতীয় শ্ৰেণীৰ বাতানুকুলিন ডবা, চন-মাহ তাৰিখ মনত নাই। ব্ৰহ্মপুত্ৰ মেইলে সকলো ট্ৰেনকে সন্মান জনাই বাট এৰি দিয়ে আৰু নিজে অসমীয়াৰ গতিৰে লাহে ধীৰে গৈ থাকে। বাৰু যেই কি নহওক সেই গতিৰে গৈ থাকোতে যিহে দুৰ্গতি হ'ল সেইটো চিৰ স্মৰণীয় হৈ ৰব। দ্বিতীয় দিনা আমাৰ ট্ৰেনখন গৈ বিহাৰত সোমাল, সেই সময়ত আমাৰ সূৰ্য্য দেৱতাক ৰাহুৱে গ্ৰাস কৰিবলৈ মুখ মেলি আহিছে, মানে ইয়াৰ পিছ দিনাই সূৰ্য্য গ্ৰহণ। হিন্দু ভক্তসক'লে এই ৰাহুৰ গ্ৰাসৰ পৰা সূৰ্য্য দেৱতাক ৰক্ষা কৰিবলৈ বেনাৰসৰ গঙ্গা ঘাটলৈ সদলবলে ধাৱমান হৈছে। ৰাহুৱে সূৰ্য্যক গ্ৰাস কৰাৰ লগে লগে হাজাৰ হাজাৰ ভক্তই গঙ্গা নদীৰ পানীত জোবোৰা মাৰে আৰু ওপৰলৈ খুব পানী ছটিয়ায়।

গঙ্গা স্বয়ং পবিত্ৰ, হিন্দু দৰ্শনৰ মতে সূৰ্য্য গ্ৰহণৰ সময়ত গঙ্গাত স্নান কৰিলে পাপ ক্ষয় হয়, পূণ্য অৰ্জন হয়, আত্মা পবিত্ৰ হয়। বছৰ বছৰ জোৰা পাপবোৰ যদি এদিন গঙ্গাত স্নান কৰিলেই নাশ হয়, তেতিয়াহ'লেনো আমাৰ হোজা, ধৰ্ম্মভীৰু বিহাৰী ভাইসকল কিয় শুই থাকিব? দলে-দলে টালি-টোপোলাৰে সৈতে ব্ৰহ্মপুত্ৰ মেইলত থিয় হ'বলৈ ঠাই নাইকিয়া কৰিলে। প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী, ৰিজাৰ্ভেচন কতো ঠাই নাই। মই মোৰ ছিটত দীঘল দি শুই আছিলো, মোৰ ছিটটো কৰিডৰ টোৰ কাষৰ ফালে। মোৰ ছিটৰ ভৰিৰ ফালে মধ্য বয়সীয়া মহিলা এগৰাকী, ককালৰ পোনত তেওঁৰে পতি দেৱ আৰু মুখৰ পোনত তেখেতসকলৰ সু-সন্তানে দখল কৰিলে। ল'ৰাটিৰ বয়স প্ৰায় চৈধ্য বছৰ মানেই হ'ব।

মই তেওঁলোকৰ পিছফালে মুখ কৰিবলৈ বেয়া পাই খিৰিকীৰ ফালে মুখ কৰি শুই পৰিলো। এই দৰে ঘন্টাৰ পিছত ঘন্টা ধৰি কিমান পৰি থাকিম। সৰু পানীও চুব লাগিছে গতিকে হাতেৰে ল'ৰাটোৰ পিঠিত থপৰিয়াই মোৰ উদ্দেশ্যৰ কথা কলো ল'ৰাটো উঠি দিলে, মই টয়লেটলৈ ভক্ত সকলৰ ভিৰ ফালি গৈ কামফেৰা সমাধা কৰি পুনৰ ভিৰ ফালি মোৰ ছিটৰ ওচৰ পালোহি ল'ৰাটো উঠি দিলে। এইবাৰ মই নুশুলো, ল'ৰাটো উঠি দিয়া ঠাইতে বহি পৰিলো। ল'ৰাটো থিয় হৈ আছে। সি হয়তো নিশ্চিত আছিল মই আগৰ দৰেই ছিটত দীঘল দি পৰি ৰ'ম, পিছে বহু সময় পাৰ হৈ যোৱাৰ পাছতো মই যেতিয়া বহিয়েই থাকিলো তাৰ হয়তো খং উঠিল আৰু মোক ক'লে আংকল আপুনি নিজৰ ঠাইলৈ যাওক আৰু মোক বহিবলৈ দিয়ক মই তাৰ কথালৈ আওকান কৰি বহি আছো। সি পুনৰ মোক উদ্দেশ্য কৰি ক'লে আংকল মই কত বহিম? মই নুশুনা ভাও ধৰি আছো তেনেতে ল'ৰাটোৰ পিতৃদেৱতায়ো মোক তেখেতৰ পুত্ৰক বহিবৰ কাৰণে ছিটটো এৰি দিবলে ক'লে; হয়তো তেখেতে এদিনীয়া, হোজা, নিমাখিত অসমীয়া যাত্ৰী বুলি ভাৱিয়েই তেনেকৈ ক'লে। ৰেলেৰে ভ্ৰমণ কৰি কৰি মোৰো অভিজ্ঞতা আৰু সাহস বাঢ়িছে, যাত্ৰীসকলক দেখিলেই বহুত অনুমান কৰিব পৰা হৈছো। মই ল'ৰাটোক কলো, বেটা, তুমি তোমাৰ পাপাৰ কোলাতে বহা। এইবাৰ ল'ৰাটো উগ্ৰ হৈ পৰিল, সি ক'বলৈ ধৰিলে, কালিৰ পৰা কিমান কষ্ট কৰি তীৰ্থলৈ আহিছো, সেইটো কোনেও অনুভৱ নকৰে, ভোকে, লঘোনে, টোপনি খতি, ঠেলা হেঁচা আৰু ইয়াতো শান্তিৰে বহিবলৈ নাপাও, মানুহবোৰ ইমান নিৰ্দয়ী আৰু ইমান নিষ্ঠুৰ, ভগবান আছে দেখিব।

ল'ৰাটিৰ দুখ-কষ্ট হৃদয়ঙ্গম কৰিলেও সি দিয়া অভিশাপ খণ্ডন কৰাটো উচিত বুলি ভাৱিয়েই বুজনি সুৰত কলো, বেটা! তোমালোকে দেশ-আৰু সমাজৰ কল্যাণৰ অৰ্থে গঙ্গা স্নান কৰিবলৈ অহা নাই। তোমালোকে কালিৰে পৰা বহুত দূৰ গাঁৱৰ পৰা খোজ কাঢ়ি গাড়ী মটৰ বগাই ভোকে লঘোনে ভাগলপুৰ পাইছা আৰু তাৰ পাছত এই ট্ৰেইনত উঠিও যিখিনি দুখ কষ্ট ভোগ কৰিছা সেই দুখ কষ্টৰ বোজা আনক কিয় জাপি দিব খুজিছা? তুমি আৰু তোমাৰ পিতৃ-মাতৃয়ে গঙ্গা স্নান কৰি যি পূণ্য ফল অৰ্জন কৰিবা তাৰ সামান্য অংশও আনক দিব পাৰিবা জানো? নিশ্চয় নোৱৰা। তেনে ক্ষেত্ৰত ব্যক্তিগত লাভালাভৰ কাৰণে কৰা দুখ কষ্টৰ বোজা নিজেই বহন কৰিব লাগিব। আনক অভিশাপ নিদিবা, তেনে কৰিলে গঙ্গা স্নানৰ পূণ্যফল নাপাবা, তোমাৰ ইমান দুখ-কষ্ট অথলে যাব। ল'ৰা, পিতৃ-মাতৃ নিশ্চুপ হৈ ৰ'ল, অন্য তীৰ্থযাত্ৰীসকলেও কোনো মন্তব্য নিদিলে। তীৰ্থযাত্ৰীসকলৰ এই দুৰ্বলতাৰ সুযোগ মোৰ সন্মুখৰ ফালে, ভিজা মেকুৰীৰৰ দৰে টেপাখাই বহি অহা সহযাত্ৰী কেইজনে গা-মূৰ জোকাৰি সূৰ্য্য গ্ৰহণৰ বিষয়ে সমালোচনা কৰিবলৈ লাগি গ'ল।

এজনে ক'লে, ভক্ত সকলে সূৰ্যক নহয় ৰাহুক ৰক্ষা কৰিবলৈ হে ওপৰলৈ পানী ছটিয়ায়, যিহেতু বিশাল অগ্নিপিণ্ড ৰাহুত কৈ হাজাৰ গুণে ডাঙৰ, উতপ্ত সূৰ্যটো গিলোতে যাতে ৰাহুৰ মুখখন জ্বলি নাযায় অৰ্থাৎ পানী ছটিয়াই সূৰ্য্যক ঠাণ্ডা কৰি ৰাহুক গ্ৰাস কৰাত সহায়ক



Scanned by CamScanner

হয়। কোনটো সঁচা কোনটো মিছা নাজানো।

অন্য এজনে ক'লে, কোটি কোটি মাইল দূৰত থকা পৃথিৱীতকৈ হাজাৰ গুণে ডাঙৰ সূৰ্যটোক গ্ৰাস কৰিবলৈ কাৰ সাধ্য আছে? সিজনে পুনৰ ক'লে গঙ্গাজলহে নালাগে পাচোঁখন মহাসাগৰৰ পানী ঢালিও সূৰ্য্যক ঠাণ্ডা কৰিব নোৱাৰে, নিজেই শুকাই তলি উদং হব। ভাৰতৰ কথা বাদেই দিয়ক সমগ্ৰ বিশ্ব মানৱে একেলগে পানী ছটিয়াইও একো কৰিব নোৱাৰে। এজনে গহীনাই ক'লে, বুজিছে, আমাৰ দেশত ধৰ্মৰ নামত ইমান ধন টকা-পইচা আৰু মানুহৰ কৰ্ম্মশক্তি অপচয় হয়, এই সকলোখিনি ভাৰতৰ জনকল্যাণৰ কামত লগোৱা হ'লে আজিৰ ভাৰতবৰ্ষ কাহানিবাই দ্বিতীয় খন স্বৰ্গ হ'লহেতেন। আৰু শুনক অনন্ত কালৰ পৰা সূৰ্য্যগ্ৰহণ হৈ আহিছে আৰু অনন্ত কাললৈ হৈ থাকিব, এই প্ৰাকৃতিক কাৰ্যত মানুহৰ কোনো হাত নাই। অন্য এজনে পুনৰ ক'লে— আপোনালোকৰ কথাবোৰত যুক্তি আছে আৰু সঁচাও, পিছে হিন্দুসকলৰ বিশ্বাস সূৰ্য গ্ৰহণৰ দিনা গঙ্গা স্নান কৰিলে পাপ নাশ হয়, পুণ্য অৰ্জন হয়। তেনেতে সিজনে মাজত থাপ মাৰি ক'লে— তেতিয়াহ'লে বৈদিক যুগৰ পৰা আজিলৈকে গঙ্গা নদীয়ে পাপ ধুই ধুই নিজেই কলুষিত হৈ পৰিছে নহয় জানো? কোনোবা এজনে ক'লে— হেৰি! অন্তহীন বাক-বিতণ্ডাৰ শেষ নহয়, গুৰি নাপায়গৈ। আলোচনা শেষ হ'ল, নিজম পৰিল থিয় হৈ থকা ল'ৰাজনে ক'লে আংকল ক্ষমা কৰিব, মোৰ ভুল হৈ গ'ল।

মই কলো সোণটো আহা, তোমাৰ কষ্ট হৈছে মোৰ ছিটটোতে (মই যেনেকৈ শুই আছিলো) শুই লোৱা। ল'ৰাটোৱে মই শুই থকাৰ দৰে দীঘল দি শুলে, মোৰ মনটো ভাল লাগিল। অলপ পাছতে মানুহজন উঠি টয়লেটলৈ গল, ল'ৰাটোৰ মাকে দুটা মান দীঘল হুমুনিয়াহ কাঢ়ি খালি ঠাই ডোখৰতে, মোৰ গাতে মূৰটো লগাই শুই দিলে। কিছুসময়ৰ পাছত মানুহজন টয়লেটৰ পৰা আহি দেখে যে তেখেতৰ শ্ৰীমতীয়ে বেদখল কৰি ভাগলপুৰৰ ভাগৰ পলুৱাই নাকেৰে সুহুৰি বজাই আছে। তেখেতে মাক পুতেকৰ ভৰি ঠেলি তাতে বহি ললে।

ইমান মানুহ, থেপা-থেপি, ঠেলা-হেচাঁত মই একো খাব পৰা নাছিলো, বটলত থকা ঠাণ্ডাপানী আৰু অলপ ফল-মূল খায়েই থাকিব লগা হৈছিল। মোৰ পিন্ধনত এটা দীঘল পাঞ্জাবী চোলা আৰু বগা পায়জামা আছিল। টপামূৰত বগা চুলি আৰু কেইবাদিনো নকটা মঙ্গোলীয় দাড়ি। মোৰ চাহ, তামোল, চিগাৰেট চাদা খোৱাৰো অভ্যাস নাই।

কিছুসময়ৰ পাছত মানুহজনে মোৰ পৰিচয় সুধিলে, মই মোৰ পৰিচয় দিলো। মোৰ পৰিয়ালৰ বিষয়ে সুধিলে, তাকো কলো, মই বৰ্তমান ক'লৈ যাম, কি কৰো তাকো সুধিলে, তাৰো যথাযথ উত্তৰ দিলো। কাশী, বৃন্দাবন, মথুৰা, হৰিদ্বাৰ ঋষিকেশ, বৈষ্ণদেৱী আদি তীৰ্থস্থান বিলাকৰ বিষয়ে সুধিলে, সেই সকলোবোৰৰ বৰ্ণনা দিলো। শেষত ৰামেশ্বৰমৰ বিষয়ে সুধিলে, কলো তালৈ যোৱা নাই, এইবাৰ যাম।

মোৰ পৰা উত্তৰ ভাৰতৰ এই তীৰ্থস্থানবিলাকৰ বৰ্ণনা শুনি সেই ধৰ্মভীৰু ভগবানৰ ভক্তজনৰ মোৰ প্ৰতি কৌতুহল বাঢ়িব ধৰিলে। তেখেতে ক'লে আপোনাৰ কোনো পাপ নাই, আপোনাৰ সকলো পাপ নাশ হৈছে, আপুনি মহাপবিত্ৰ, আপোনাৰ আত্মা মহান আপোনাক শতকোটি প্ৰণাম জনাইছো। মোৰ মনত পৰিল, আমি নিচেই সৰু আছিলো, সেই সময়ত আমাৰ গাঁৱলৈ অহা কোনো সাধু-সন্যাসীয়ে যেতিয়া কাশী বৃন্দাবনৰ পৰা অহা বুলি কয়, তেতিয়া গাঁৱৰ বয়োবৃদ্ধসকলে সেই সন্যাসী জনৰ পদধূলা মূৰত লয় আৰু ভৰি ধোৱাই পদজল গ্ৰহণ কৰে। মই আমাৰ ককাহতঁৰ মনোদশাৰ লগত এওঁলোকৰ সাদৃস্য দেখিবলৈ পালো।

এইবাৰ তেখেতে সুধিলে আপোনাৰ বিৰাদৰী কি?

মই কলো, আমি চীনী-শ্যামী বিৰাদৰীৰ লোক।

তেখেতে যিবোৰ বিৰাদৰীৰ বিষয়ে জানে তাৰ কোনো এটাতো এই বিৰাদৰীৰ নামটো পঞ্জীভুক্ত হোৱা নাপালে, সেয়ে পুনৰ সুধিলে- আপোনাৰ 'গোত্ৰ' কি জনাব নে?

এইবাৰহে লাগিল লেঠা, অসমৰ জন-জাতিসকলৰ গোত্ৰ আছেনে নাই নাজানো। মই জনাত নাই। মই নাই বুলি নকৈ তেখেতক কলো বুজিছে "যি নাই অসমত সি নাই ভাৰতত"। আমাৰ গোত্ৰ হৈছে "চাৰ্বাক গোত্ৰ"। মানুহজনে টলকামাৰি কাহানিও নুশুনা এই গোত্ৰহীন গোত্ৰটোৰ বিষয়ে ভাবিলে আৰু ক'লে আগতে কেতিয়াও ক'তো এই বিৰাদৰী আৰু গোত্ৰটোৰ নাম শুনা নাই।

অ' হয় নেকি? আপুনি মই নেদেখা নুশুনাকৈ এই পৃথিৱীত আৰু যে ক'ত কি আছে। শুনক! আমাৰ গোত্ৰটোৰ আদি পুৰুষজন এজন দাৰ্শনিক পুৰুষ আছিল আৰু আমাৰ গোত্ৰটোৰ বীজমন্ত্ৰ হৈছে- "ঋণং কৃত্বা ঘৃতং পীৱেত, যাৱত জীৱন সুখং জীৱেত"। ইমানবিলাক কথা আগতে জনা নাছিলো, আজি ভগৱানৰ কৃপাত (ভগৱানলৈ হাত যোৰ কৰি) আপোনাৰ পৰা জানিব পাৰিলো। আপোনালৈ বহুত ধন্যবাদ থাকিল। মই কলো আৰু শুনকচোন— বৰ্তমান মোৰ কোনো জাত-কুল, বৰ্ণ, গোত্ৰ নাই, আমি সকলো সমান আৰু সকলো ভগৱানৰ সন্তান।

এনেতে যাত্ৰীসকলক ঠেলা-ঠেলি কৰি গেৰুৱা বসন ধাৰণ কৰা যাত্ৰী এজন মোৰ সন্মুখলৈ আহি মোক দেখুৱাই তীৰ্থযাত্ৰী সকলক ক'বলৈ ধৰিলে, "হে তীৰ্থযাত্ৰীসকল এখেতক দেখিছেহে সাধাৰণ, এখেত এজন অসাধাৰণ মহান ভগৱানৰ ভক্ত। আপোনালোকে দেখিছে, আজি গোটেই দিনটো এখেতে জল ফলৰ বাদে কোনো আহাৰেই গ্ৰহণ কৰা নাই, এখেতে ফল-মূল খায়েই জীৱন ধাৰণ



Scanned by CamScanner

কৰে।" মই অৱশ্যে একো খাবলৈ সুবিধা নাপাইহে ফল-মূল আৰু পানী খাইয়ে থাকিব লগা হৈছিল। মই ফলাহাৰী নহওঁ, মাছ মাংস মোৰ প্ৰিয় খাদ্য। মই ভাবিলো তাহানি পদজল গ্ৰহণ কৰা আমাৰ গাঁৱৰ বয়োবৃদ্ধসকলৰ দৰেই, নহ'লে হয়তো ই এটা শিয়াল টেঙৰ ঠগবাজ। সি ক'বলৈ ধৰিলে "এখেত শুদ্ধ সনাতন মহাপুৰুষ, এখেতক যি দৰ্শন কৰে সি পবিত্ৰ হয়, এখেতৰ উশাহ-নিশাহত বায়ু পবিত্ৰ হয়। এখেতৰ বচন যি পালন কৰে সি জীৱনত ধন্য হয়। এখেতৰ সংগত পুণ্য লাভ কৰি আজীৱন সুখী হয়, তথা এখেতৰ স্পৰ্শত স্বৰ্গ প্ৰাপ্তি হয়।" এনেধৰণে গুনানুকীৰ্ত্তন কৰি হাত যোৰ কৰিবলৈ ধৰিলে। মই অবাক , মোৰ যে ইমানবোৰ ঐশ্বৰিক গুণ আছে, মই নিজেই নাজানো। ই কি কয়? মোৰ তাহানিতে শুনা এটা ঘটনালৈ মনত পৰিল।

